

# অন্বেষণ

দ্বাদশ বছৰ ■ দ্বাদশ সংখ্যা ■ জানুৱাৰী, ২০২৬

## ফুটবলৰ ইতিহাস



## মটৰ গাড়ীৰ কাহিনী



অসাধাৰণ মেধাৰ সেই গৰখীয়া ল'ৰাটো ...



## অন্ধবিশ্বাস নিৰ্মূল— নতুন বছৰৰ এক সংকল্প হ'ব নোৱাৰেনে ?



হামিং বাৰ্ড



দেওহাঁহ



ছাংগাই পহু



পাট্টাডাকালৰ স্মৃতিসৌধ



হৰ্ণবিল উৎসৱ

# অন্বেষণ


**দ্বাদশ বছৰ, দ্বাদশ সংখ্যা, জানুৱাৰী, ২০২৬ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A monthly inhouse journal of Assam Jatiya Bidyalay, published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust

Email : assamjatiyabidyalay@gmail.com

Website : assamjatiyabidyalay.com


## সূচীপত্ৰ


২ **অসাধাৰণ মেধাৰ সেই গৰখীয়া ল'ৰাটো...**
■ ৰোহিনী কুমাৰ গোস্বামী

৫ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

৮ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

৯ **অন্ধবিশ্বাস নিৰ্মূল—নতুন বছৰৰ এক সংকল্প হ'ব নোৱাৰেনে?**
■ অভিজিত শৰ্মা বৰুৱা

১১ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

১৭ **মটৰ গাড়ীৰ কাহিনী : অতীতৰ পৰা বৰ্তমানলৈ**
■ নিভা ৰাণী ৰায়

২০ **ইউ পি আই**
■ ৰুণুমী কলিতা

২২ **কুইজ**
■ দীপাংকৰ কৌশিক

২৩ **অসমৰ ৰাজ্যিক পক্ষী দেওহাঁহ**
■ ৰীতামণি মহন্ত

২৪ **চলচ্চিত্ৰৰ সংগীত পৰিচালক হিচাপে জুবিন গাৰ্গ**
■ সীমান্ত সৌৰভ কলিতা

২৫ **হৰ্ণবিল উৎসৱ**
■ লিয়ন দাস

২৬ **ৰং**
■ বৈশালী শৰ্মা

২৬ **যদি নহয়**
■ বৰষা শৰ্মা

২৬ **সোঁৱৰণ**
■ প্ৰদ্যুম্ন ডেকা

২৭ **পঢ়ুৱৈৰ টোকা**
■ দেৱাংগনা বৰঠাকুৰ

২৮ **৫৯ সংখ্যক জ্ঞানপীঠ বঁটা লাভ কৰা ব্যক্তিজন**
■ দিশ্ৰু ৰুদ্ৰাণী

২৯ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

৩০ **Did You Know**
■ Bhaktimala Saikia

৩১ **Stories from World Classics**
■ Papari Kalita

৩২ **এক্সক্লুছিভ ইক'নমিক জ'ন**
■ মানসী বৰুৱা

৩৩ **ৰাৰ এণ্ড পিচ**
■ অৰ্পিতা দেৱী

৩৫ **লগটক হ্ৰদ**
■ প্ৰাঞ্জল প্ৰদীপ বৰা

৩৬ **ফুটবলৰ ইতিহাস**
■ তৃষ্ণা গোস্বামী

৩৮ **ডি আৰ ডি অ'**
■ ৰাণু বুজৰবৰুৱা

৩৯ **চুড'কু**

৪০ **বিষ উপকাৰী নে অপকাৰী?**
■ চেহনাজ আখতাৰ আহমেদ




**মুখ্য সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সম্পাদক** : পংকজ দত্ত
**সহযোগী সম্পাদক** : ড° লিপিমণি দত্ত, কুশল গোস্বামী
**সহকাৰী সম্পাদক** : ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)

**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা (উৎস : ইণ্টাৰনেট)
**ছবি** : কন্দৰ্প শৰ্মা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আৰ্হি পাঠ** : কুলধৰ কলিতা
**মূল্য** : ত্ৰিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰিন্স চৌধুৰীৰ দ্বাৰা মুদ্ৰিত।*

# অসাধাৰণ মেধাৰ সেই গৰখীয়া ল'ৰাটো...

**ৰোহিনী কুমাৰ গোস্বামী**



অবিভক্ত কামৰূপ জিলাৰ অন্তৰ্গত বৰ্তমান শিক্ষানগৰী হিচাপে প্ৰসিদ্ধ পাঠশালা নগৰৰ নাতিদূৰত অৱস্থিত বামাখাটা গাঁও। এই গাঁৱৰে এগৰাকী ৫/৬ বছৰীয়া গৰখীয়া ল'ৰা। ল'ৰাটিৰ নাম আছিল কামো। দেউতাকৰ নাম বানো আৰু মাকৰ নাম আছিল ৰতিপ্ৰিয়া। বানোৰ চাৰিগৰাকী পুত্ৰৰ চতুৰ্থ সন্তান আছিল কামো। নুমলীয়া অৱস্থাতে কামোৰ পিতৃৰ লগতে দুগৰাকী ককায়েকৰ মৃত্যু হোৱাত চৰম দৰিদ্ৰতাৰ সৈতে সহবাস কৰা পৰিয়ালটোৰ পানীত হাঁহ নচৰা অৱস্থা হ'ল। উপায়হীন হৈ মাকে আনৰ ঘৰত কাম-বন কৰি দুপইচা উপাৰ্জন কৰাৰ লগতে কণমানি কামোৱে চুবুৰীয়াৰ গৰু চৰাই অভাৱ-অনাটনৰ মাজেৰে এক দুৰ্বিষহ আৰু কষ্টকৰ জীৱন অতিবাহিত কৰিবলৈ ধৰিলে।

এনেদৰে কেইবছৰমান পাৰ হোৱাৰ পাছত মাকে তেওঁক ওচৰৰে হাগুৰীগাঁৱৰ এঘৰত মাহিলি দুই টকা দৰমহাত গৰু চৰোৱা বন্ধা হিচাপে ৰাখিলে। হাগুৰীগাঁও প্ৰাথমিক বিদ্যালয়ৰ কাষতে থকা এখনি চৰণীয়া পথাৰত তেওঁ গৰু চৰায়। গৰুবোৰ পথাৰত ঘাঁহ খাবলৈ এৰি দি শিক্ষাগ্ৰহণৰ প্ৰতি প্ৰবল ধাউতি থকা কামোৱে পথাৰখনৰ গাতে লাগি থকা হাগুৰীগাঁও প্ৰাথমিক বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ ওচৰতে থকা গছৰ ছাঁত থিয় হৈ শিক্ষকে শ্ৰেণীত কৰা পাঠদান অতি মনোযোগেৰে শুনি থাকে। এনেকৈয়ে প্ৰতিদিনে তেওঁ শ্ৰেণীকোঠাৰ বাহিৰৰ পৰাই শ্ৰেণীত শিকোৱা পাঠবোৰ আয়ত্ত কৰি গৈ থাকিল।

প্ৰাথমিক বিদ্যালয়খনৰ প্ৰধান শিক্ষক আছিল সন্তৰাম চৌধুৰী। অংক বিষয়ৰ পাঠদান কৰা প্ৰধান শিক্ষকগৰাকীয়ে এদিন ইতিমধ্যে শ্ৰেণীত শিকোৱা এটি অংকৰ প্ৰশ্ন ছাত্ৰসকলক সুধিলে। কিন্তু কোনো এগৰাকী ছাত্ৰই প্ৰশ্নটোৰ উত্তৰ দিব নোৱৰাত শ্ৰেণীকোঠাটো নীৰৱ-নিস্তব্ধ হৈ পৰিল। তেনে সময়তে শ্ৰেণীকোঠাৰ কাষতে গছৰ ছাঁত থিয় হৈ থকা কামোৱে শ্ৰেণীটোৰ দুৱাৰমুখলৈ আহি প্ৰশ্নটোৰ শুদ্ধ উত্তৰটো কৈ দিলে। শ্ৰেণীকোঠাৰ বাহিৰত পাঠদান শুনি শুনি অংকৰ দৰে বিষয় এটিৰ পাঠ আয়ত্ত কৰিব পৰা অপৰিসীম প্ৰতিভা আৰু মেধাৰ উমান পাই প্ৰধান শিক্ষক সন্তৰাম চৌধুৰীৰ কামোৰ প্ৰতি স্নেহ উপজিল। তেওঁ এটি উজ্জ্বল নক্ষত্ৰৰ সন্ধান লাভ কৰি বিদ্যালয় ছুটীৰ পাছত কামোৰ গৃহত উপস্থিত হ'ল।

চৰম দৰিদ্ৰতাই কোঙা কৰি পেলোৱা পৰিয়ালটোত উপস্থিত হৈ সন্তৰাম চৌধুৰীয়ে কামোৰ বিধবা মাতৃক কামোৰ প্ৰতিভা বখানি বিদ্যালয়ত নামভৰ্তি কৰাই দিবলৈ পৰামৰ্শ দিলে। কিন্তু ঘৰখনৰ আয়ৰ এটি প্ৰধান উৎস কামোক বিদ্যালয়ত নামভৰ্তি কৰাবলৈ মাকে কোনোমতে সন্মত নহ'ল। কিয়নো ল'ৰাটিক বিদ্যালয়লৈ পঠিয়াবলৈ হ'লে ঘৰখনৰ আয়ৰ উৎস নোহোৱা হৈ পৰিব আৰু আৰ্থিক দীনতাই পৰিয়ালটোলৈ সংকট নমাই আনিব। কিন্তু সন্তৰাম চৌধুৰীয়ে এনে উজ্জ্বল ৰত্ন এটি কোনো কাৰণতে এৰি নোযোৱাৰ সিদ্ধান্ত লৈ ঘৰখন চলোৱাৰ সম্পূৰ্ণ দায়িত্ব নিজে গ্ৰহণ কৰিলে। অৱশেষত মাক মান্তি হ'ল। চৌধুৰীয়ে কামোক নিজৰ ঘৰলৈ লৈ গ'ল।

প্ৰধান শিক্ষক চৌধুৰীয়ে কামোক কামেশ্বৰ দাস নাম দি আৰু দেউতাকৰ নাম বানোৰ সলনি বানেশ্বৰ দাস ৰাখি হাগুৰীগাঁও প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰালে। জন্মৰ কোনো কুণ্ডলী নথকাত জন্মৰ তাৰিখ

নিৰ্ধাৰণ কৰিলে ১৮৯৩ চনৰ ১ মাৰ্চ। শিক্ষা জীৱনৰ পাতনি মেলাৰ পাছত কামেশ্বৰ দাসৰ পাঠ আয়ত্ত কৰাৰ পাৰদৰ্শিতা দেখি বছৰত দুটাকৈ ওপৰৰ শ্ৰেণীলৈ প্ৰধান শিক্ষক চৌধুৰীয়ে তেওঁক উত্তীৰ্ণ কৰালে। ১৯০৫ চনত তেওঁ সুখ্যাতিৰে বৃত্তি লাভ কৰি প্ৰাথমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ল।

পৰবৰ্তী সময়ত প্ৰধান শিক্ষক চৌধুৰীয়ে তেওঁৰ ঘৰতে ৰাখি কামেশ্বৰ দাসক চৌখুটী মধ্য ইংৰাজী বিদ্যালয়ত নামভৰ্তি কৰাই দিলে। এই বিদ্যালয়ৰ পৰা তেওঁ ১৯০৮ চনত প্ৰতিযোগিতামূলক বৃত্তি পৰীক্ষাত জিলাৰ ভিতৰত প্ৰথম স্থানেৰে বৃত্তি লাভ কৰি উত্তীৰ্ণ হ'ল। ইয়াৰ পাছত হাইস্কুলীয়া শিক্ষা গ্ৰহণৰ বাবে পাঠশালাৰ ওচৰে-পাঁজৰে কোনো হাইস্কুল নথকাত সমস্যাৰ সৃষ্টি হ'ল। সেই সময়ত হাইস্কুল আছিল বৰপেটা আৰু নলবাৰীতহে। কিন্তু বৰপেটা বা নলবাৰীত থকা হাইস্কুলত পঢ়ুৱাব পৰাকৈ আৰ্থিক স্বচ্ছলতা নাছিল সন্তৰাম চৌধুৰীৰ। সেয়ে সেই অঞ্চলৰ বহুকেইজন শিক্ষাব্ৰতী লোকৰ প্ৰচেষ্টাত, জন্মগাঁও বামাখাটাৰ ৰাইজৰ আশীৰ্বাদ আৰু বিজনী মৌজাৰ মৌজাদাৰ পুষ্পৰাম চৌধুৰীৰ অৰ্থ সাহায্যৰে চৌখুটী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক পৰমানন্দ দত্তচৌধুৰীয়ে কামেশ্বৰ দাসক বৰপেটা চৰকাৰী হাইস্কুলত নামভৰ্তি কৰাই দিলে। বৰপেটা চৰকাৰী হাইস্কুলৰ হোষ্টেলত থাকি অধ্যয়নত ব্ৰতী হৈ কামেশ্বৰ দাসে ১৯১১ চনত কলিকতা বিশ্ববিদ্যালয়ে পৰিচালনা কৰা মেট্ৰিক পৰীক্ষাত আটাইকেইটা বিষয়তে লেটাৰ নম্বৰ লাভ কৰি অসম উপত্যকাৰ ভিতৰতে দ্বিতীয় স্থান লাভ কৰি উত্তীৰ্ণ হ'ল। প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছিল ড° বাণীকান্ত কাকতিদেৰে। মেট্ৰিক পৰীক্ষাৰ সন্তোষজনক ফলাফল দেখি মৌজাদাৰ পুষ্পৰাম চৌধুৰীয়ে কামেশ্বৰ দাসক কটন কলেজৰ কলা শাখাত নামভৰ্তি কৰালে। কিন্তু ইমান মেধাৰী ছাত্ৰ এগৰাকীয়ে বিজ্ঞান শাখাত নামভৰ্তি নকৰি একমাত্ৰ আৰ্থিক দীনতাৰ বাবে কলা শাখাত নামভৰ্তি কৰাৰ কথা জানিব পাৰি কটন কলেজৰ অধ্যক্ষ ফ্ৰেডেৰিক উইলিয়াম চুডমাৰ্ছন চাহাবে বিজ্ঞান শাখাত পঢ়িবৰ বাবে প্ৰয়োজন হোৱা অতিৰিক্ত মাচুল ৰেহাই দি তেওঁক বিজ্ঞান শাখাত অধ্যয়ন কৰাৰ সুবিধা প্ৰদান কৰিলে।

১৯১৩ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনৰ কটন কলেজৰ পৰা তেওঁ আই এছ চি পৰীক্ষাত ষষ্ঠ স্থান অধিকাৰ কৰি উত্তীৰ্ণ হয়। কিন্তু কটন কলেজত গণিত বিষয়ত অনাৰ্ছ পাঠ্যক্ৰম নথকাত মৌজাদাৰ পুষ্পৰাম চৌধুৰীৰ পৰামৰ্শ অনুসৰি তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ অন্তৰ্গত চিলেটৰ মুৰাৰীচান্দ কলেজত স্নাতক শাখাত নামভৰ্তি কৰে। তেওঁ ১৯১৫ চনত উক্ত কলেজৰ পৰা বি এছ চি পৰীক্ষাত গণিত বিষয়ত অনাৰ্ছসহ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। পুনৰ ১৯১৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম এছ চি পৰীক্ষাতো তেওঁ গণিত বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি সোণৰ পদক লাভ কৰে।

কলিকতা বিশ্ববিদ্যালয়ৰ গণিত শাস্ত্ৰৰ অধ্যাপক আশুতোষ মুখোপাধ্যায়ৰ অতি প্ৰিয় ছাত্ৰ আছিল কামেশ্বৰ দাস। সেয়ে এম এছ চি পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত আশুতোষ মুখোপাধ্যায়ে বৃটিছ চৰকাৰলৈ লিখা এখন পত্ৰৰ ভিত্তিত এটি এবছৰীয়া জলপানি লাভ কৰি তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ ড° চি ই কিউলিছ নামৰ এগৰাকী গণিতৰ অধ্যাপকৰ অধীনত গৱেষণা আৰম্ভ কৰে। কিন্তু এবছৰীয়া জলপানি বন্ধ হোৱাত তেওঁ তেওঁৰ গৱেষণা আধাতে সামৰি ঘৰলৈ ঘূৰি আহে।

ঘৰলৈ ঘূৰি আহি ১৯১৮ চনত তেওঁ মৌজাদাৰ পুষ্পৰাম চৌধুৰীৰ একমাত্ৰ কন্যা গায়ত্ৰী চৌধুৰীৰ লগত বিবাহপাশত আবদ্ধ হয়। বিবাহ কাৰ্য্য সম্পন্ন হোৱাৰ কিছুদিন পাছতে তেওঁ কলিকতা বিশ্ববিদ্যালয়, ৰেংগুন কলেজ আৰু মহীশূৰ কলেজৰ সহকাৰী অধ্যাপকৰ নিয়োগ পত্ৰ লাভ কৰিছিল যদিও চাকৰিত যোগদান নকৰিলে।

শৈশৱকালৰ দৰিদ্ৰ অৱস্থাৰ পাকচক্ৰত পৰি গৰু চৰাবলগীয়া হোৱা কামেশ্বৰ দাসৰ মনত নিজৰ জন্মভূমিৰ দৰিদ্ৰ জনগণৰ উন্নতিৰ বাবে কিবা এটা কৰাৰ

বাসনা জাগি উঠিছিল। সেয়ে নিজ মাতৃভূমিৰ পৰা চাকৰি সূত্রে আঁতৰি যাবলৈ বিচৰা নাছিল। ১৯১৯ চনত তেওঁ আইন বিষয়ত অধ্যয়ন কৰাৰ বাবে কলিকতালৈ গ'ল। ১৯২২ চনত কলিকতাৰ লৰ্ড ৰিপন ল কলেজৰ পৰা প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি আইনৰ স্নাতক ডিগ্ৰী লৈ বৰপেটালৈ উভতি আহে আৰু ওকালতি কৰিবলৈ লয়। ন্যায় ব্যৱস্থাত দেখুওৱা পাৰদৰ্শিতাৰ বাবে তেওঁ অবৈতনিক মেজিষ্ট্ৰেটৰ পদ লাভ কৰি বহু গোচৰ কম সময়তে মীমাংসা কৰি ৰাইজৰ সমাদৰ লাভ কৰিছিল।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ছোৱাত ১৯২৮-২৯ চনৰ ছাইমন কমিছন বিৰোধী আন্দোলন, ১৯৩০ চনৰ আইন অমান্য আন্দোলন আৰু ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি কেইবাবাৰো কাৰাবাস খাটি কামেশ্বৰ দাসে স্বাধীনতা স্পৃহাৰ নিদৰ্শন দাঙি ধৰিছিল।

ৰাজনৈতিক নেতা হিচাপে কামেশ্বৰ দাসে ১৯৩০ চনত বৰপেটা মহকুমাৰ লোকেল বোৰ্ডৰ চেয়াৰমেন আৰু ১৯৩৭ চনৰ পৰা ১৯৪৬ চনলৈ দুটা কাৰ্য্যকালৰ বাবে বৰপেটা নৰ্থ সমষ্টিৰ পৰা অসম বিধান সভাৰ বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। অসমৰ শৈক্ষিক ক্ষেত্ৰখনৰ উন্নয়নৰ বাবে ১৯২৬ চনত বজালী হাইস্কুল স্থাপন, ১৯৩৫ চনত আনন্দ বজাৰৰ গিৰীশ বিদ্যাপীঠ স্থাপন কৰাৰ উপৰি বৰপেটা মহকুমাত বহুতো প্ৰাথমিক বিদ্যালয় স্থাপন কৰিছিল। ১৯৩৯ চনত বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয় আৰু ১৯৫৫ চনত পাঠশালাৰ বজালী মহাবিদ্যালয় স্থাপন কৰি তেওঁ দুয়োখন মহাবিদ্যালয়ৰে প্ৰতিষ্ঠাপক অবৈতনিক অধ্যক্ষৰ দায়িত্ব সম্পাদন কৰিছিল। অসম লোকসেৱা আয়োগৰ সপ্তমগৰাকী অধ্যক্ষ আৰু এই পদত অধিষ্ঠিত হোৱা প্ৰথমগৰাকী অসমীয়া আছিল কামেশ্বৰ দাস।

এটি চমু প্ৰবন্ধৰে বহুমুখী প্ৰতিভাৰ স্বাক্ষৰ বহনকাৰী কামেশ্বৰ দাসৰ জীৱন পৰিক্ৰমা সামৰিব নোৱাৰি। ন'বেল বঁটা বিজয়ী প্ৰখ্যাত পদাৰ্থবিজ্ঞানী চি ভি ৰমণে ৰামণ প্ৰক্ৰিয়া আৱিষ্কাৰ কৰাৰ সময়ত তাত ব্যৱহৃত হোৱা গাণিতিক গণনাসমূহত কামেশ্বৰ দাসৰ সহায় লৈছিল। অসাধাৰণ জীৱন পৰিক্ৰমাৰে নানা প্ৰতিবন্ধকতা হেলাৰঙে অতিক্ৰম কৰি এক বটবৃক্ষত পৰিণত হোৱা, নতুন প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস হৈ ৰোৱা কামেশ্বৰ দাসে ১৯৬৬ চনৰ ১ ছেপ্টেম্বৰ তাৰিখে ইহলীলা সম্বৰণ কৰে।

'য'তে ইচ্ছা ত'তে বাট' এই আপ্তবাক্যশাৰী প্ৰতিফলিত হৈছিল তেওঁৰ বৰ্ণিল আৰু অসাধাৰণ জীৱন পৰিক্ৰমাত। নিষ্ঠা, একাগ্ৰতা, প্ৰবল ইচ্ছা শক্তি, অপৰিসীম কষ্ট স্বীকাৰ কৰাৰ শক্তি আৰু দৃঢ় আত্মবিশ্বাসৰ লগতে মেধা তথা প্ৰতিভাৰ পৰিচয় দাঙি ধৰিব পাৰিলে যিকোনো পৰিস্থিতিতে হেজাৰ বাধাৰ প্ৰাচীৰ অতিক্ৰম কৰিও জীৱনত সফলতাৰ জখলাত আৰোহণ কৰিব পাৰি। ইয়াৰ এক জ্বলন্ত উদাহৰণ হ'ল— প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাব্ৰতী লোকে শ্ৰদ্ধাত নতশিৰ হ'ব লগা এক সবল ব্যক্তিত্বৰ অধিকাৰী, কিংবদন্তি পুৰুষ, শিক্ষাবিদ কামেশ্বৰ দাস। তেওঁৰ বৰ্ণিল জীৱনগাথা সকলোৰে বাবে অনুকৰণীয় আৰু প্ৰেৰণাদায়ক হৈ থাকিব—চিৰদিন, চিৰকাল। ❖

## তোমালোকৰ বাবে প্ৰশ্ন, জানুৱাৰী, ২০২৬

১। জানুৱাৰী মাহৰ নামটো কোনজন ৰোমান দেৱতাৰ নামৰ পৰা আহিছে?

২। দি স্প'ৰ্টিং টাইমছ (The Sporting Times) কাকতখনত ১৮৮২ চনত ৰেগিনাল্ড শ্বাৰ্লি ব্ৰুকছে (Reginald Shirley Brooks) কোনটো ক্ৰিকেটীয় শব্দ প্ৰথমবাৰলৈ ব্যৱহাৰ কৰিছিল?

৩। ২০০৯ চনত 'প্ৰথা'ৰ জৰিয়তে কোনে চলচ্চিত্ৰ পৰিচালনাৰ জগতত খোজ দিছিল?

৪। ২০২১ চনত ভেক্স (Vax), ২০২২ত গবলিন মোড (Goblin mode), ২০২৩ত ৰিজ (Rizz), ২০২৪ত ব্ৰেইন ৰট (Brain Rot) হ'লে ২০২৫ত কি হ'ব?

৫। মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক ২০২৫ বৰ্ষৰ ৫ ডিচেম্বৰত প্ৰদান কৰা হয় শান্তি বঁটা। কোনটো সংস্থাই তেওঁলৈ এই বঁটা আগবঢ়াইছিল? ❖

## ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ ভাৰত ভ্ৰমণ



যোৱা ৪ ডিচেম্বৰ তাৰিখে দুদিনীয়া ভাৰত ভ্ৰমণৰ কাৰ্য্যসূচী হাতত লৈ ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন নতুন দিল্লীত উপস্থিত হয়। ৫ ডিচেম্বৰ তাৰিখে পুৱা 'গাৰ্ড অব অনাৰ' কাৰ্য্যসূচীৰ পাছতে ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিন আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী মোডীৰ উপস্থিতিত ২৩ সংখ্যক ভাৰত-ৰাছিয়া দ্বিপাক্ষিক বাৰ্ষিক শীৰ্ষ সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত দুয়োখন দেশৰ মাজত পাৰমাণৱিক শক্তি, ক্ৰিটিকেল মিনাৰেল (critical mineral), প্ৰযুক্তি, ক্ষেপণাস্ত্ৰ প্ৰতিৰোধী ব্যৱস্থা, নিৰ্মাণ, স্বাস্থ্য, শ্ৰমিকৰ আদান-প্ৰদান আদি বিষয়ৰ ১২খন চুক্তি স্বাক্ষৰিত হয়। ভাৰত-ৰাছিয়াৰ ৰাজনৈতিক অংশীদাৰিত্বৰ ২৫ বৰ্ষ উপলক্ষে ৰুছ ৰাষ্ট্ৰপতি আৰু ভাৰতৰ প্ৰধানমন্ত্ৰীৰ মাজত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। দেশনেতা দুজনে গ্ৰহণ কৰা সিদ্ধান্ত কেইটামান হৈছে—২০৩০ চনৰ ভিতৰত দুয়োখন দেশৰ মাজৰ বাণিজ্য ১০০ বিলিয়ন ডলাৰলৈ বৃদ্ধি কৰা, মাৰ্কিন ডলাৰৰ নিৰ্ভৰশীলতা কমাই টকা আৰু ৰুবলেৰে (Ruble) দ্বিপাক্ষিক বাণিজ্য চলাই যোৱা, ৰাছিয়াৰ পৰা ভাৰত মহাসাগৰলৈ 'নৰ্থ-ছাউথ ট্ৰেন্সপৰ্ট কৰিডো'ৰ (আন্তঃৰাষ্ট্ৰীয় জলপথ) গঠন কৰা, ৰুছ পৰ্য্যটকে ৩০ দিন পৰ্য্যন্ত বিনামূলীয়া ভিছা লাভ কৰা ইত্যাদি। তদুপৰি আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰত্যাহ্বান নেওচি (৫০ শতাংশ কৰ আৰোপ) ভাৰতে ৰাছিয়াৰ পৰা খাৰুৱা তেল ক্ৰয় অব্যাহত ৰাখিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

## প্ৰবীণ সাংবাদিক প্ৰফুল্ল গোবিন্দ বৰুৱাৰ দেহাৱসান

প্ৰবীণ সাংবাদিক, 'দা আছাম ট্ৰিবিউন' বাতৰি কাকতৰ সম্পাদক তথা আছাম ট্ৰিবিউন গোষ্ঠীৰ অধ্যক্ষ প্ৰফুল্ল গোবিন্দ বৰুৱাৰ যোৱা ১৪ ডিচেম্বৰ তাৰিখে ৯৩ বছৰ বয়সত দেহাৱসান ঘটে। ১৯৩২ চনত জন্মগ্ৰহণ কৰা সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ দ্বিতীয় পুত্ৰ প্ৰয়াত প্ৰফুল্ল গোবিন্দ বৰুৱাই প্ৰেছিডেন্সী কলেজৰ পৰা অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পাছত ১৯৫৭ চনত আইন বিষয়ত স্বৰ্ণপদকসহ স্নাতক পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে। ১৯৬২ চনৰ পৰা সাংবাদিকতাৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত হৈ পৰা প্ৰয়াত বৰুৱাই ১৯৬৪ চনত জলপানি লৈ ইংলণ্ডৰ থমছন ফাউণ্ডেছনৰ পৰা সাংবাদিকতা আৰু ছপা প্ৰযুক্তিৰ প্ৰশিক্ষণো গ্ৰহণ কৰে। ১৯৬৬ চনত আছাম ট্ৰিবিউন গোষ্ঠীৰ পৰিচালন সঞ্চালক হিচাপে দায়িত্ব গ্ৰহণ কৰি তেওঁ গোষ্ঠীটোৰ শ্ৰীবৃদ্ধিত মনোনিবেশ কৰে। কলিকতাত 'দা ষ্টেটছমেন' কাকতৰ সম্পাদনাৰ লগত জড়িত সাংবাদিক বৰুৱাই ১৯৯৭ চনৰ পৰা 'আছাম ট্ৰিবিউন' ইংৰাজী দৈনিক কাকতখনৰ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰে। দৈনিক অসম, গৰীয়সী, সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'জ্যোতিৰূপা' তথা ৰাধাগোবিন্দ বৰুৱা কলেজ আদি আৰম্ভ কৰাত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰা বৈচিত্ৰ্যময় জীৱনৰ অধিকাৰী বৰুৱাৰ আত্মজীৱনীখনৰ নাম হৈছে 'সোঁৱৰণীৰ বাটে বাটে'।



অসমৰ সাংবাদিকতা ক্ষেত্ৰখনলৈ আগবঢ়োৱা বৰঙণিৰ বাবে ২০১৮ চনত 'পদ্মশ্ৰী' সন্মান লাভ কৰা বৰুৱাই ২০১৯ চনত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পৰা (সন্মানীয়) ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। কমলা শইকীয়া ন্যাস, অসম সাহিত্য সভাকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা অসংখ্য বঁটা-পুৰস্কাৰ লাভ কৰা মহীৰুহগৰাকীৰ অৱদান অসমৰ সমাজ জীৱন তথা সংবাদ ক্ষেত্ৰখনত চিৰদিন ভাস্বৰ হৈ থাকিব।

## দীপাৱলীক সাংস্কৃতিক ঐতিহ্যৰ স্বীকৃতি ইউনেস্ক'ৰ

যোৱা ১০ ডিচেম্বৰ তাৰিখে ইউনেস্ক'ৱে ভাৰতৰ পোহৰৰ উৎসৱ দীপাৱলীক আৱহমান সাংস্কৃতিক ঐতিহ্যৰ (intangible cultural heritage) স্বীকৃতি প্ৰদান কৰিছে। দিল্লীৰ লালকিল্লাত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত ইউনেস্ক'ৰ



২০ সংখ্যক আন্তঃ চৰকাৰী কমিটিৰ বৈঠকত ভাৰতৰ পৌৰাণিক উৎসৱ 'দীপাৱলী'ক আৰহমান সাংস্কৃতিক ঐতিহ্য হিচাপে ঘোষণা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আৰহমান সাংস্কৃতিক ঐতিহ্য মৰ্য্যাদাৰ বাবে এই বৰ্ষত বিশ্বৰ ৮০ খন দেশৰ পৰা ৬৭ খন মনোনয়ন ইউনেস্ক'ৰে লাভ কৰিছিল। এই বৰ্ষত সাংস্কৃতিক ঐতিহ্যৰ তালিকাত দীপাৱলীৰ উপৰি জৰ্জিয়া, ঘানা, কংগো, ইথিওপিয়া আৰু ইজিপ্তৰ সাংস্কৃতিক প্ৰতীকে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। দীপাৱলীলৈ আৰহমান সাংস্কৃতিক ঐতিহ্য মৰ্য্যাদা প্ৰদানৰ সিদ্ধান্ত ঘোষণা কৰি ইউনেস্ক'ই প্ৰত্যাশা, পুনৰ নবীকৰণ আৰু অসত্যৰ ওপৰত সত্যৰ জয়ৰ প্ৰতীক 'দীপাৱলী' এক সাৰ্বজনীন মূল্যবোধৰ প্ৰতীক বুলি ঘোষণা কৰে। হিন্দু, শিখ, জৈন আৰু বৌদ্ধ আদি ধৰ্মাৱলম্বী লোকে পালন কৰা এই পোহৰৰ উৎসৱ এক বিশ্বব্যাপী গুৰুত্ব লাভ কৰা সাংস্কৃতিক অভিব্যক্তি। ইতিপূৰ্বে কলকাতাৰ দুৰ্গা পূজা, কুম্ভমেলা, ৰাসলীলাকে ধৰি ভাৰতৰ মুঠ ১৫টা পৰ্বই ইউনেস্ক'ৰ আৰহমান সাংস্কৃতিক ঐতিহ্যৰ স্থান লাভ কৰিছে।

## ফিফা বিশ্বকাপ, ২০২৬ৰ পূৰ্ণাংগ সূচী প্ৰকাশ

2026
FIFA WORLD CUP
UNITED STATES - CANADA - MEXICO

যোৱা ৭ ডিচেম্বৰ তাৰিখে ফিফাই ২০২৬ বৰ্ষৰ বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ পূৰ্ণাংগ মেচৰ সূচী আনুষ্ঠানিকভাৱে ঘোষণা কৰে। ১১ জুনত মেক্সিকো চিটিৰ ঐতিহাসিক আজটেক ষ্টেডিয়ামত আয়োজক মেক্সিকো আৰু দক্ষিণ আফ্ৰিকাৰ মাজত হ'বলগীয়া উদ্বোধনী মেচেৰে এই বৰ্ষৰ বিশ্বকাপ মহাৰণৰ শুভাৰম্ভ কৰা হ'ব। এই বৰ্ষত আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা আৰু মেক্সিকোত অনুষ্ঠিত হ'বলগীয়া ২৩ সংখ্যক বিশ্বকাপ প্ৰতিযোগিতাত ১২টা গ্ৰুপত ৪৮টা দলে ১৬ খন চহৰত অনুষ্ঠিতব্য খেলত অংশগ্ৰহণ কৰিব। ২৮ জুনত প্ৰাথমিক ৰাউণ্ডত ৭২ খন মেচৰ সামৰণি পৰিব আৰু লগে লগে দ্বিতীয় ৰাউণ্ডৰ ৩২ খন খেল আৰম্ভ হ'ব। ১৪ আৰু ১৫ জুলাইত ছেমি ফাইনেল খেল অনুষ্ঠিত হ'ব আৰু ফাইনেল খেলখন ১৯ জুলাই তাৰিখে নিউয়ৰ্ক মহানগৰত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত চূড়ান্ত বিজয়ী দলে ৫০ নিযুত মাৰ্কিন ডলাৰ (প্ৰায় ৪৪৫ কোটি টকা) লাভ কৰিব। এই বৰ্ষৰ বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ মূল শ্লোগান হৈছে—ফুটবলে বিশ্বক একত্ৰিত কৰে (Football unites the world)।

## প্ৰধানমন্ত্ৰী মোডীৰ ত্ৰিদেশীয় বিদেশ ভ্ৰমণৰ সামৰণি

যোৱা ১৫ ডিচেম্বৰ তাৰিখে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী চাৰিদিনীয়া ত্ৰিদেশীয় বিদেশ ভ্ৰমণৰ প্ৰথম পৰ্য্যায় হিচাপে জৰ্ডানৰ ৰাজধানী আম্মানত উপস্থিত হয়। এই ভ্ৰমণকালত জৰ্ডানৰ ৰজা অল হুছেইন বিন আব্দুল্লা দ্বিতীয় আৰু প্ৰধানমন্ত্ৰী মোডীৰ মাজত নবীকৰণযোগ্য শক্তিৰ প্ৰযুক্তিগত সহযোগিতা, জল ব্যৱস্থাপনা, সাংস্কৃতিক সেতুৰ পুনৰ নিৰ্মাণ আদি বিষয়ত ৫ খন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। বৈঠকত জৰ্ডানৰ সৈতে বাণিজ্যৰ পৰিমাণ দ্বিগুণ বৃদ্ধিৰে ৫ বিলিয়ন ডলাৰ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

জৰ্ডান ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী মোডী ১৬ ডিচেম্বৰ তাৰিখে ইথিওপিয়াত উপস্থিত হয়। প্ৰথমবাৰৰ বাবে ইথিওপিয়ালৈ যোৱা প্ৰধানমন্ত্ৰী মোডীয়ে দেশখনৰ সংসদৰ যুটীয়া অধিবেশনত ভাষণ দিয়ে আৰু প্ৰধানমন্ত্ৰী মোডীক দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান 'দা গ্ৰেট অনাৰ নিছান অব ইথিওপিয়া' প্ৰদান কৰা হয়। এই সৰ্বোচ্চ সন্মান লাভ কৰা মোডী হৈছে বিশ্বৰ প্ৰথমগৰাকী বিদেশী নেতা।

ইথিওপিয়া ভ্ৰমণ সামৰি দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ১৭ ডিচেম্বৰ তাৰিখে ওমানৰ ৰাজধানী মাছকটত উপস্থিত হয়। ভ্ৰমণকালত ওমানৰ

চুলতান হাইথাম বিন তাৰিক আৰু প্ৰধানমন্ত্ৰী মোডীৰ মাজত দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত হয়। দুয়োজন ৰাষ্ট্ৰনেতাই ভিজন ডকুমেণ্ট সম্পৰ্কে আলোচনা কৰে আৰু মুক্ত বাণিজ্য, প্ৰতিৰক্ষা, মুদ্ৰা, উচ্চ শিক্ষা আদি বিষয়ত কমপ্ৰিহেনছিভ ইক'নমিক পাৰ্টনাৰশ্বিপ এগ্ৰিমেণ্টত (Comprehensivee Economic Partnership Agreement) স্বাক্ষৰ কৰে। ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোডীক দেশখনৰ সৰ্বোচ্চ সন্মান 'অৰ্ডাৰ অব ওমান' প্ৰদান কৰা হয়।

## প্ৰেছ ক্লাব অৱ ইণ্ডিয়াৰ নতুন সভাপতি সংগীতা বৰুৱা পিছাৰটী



যোৱা ১৩ ডিচেম্বৰ তাৰিখে জ্যেষ্ঠ সাংবাদিক অসমৰ সংগীতা বৰুৱা পিছাৰটী প্ৰেছ ক্লাব অৱ ইণ্ডিয়াৰ প্ৰথমগৰাকী মহিলা সভাপতি হিচাপে নিৰ্বাচিত হৈ ইতিহাস ৰচনা কৰে। তদুপৰি তেওঁ হৈছে উত্তৰ-পূৰ্বাঞ্চলৰ পৰা নিৰ্বাচিত হোৱা প্ৰথমগৰাকী সভাপতি। নিৰ্বাচনত সংগীতা বৰুৱা পিছাৰটীয়ে ১০১৯টা ভোট লাভ কৰি বৃহৎ ব্যৱধানত প্ৰতিদ্বন্দ্বী অতুল মিশ্ৰক (১২৯টা ভোট) পৰাভূত কৰি এই পদবীটোলৈ নিৰ্বাচিত হয়। উল্লেখযোগ্য যে (১৯৯৫ চনৰ পৰা) 'টাইমছ অৱ ইণ্ডিয়া', 'দা হিন্দু'ৰ পাছত 'দা ৱায়াৰ'ত জ্যেষ্ঠ সাংবাদিক হিচাপে দায়িত্ব পালন কৰি অহা বৰুৱাই সম্প্ৰতি স্বাধীন সাংবাদিক হিচাপে কৰ্মৰত হৈ আছে। সংবাদ পত্ৰৰ স্বাধীনতা ওভতাই অনাৰ হকে অহৰহ চেষ্টা কৰি অহা সংগীতা বৰুৱাই প্ৰণয়ন কৰা কেইবাখনো গ্ৰন্থৰ ভিতৰত এখন বহুল প্ৰচাৰিত গ্ৰন্থ হৈছে—'দা একৰ্ড, দা ডিচকৰ্ড' (The Accord, The Discord)। সাংবাদিকতাৰ ধাৰাটোক এক নতুন তথা নিৰ্ভীক মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হোৱা সংগীতা বৰুৱা পিছাৰটী ২০১৭ চনত ৰামনাথ গোয়েংকা ৰাষ্ট্ৰীয় বঁটা আৰু ২০২৩ চনত পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটাৰে সন্মানিত হৈছিল।

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ দুদিনীয়া অসম ভ্ৰমণ



যোৱা ২০ ডিচেম্বৰ তাৰিখে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী দুদিনীয়া অসম ভ্ৰমণৰ কাৰ্য্যসূচী হাতত লৈ গুৱাহাটীত উপস্থিত হয় আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নতুন টাৰ্মিনেল ভৱনৰ শুভ উদ্বোধন কৰে। প্ৰায় ১.৪ লাখ বৰ্গমিটাৰজোৰা তথা বছৰি ১.৩ কোটি যাত্ৰীয়ে যাত্ৰা কৰিব পৰা সুবিধা উপলব্ধ নৱনিৰ্মিত টাৰ্মিনেল ভৱনটো ঐতিহ্য তথা অসমৰ জৈৱবৈচিত্ৰ্য প্ৰতিফলিত হোৱাকৈ নিৰ্মাণ কৰা হৈছে। একেটা অনুষ্ঠানতে বিমান বন্দৰ চৌহদত প্ৰধানমন্ত্ৰী মোডীয়ে ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ এটা সুউচ্চ প্ৰতিমূৰ্তি উন্মোচন কৰে। গুৱাহাটীত নিশাটো কটোৱা প্ৰধানমন্ত্ৰী মোডীয়ে ৰ'ড শ্ব'(road show) কৰি বশিষ্ঠস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্য্যালয়ত দলীয় কৰ্মকৰ্তাসকলৰ লগত বৈঠকত মিলিত হয়। ২১ ডিচেম্বৰ তাৰিখে প্ৰধানমন্ত্ৰীগৰাকীয়ে পুৱা নৱনিৰ্মিত বৰাগাঁওস্থিত শ্বহীদ স্মাৰক ক্ষেত্ৰত অসম আন্দোলনৰ শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু ব্ৰহ্মপুত্ৰৰ বুকুত 'এম ভি চৰাইদেউ' নামৰ জাহাজত উঠি একাংশ নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীৰ লগত 'পৰীক্ষা পে চৰ্চা' কাৰ্য্যসূচীত অংশগ্ৰহণ কৰে। একেদিনাই তেওঁ নামৰূপত ১০,৬০০ কোটি টকা ব্যয়সাপেক্ষ তথা বছৰি ১২ লাখ মেট্ৰিক টন উৎপাদনক্ষম নতুন ইউৰিয়া প্ৰকল্পৰ ভূমি পূজন কৰি ভ্ৰমণৰ সামৰণি মাৰে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# খবৰৰ লেছেৰি বোটলা

**(২১ নৱেম্বৰ ২০২৫ ৰ পৰা ২০ ডিচেম্বৰ ২০২৫লৈ)**

২১ **নৱেম্বৰ** : মেক্সিকোৰ ফাতিমা বছে ৭৪ সংখ্যক ‘মিছ ইউনিভাৰ্ছ’ খিতাপ দখল কৰে।

২২ **নৱেম্বৰ** : বিশ্ববিদ্যালয় অনুদান আয়োগৰ (ইউজিচি) পৰিবৰ্তে ৰাষ্ট্ৰীয় উচ্চ শিক্ষা আয়োগ (National Higher Education Commission) গঠন কৰিব বুলি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে।

২৪ **নৱেম্বৰ** : ন্যায়াধীশ সূৰ্য্য কান্তই ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰে।

২৭ **নৱেম্বৰ** : অসম বিধানসভাই বহুবিবাহ নিষিদ্ধ কৰিবলৈ বিধেয়ক গৃহীত কৰে।

- ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আন্তঃৰাষ্ট্ৰীয় গণতন্ত্ৰ আৰু নিৰ্বাচন সংগঠনৰ অধ্যক্ষ নিৰ্বাচিত হয়।

২৮ **নৱেম্বৰ** : পৰ্টুগালে ১৭ বছৰ অনূৰ্ধ ফিফা বিশ্বকাপ প্ৰতিযোগিতাৰ চেম্পিয়নৰ খিতাপ দখল কৰে।

২৯ **নৱেম্বৰ** : অসমত তিনি তৰপীয়া জনজাতি ব্যৱস্থা (পাহাৰ, ভৈয়াম, উপত্যকা (valley)) কৰিবৰ বাবে ৰাজ্যিক মন্ত্ৰী গোটে প্ৰতিবেদন দাখিল কৰে।

৩০ **নৱেম্বৰ** : শ্ৰীলংকাৰ ঘূৰ্ণিবতাহত ৩০০ লোকৰ প্ৰাণহানি হয়।

১ **ডিচেম্বৰ** : মালয়েছিয়াত অনুষ্ঠিত আডালান শ্বাহ কাপ হকী প্ৰতিযোগিতাত ভাৰতক পৰাজিত কৰি বেলজিয়ামে চেম্পিয়নৰ খিতাপ দখল কৰে।

২ **ডিচেম্বৰ** : নৰেন্দ্ৰ মোডী চৰকাৰে প্ৰধানমন্ত্ৰী কাৰ্য্যালয়ৰ নতুন নাম ‘সেৱা তীৰ্থ’ কৰা বুলি ঘোষণা কৰে।

৩ **ডিচেম্বৰ** : সৰ্বকালৰ অভিলেখ ভাঙি এক মাৰ্কিন ডলাৰৰ মূল্য ৯০.২৬ টকা হয়।

- কেন্দ্ৰীয় চৰকাৰে নুমলীগড় শোধনাগাৰক ‘নৱৰত্ন’ৰ মৰ্য্যাদা প্ৰদানত অনুমোদন জনায়।

৫ **ডিচেম্বৰ** : ৰাজ্য চৰকাৰে ৰাজ্যৰ ১৮ গৰাকী সাহিত্যিকক ‘সাহিত্য বঁটা’ আৰু ১০ গৰাকী সাহিত্যিকক সাহিত্যিক পেঞ্চন প্ৰদান কৰে।

৬ **ডিচেম্বৰ** : থাইলেণ্ড আৰু কম্বোডিয়াৰ মাজৰ যুদ্ধত ১০ লাখ লোক গৃহহীন হৈ পৰে।

৭ **ডিচেম্বৰ** : ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণীত বুৰঞ্জী আৰু ভূগোল বাধ্যতামূলক বিষয় হ’ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰে।

- ‘বন্দে মাতৰম’ৰ ১৫০ বছৰীয়া জয়ন্তীক লৈ লোকসভাত ১০ ঘণ্টা আলোচনা হয়।

৯ **ডিচেম্বৰ** : বিশ্ব অসমতা প্ৰতিবেদন অনুসৰি ভাৰতৰ ৪০ শতাংশ সম্পদ ১ শতাংশ ধনবানৰ হাতত মজুত থকা বুলি প্ৰকাশ পায়।

১০ **ডিচেম্বৰ** : মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ১৫০ বিঘা মাটিত ১৭০ কোটি টকা ব্যয় সাপেক্ষে নৱনিৰ্মিত ‘শ্বহীদ স্মাৰক ক্ষেত্ৰ’ৰ শুভ উদ্বোধন কৰে।

১১ **ডিচেম্বৰ** : মাধ্যমিক শিক্ষাত আধাতে স্কুল এৰা শিক্ষাৰ্থীৰ ভিতৰত অসম দেশৰ ভিতৰত তৃতীয় স্থানত (১৭.৫ শতাংশ) বুলি কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসভাত ঘোষণা কৰে।

১২ **ডিচেম্বৰ** : মেক্সিকোৱে ভাৰতীয় সামগ্ৰীৰ ওপৰত ৫০ শতাংশ শুল্ক আৰোপ কৰিব বুলি ঘোষণা কৰে।

১৩ **ডিচেম্বৰ** : কেন্দ্ৰীয় চৰকাৰে ১১,৭১৮ কোটি টকা ব্যয়সাপেক্ষ ‘পিয়ল, ২০২৭’ত অনুমোদন জনায়।

১৪ **ডিচেম্বৰ** : আদৰ্শ কৃষক আৰু উদ্যোগী নীলম দত্তক ‘অম্বিকাগিৰী স্মাৰক বঁটা’ৰ বাবে নিৰ্বাচিত কৰা হয়।

১৫ **ডিচেম্বৰ** : ভাৰতীয় মহিলা ক্ৰিকেট দলৰ অ’পেনাৰ শ্বেফালী বাৰ্মাক আইচিচিয়ে মাহটোৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে ঘোষণা কৰে।

১৭ **ডিচেম্বৰ** : ভাৰতৰ সংসদে সমগ্ৰ দেশতে বীমা খণ্ডত ১০০ শতাংশ প্ৰত্যক্ষ বিদেশী বিনিয়োগত (এফডিআই) অনুমোদন জনায়।

১৮ **ডিচেম্বৰ** : বছৰি দুই লাখ ভাৰতীয়ই ভাৰতীয় নাগৰিকত্ব ত্যাগ কৰে বুলি কেন্দ্ৰীয় চৰকাৰে সংসদত প্ৰকাশ কৰে।

১৯ **ডিচেম্বৰ** : ৰঙিয়াৰ আৰিয়ান জিছান আহমেদে আন্তৰ্জাতিক জ্যোতিৰ্বিজ্ঞান অনুসন্ধান সংস্থাৰ অধীনত কৰা দুটা গ্ৰহাণুৰ আৱিষ্কাৰক নাছাই স্বীকৃতি প্ৰদান কৰে।

২০ **ডিচেম্বৰ** : প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ নতুন টাৰ্মিনেলৰ শুভ উদ্বোধন কৰে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# অন্ধবিশ্বাস নিৰ্মূল

## নতুন বছৰৰ এক সংকল্প হ'ব নোৱাৰেনে?

■ অভিজিত শৰ্মা বৰুৱা



সমাজ সৃষ্টি হোৱাৰে পৰা সমাজত কিছুমান সামাজিক আৰু সমূহীয়া বিশ্বাস সৃষ্টি হৈ আহিছে। সাধাৰণভাৱে ইয়াকে লোকবিশ্বাস বুলিব পাৰি। এখন সমাজ শান্তিপূৰ্ণ আৰু শৃংখলিতভাৱে চলিবৰ বাবেও কিছুমান লোকবিশ্বাসৰ সৃষ্টি হৈছিল। কিন্তু এই লোকবিশ্বাসসমূহৰ বহুতত‌ে বৈজ্ঞানিক যুক্তিযুক্ততা বিচাৰি পোৱা নাযায়। অৱশ্যে সমাজৰ শৃংখলা বজাই ৰাখিবলৈও 'নাপায়', 'নালাগে,' 'অমংগল হ'ব,' 'নিয়ম ভংগ হ'ব' আদি বিভিন্ন ধৰণেৰে ভয় দেখুওৱা লোকবিশ্বাস কিছুমান পৰম্পৰাগতভাৱে যুগ যুগ ধৰি চলি অহা দেখিবলৈ পোৱা যায়।

লোকবিশ্বাসৰ লগত অন্ধবিশ্বাসো ওতপ্ৰোতভাৱে জড়িত হৈ থাকে। প্ৰকৃততে অন্ধবিশ্বাসো এক প্ৰকাৰ লোকবিশ্বাসেই। কিন্তু এনে ধৰণৰ বিশ্বাসত কোনো প্ৰকৃত যুক্তি নাথাকে আৰু কোনো ধৰণৰ পৰীক্ষা-নিৰীক্ষা নকৰাকৈ আৰু কোনো ধৰণৰ বৈজ্ঞানিক যুক্তিযুক্ততা নথকাকৈ এই ধাৰণাসমূহ বিশ্বাস কৰা হয়। লোকবিশ্বাসসমূহৰ বেছিভাগৰ ক্ষেত্ৰতে যুক্তিৰ দ্বাৰা সেইবোৰক প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰা হয়। কিন্তু অন্ধবিশ্বাসত সেয়া কৰা নহয় বা চেষ্টা কৰিলেও কৰিব নোৱাৰি। কথাটো এই ধৰণেৰেও ক'ব পাৰি যে যুক্তিৰ দ্বাৰা প্ৰতিষ্ঠা কৰিব নোৱৰা লোকবিশ্বাসসমূহেই হ'ল অন্ধবিশ্বাস। এই অন্ধবিশ্বাসবোৰ হ'ল কোনোবা প্ৰভাৱশালী ব্যক্তি বা ব্যক্তিগোটৰ নিজস্ব মতৰ ওপৰত নিৰ্ভৰশীল। লোকবিশ্বাসসমূহত সম্পূৰ্ণভাৱে নহ'লেও কিছু অন্ততঃ বৈজ্ঞানিক যুক্তিযুক্ততা থাকে। কিন্তু অন্ধবিশ্বাসত বৈজ্ঞানিক যুক্তিৰ পৰিমাণ শূন্য আৰু সেয়ে সেইবোৰে অন্ধবিশ্বাসৰ নাম অৰ্জন কৰিছে।

অন্ধবিশ্বাসৰ ক্ষেত্ৰত এটা কথা লক্ষ্য কৰা যায় যে মানুহৰ মাজত এইবোৰ গ্ৰহণ কৰাৰ প্ৰৱণতা যথেষ্ট বেছি। ভাল কথা এটা মানুহক বিশ্বাস কৰাবলৈ যথেষ্ট কষ্ট হয়, কিন্তু 'তাত ডাইনী ওলাইছে', 'অমুকৰ গাত ভূত লম্ভিছে' আদি কথাবোৰ বহুত মানুহে সহজে বিশ্বাস কৰি লয়। হয়তো মানুহৰ মনোজগততে ইয়াৰ কাৰণ লুকাই আছে। আনহাতে আন এটা কথাও লক্ষ্য কৰা যায় যে কুসংস্কাৰ আৰু বিষণ্ণতা মৌলিকভাৱে সম্পৰ্কিত। স্বভাৱতেই বিমৰ্ষ মানুহে সহজতে অন্ধবিশ্বাস বা কুসংস্কাৰসমূহ বিশ্বাস কৰি আঁকোৱালি লয়।

অন্ধবিশ্বাসৰ উদাহৰণ দেধাৰ আছে। ডাইনী বিশ্বাসৰ কথা প্ৰথমতেই উল্লেখ কৰিব পাৰি। কোনো অঞ্চলত যদি কিবা অচিন ৰোগ হৈছে বা কিবা সমস্যা হৈছে, তেন্তে তাৰ সমস্ত দোষ কোনোবা দুৰ্বল আৰু অসুৰক্ষিত মানুহৰ ওপৰত জাপি দি তেওঁক নিঃশেষ কৰি দিয়াৰ প্ৰৱণতা মানুহৰ মনত বহু দিনৰ পৰাই চলি আহিছে। সেই দুৰ্ভগীয়া মানুহগৰাকীয়েই হ'ল তথাকথিত 'ডাইনী'। ডাইনী হত্যাৰ পাছত কি হয়? কিছুমান মানুহক আৰক্ষীয়ে ধৰি লৈ যায়, তেওঁলোকৰ শাস্তি হয়, কিন্তু যি সমস্যাৰ বাবে এনে কৰা হয়, তাৰ এধানমানো সমাধান নহয়।

কিছুমান মানুহে বিশ্বাস কৰে যে বট গছ, বহঁত গছ বা তেঁতেলী গছ হ'ল ভূতৰ আড্ডাস্থলী। বহুত মানুহে

ঘৰৰ ওচৰত এনে গছ নাৰাখে। কাৰণ সেইটোৱেই, মানে ভূতৰ আড্ডা। আচলতে যিবোৰ গছৰ পাত বেছি, সেইবোৰৰ ক্ষেত্ৰত ৰাতি শ্বসন প্ৰক্ৰিয়া ঘটি বেছি কাৰ্বন ডাই-অক্সাইড উৎপাদন হয় আৰু তাত অক্সিজেনৰ পৰিমাণ কম হয়। তেতিয়া তেনে গছৰ তলত মানুহে ৰাতি উশাহ লোৱাত অসুবিধা পাব পাৰে বা তেনে গছৰ তলত শুলে আন কিছুমান শাৰীৰিক অস্বাভাৱিকতা অনুভৱ হ'ব পাৰে। তাৰ বাবে ভূতক দোষ দি লাভ নাই।

আমাৰ বহুতৰে মাজত কিছুমান ভিত্তিহীন বিশ্বাসৰ প্ৰচলন আছে। সমুখেদি মেকুৰী পাৰ হৈ গ'লে অমংগল হয় (ক'লা মেকুৰী হ'লেতো কথাই নাই!), পৰীক্ষা দিবলৈ যাওঁতে আলু বা কণী খালে পৰীক্ষা বেয়া হয়, কোনো কথা কৈ থাকিলে জেঠীয়ে টিকটিকালে সেই কথা সঁচা হয়—আদি কিমান যে কথা আমি বিনা দ্বিধা আৰু বিনা যুক্তিত গ্ৰহণ কৰোঁ !

অন্ধবিশ্বাস বহুদিন ধৰি চলি অহা বাবে এইবোৰ আমাৰ কুসংস্কাৰত পৰিণত হৈছে। যুক্তিবাদী সৎ মানুহৰ প্ৰচেষ্টাত কিছুমান কুসংস্কাৰ আমাৰ মাজৰ পৰা প্ৰায় নাইকিয়া হৈছে। উদাহৰণস্বৰূপে, সতীদাহ প্ৰথা এতিয়া আমাৰ মাজত নাই। কিন্তু ডাইনী বুলি হত্যা কৰা, শিশুবলিৰ দৰে ঘটনা এতিয়াও চলি আছে। ১৯৯৫ চনৰ ২১ ছেপ্টেম্বৰত আৰম্ভ হ'ল গণেশৰ মূৰ্তিয়ে গাখীৰ খোৱা ঘটনা। শিলৰ বা মাৰ্বলৰ গণেশৰ মূৰ্তিয়ে গাখীৰ খায় বুলি আমি বিশ্বাস কৰিবলৈ ল'লোঁ আৰু আনে বুজাই দিয়া সত্ত্বেও নুবুজিলোঁ। পদাৰ্থবিজ্ঞানৰ ভাষাত সেয়া আছিল পৃষ্ঠটানৰ (surface tension) দৰে সাধাৰণ পৰিঘটনা, কিন্তু আমাৰ কুসংস্কাৰাপন্ন মনে তাকে মানি ল'ব নোৱাৰিলে। আমি এতিয়াও বিশ্বাস কৰোঁ যে গঁড়ৰ খড়গৰ এটা টুকুৰাই আমাৰ জীৱনলৈ সৌভাগ্য কঢ়িয়াই আনে বা অবিশ্বাস্য দৰৱৰ কাম কৰিব পাৰে। গঁড়ৰ খড়গ যে আচলতে ঘনীভূত চুলিৰ দৰে গঠন, তাৰ কোনো মাংগলিক বা ঔষধি প্ৰভাৱ থাকিব নোৱাৰে, সেয়া আমি বুজিও নুবুজোঁ। সম্পূৰ্ণ এটা খড়গ নাকৰ আগত লৈও গঁড়ৰ সৌভাগ্য নহ'ল, বৰং নিৰ্মম হত্যাৰ বলি হ'বলগীয়া হ'ল; গতিকে তাৰ এটা সৰু টুকুৰা লৈ মানুহৰ কি সৌভাগ্য হ'ব? বিশেষ গছৰ এটুকুৰা শিপাই সকলো বেমাৰ-আজাৰ ভাল কৰিব পাৰে বুলি বহুতে এতিয়াও বিশ্বাস কৰে আৰু আন কিছুমানে এনে বিশ্বাসৰ সুবিধা লৈ যথেষ্ট ধনো ঘটে।

বিজ্ঞান ঠন ধৰি উঠাৰ আগলৈকে মানুহে বিভিন্ন প্ৰাকৃতিক আৰু সামাজিক পৰিঘটনাৰ কাৰণসমূহ বুজি পোৱা নাছিল। সেইবাবে তেওঁলোকৰ মনত সেইবোৰৰ বাবে ভয়ৰ উদয় হৈছিল। সেই ভয় কিছু পৰিমাণে হ'লেও দূৰ কৰিবলৈ লোকবিশ্বাসসমূহৰ সৃষ্টি হৈছিল আৰু তাৰে কিছুমানে অন্ধবিশ্বাসৰ ৰূপ লৈছিল। উদাহৰণস্বৰূপে, কৃষি ক্ষেত্ৰত খেতি কৰাৰ পৰ্য্যায়ত সাধাৰণতে আহিবলগীয়া বৰষুণজাক নাহিলে, তাৰ কাৰণ বিচাৰি তেওঁলোক বিমোৰত পৰিছিল। আনহাতে সময়মতে বৰষুণ নাহিলেও বিপদ, খেতি নষ্ট হ'ব। সেইবাবে তেওঁলোকে 'ভেকুলী বিয়া' পাতি বৰষুণ অনাৰ চেষ্টা কৰিছিল।

অসমত ধান খেতি কৰিবৰ বাবে প্ৰচুৰ পৰিমাণে পানীৰ প্ৰয়োজন হয়। চ'ত মাহত যদি বৰষুণ নাহে, তেতিয়া কৃষিজীৱী অসমীয়াসকলে বিভিন্ন ঠাইত নিজৰ বাবে সুবিধাজনক কোনো দিনত 'ভেকুলী বিয়া'ৰ আয়োজন কৰে। এনে 'ভেকুলী বিয়া'ৰ কোনো নিৰ্দিষ্ট দিন বা তিথি নাথাকে। কৃষিজীৱী লোকসকলে সাধাৰণ অভিজ্ঞতাৰ পৰা কয় যে ভেকুলীয়ে টোৰটোৰালে বৰষুণ হয়। সাধাৰণতে বৰষুণ দিলে ভেকুলীয়ে টোৰটোৰায়। আনহাতে বৰষুণ দিয়াৰ আগতেও ভেকুলীয়ে টোৰটোৰায় বুলি জনা যায়। গতিকে মানুহে ভাবে যে ভেকুলী আৰু বৰষুণৰ মাজত এক সম্পৰ্ক আছে।

অন্ধবিশ্বাসৰ আন বহুত উদাহৰণ দিব পাৰি। সেইবোৰ কথা বহলাই লাভ নাই। আমাক লাগে সমাধান।

আমাৰ সমুখত নৱবৰ্ষ (জুলিয়ান কেলেণ্ডাৰ মতে) আহি আছে। নৱবৰ্ষত আমি বহুতো সংকল্প লওঁ। সেইবোৰ বাৰু আমি ল'মেই। লগতে আমি এই সংকল্পও ল'ব নোৱাৰোঁ নেকি যে এই বছৰৰ পৰা আমি আমাৰ মনৰ অন্ধবিশ্বাসবোৰ (যদিহে আছে!) গুচাই পেলাম আৰু আনসকলৰো মনৰ অন্ধবিশ্বাসসমূহ আঁতৰ কৰিবলৈ চেষ্টা কৰিম। তাৰ বাবে দৰকাৰ হ'লে আমি জনা-শুনা, যুক্তিবান লোকৰো সহায় ল'ম। ❖

## *চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা*

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

# গ্ৰীটিংছ কাৰ্ড





অতি প্ৰাচীন কালৰে পৰাই বিভিন্ন উপহাৰৰ মাধ্যমেৰে শুভেচ্ছা জনোৱাৰ নিয়ম মানৱ সমাজত প্ৰচলিত আছিল। সেই সময়ত ফুলৰ থোপা, কাৰুকাৰ্য্যখোদিত কাঠৰ টুকুৰা, জলফাইৰ ডালেৰে নিৰ্মিত সুন্দৰ সামগ্ৰী, সুগন্ধিৰ বটল, সোণ-পানী চৰোৱা পাত্ৰ আদিক শুভেচ্ছা জ্ঞাপনৰ সামগ্ৰীৰূপে ব্যৱহাৰ কৰা হৈছিল। মিছৰ দেশৰ মানুহে সুগন্ধিৰ বটল, সুগন্ধি তেল সনা কাপোৰ, খাদ্য আদিৰ টোপোলাত 'Au Ab Nab' (All Good Luck), অৰ্থাৎ 'সমস্ত শুভেচ্ছাৰে' কথাষাৰ বন্ধু-বান্ধৱী, আত্মীয়-স্বজনলৈ শুভেচ্ছা জনাই লিখিছিল। খৃষ্টপূৰ্ব যুগৰ ৰোমত নৱবৰ্ষৰ দিনটোত আপোনজনলৈ শুভেচ্ছা বাণী লিখা, তাম বা আন ধাতুৰ মসৃণ মোহৰ নতুবা ঘৰুৱা কামত ব্যৱহাৰ কৰিব পৰা তেলৰ চাকি আদি উপহাৰ দিয়াৰ নিয়ম আছিল। সেই উপহাৰবোৰত 'Anno Novo Faustum' (নতুন বছৰ সুখৰ আৰু সমৃদ্ধিৰ হওক) বুলি লিখি দিছিল। ইউৰোপৰ কোনো কোনো দেশত খৃষ্টীয় বৰ্ষৰ আৰম্ভণিত কাৰুকাৰ্য্যখচিত কিছুমান ৰং-বিৰঙৰ কাঠৰ দ্বাৰা শুভেচ্ছা জনাইছিল। চীনাসকলৰ মাজত গ্ৰীটিংছ কাৰ্ডৰ প্ৰচলন আছিল বুলি জনা যায়। ষষ্ঠ শতিকাৰ মিছৰীয় কবৰতো মৃতকৰ ব্যক্তিগত গ্ৰীটিংছ কাৰ্ড উদ্ধাৰ কৰা হৈছে। চতুৰ্দশ শতিকাত ফ্ৰান্স, জাপান আদি দেশত কোনো বিশেষ অনুষ্ঠানত কাঠত ওলগবাণী খোদাই কৰি শুভেচ্ছা জনোৱা হৈছিল। কিন্তু তাৰো আগতে দ্বাদশ শতিকাতে ভাৰতত কোনো বিশেষ আড়ম্বৰপূৰ্ণ অনুষ্ঠান উপলক্ষে শুভেচ্ছামূলক ঘোষণা তামৰ ফলিত লিপিবদ্ধ কৰি দিয়াৰ প্ৰথা প্ৰচলিত আছিল। আধুনিক গ্ৰীটিংছ কাৰ্ডৰ (Greetings Card) জন্মদাতা বুলি ইংলণ্ডৰ জে চি হৰ্ছলি (J C Horsly) নামৰ লোকজনকে কোৱা হয়। ১৮৪৩ চনত জোছেফে তেওঁৰ প্ৰিয়বন্ধু ছাৰ হেনৰী ক'ললৈ (১৮০৮-১৮৮২) বৰদিনৰ শুভেচ্ছা জনাবলৈ আঁকি দিয়া কাৰ্ডখনকে প্ৰথম আধুনিক গ্ৰীটিংছ কাৰ্ড বুলি আখ্যা দিয়া হয়। প্ৰথম মহাসমৰৰ (১৯১৪-১৮) সময়ৰ পৰা গ্ৰীটিংছ কাৰ্ডৰ ব্যৱহাৰ দ্ৰুতগতিত বৃদ্ধি পায়। তাৰ এটা কাৰণো আছে। সেই যুদ্ধত সৈনিকসকলে ঘৰৰ পৰা দূৰৈত অজান দেশ, অজান ঠাইত যুদ্ধত লিপ্ত থাকিবলগীয়া হৈছিল। সেয়েহে বৰদিন, নতুন বছৰ আদিত সৈনিকসকলে ঘৰৰ মানুহ, আত্মীয়-স্বজন, বন্ধু-বান্ধৱীক মৰম-শুভেচ্ছা গ্ৰীটিংছ কাৰ্ড যোগে পঠিয়াবলৈ লয়। দ্বিতীয় মহাসমৰে (১৯৩৯-৪৫) এই পৰম্পৰা বহুগুণে বঢ়াই তোলে। ফলত সমগ্ৰ বিশ্বতে গ্ৰীটিংছ কাৰ্ড অধিক জনপ্ৰিয় হ'বলৈ ধৰিলে। অৱশ্যে বৰ্তমান সময়ত গ্ৰীটিংছ কাৰ্ডৰ জনপ্ৰিয়তা পূৰ্বৰ তুলনাত ম্লান পৰিছে। ❖

*(তথ্য উৎস : শান্তনু কৌশিক বৰুৱাৰ 'জ্ঞান-বিজ্ঞানৰ কোনে কেতিয়া ক'ত কেনেকৈ কি আৱিষ্কাৰ কৰিছিল'।)*

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

### অসমীয়া ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন ইত্যাদি

## কণা হাঁহক পতান দিয়া



কণা হাঁহক ধানৰ সলনি পতান খাবলৈ দিলেও ধৰিব নোৱাৰে। ধান বুলি পতানকে খায়। কিয়নো কণা হাঁহৰ দৃষ্টিশক্তি নথকাৰ বাবে ধানেই দিছে নে পতানেই দিছে বিচাৰ কৰিব নোৱাৰে। একেদৰে অজ্ঞানী লোককো দুষ্টবুদ্ধিৰ লোকে কণা হাঁহক পতান দি ঠগোৱাৰ দৰে ঠগাই আহিছে। আমাৰ চৌপাশৰ সমাজ-জীৱনতো নিজকে শিক্ষিত বুলি পৰিচয় দিয়া কিছুমান লোকে সৰল, অশিক্ষিত, হোজা লোকক মিছা কথাৰে ঠগাই আছে। একেদৰে ৰাজনীতিৰ ক্ষেত্ৰখনতো মিছা প্ৰলোভন, প্ৰতিশ্ৰুতিৰে সাধাৰণ মানুহক আভুৱা ভঁৰা দেখিবলৈ পোৱা যায়। তথাকথিত শিক্ষিত বা জ্ঞানী লোকে মিথ্যা আৰু ছলাহীপূৰ্ণ কথাৰে শিক্ষা-দীক্ষাবিহীন মানুহক ঠগোৱাৰ প্ৰসংগত প্ৰবচনটো প্ৰয়োগ কৰা দেখা যায়।

**প্ৰায়োগিক বাক্য :** এইবোৰ আমাৰ সমাজত কোনো নতুন কথা নহয়, কণা হাঁহক পতান দিয়াৰ দৰে গাঁৱলীয়া লোকক এচাম মানুহে চিৰদিনেই ঠগি আহিছে। ❖

## অতি কথকীক কথাই খায়, বৈদ্যক খায় সাপে; সাতখন ভাগৱত পঢ়াজনকো কিঞ্চিৎ চোৰে পাপে

অতি বেছি কথা কোৱা মানুহ কেতিয়াবা নিজে কোৱা কথাৰ দ্বাৰা বিপদত পৰিব পাৰে। নিজে কোৱা কথাৰ বাবেই কেতিয়াবা মানুহজন সমস্যাত পৰিব পাৰে। একেদৰে চিকিৎসাবিদ্যাত পাৰ্গত 'বৈদ্য' এজনকো কেতিয়াবা সাপে খোঁটাৰ দৰে ঘটনা ঘটিব পাৰে। আনহাতে সাতখন ভাগৱত পাঠ কৰা ধাৰ্মিক পণ্ডিত এজনকো নিজে কৰা সামান্য ভুলৰ বাবে কিঞ্চিৎ পাপে চুব পাৰে।

এই যোজনাটোৰ অৰ্থ হ'ল কোনো মানুহেই পৰিপূৰ্ণ নহয়। অতিশয় জ্ঞান থকা লোক এজনো বহুবল্কিতাৰ বাবে যিদৰে বিপদত পৰিব পাৰে, একেদৰে আন দিশত অভিজ্ঞতাসম্পন্ন লোকো কেতিয়াবা নহয় কেতিয়াবা বিপদত পৰিব পাৰে।

**প্ৰায়োগিক বাক্য :** কথাৰ আঁতি-গুৰি নজনাকৈ জ্ঞান দিবলৈ আহি বপুৰাই নিজেই লাজ পালে, বোলো এনেয়ে নকয় নহয়—অতি কথকীক কথাই খায়, বৈদ্যক খায় সাপে, সাতখন ভাগৱত পঢ়াজনকো কিঞ্চিৎ চোৰে পাপে। ❖

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

# পাট্টাডাকালৰ (Pattadakal) স্মৃতিসৌধ

**অভিজিত চক্ৰৱৰ্তী**



ভাৰতৰ কৰ্ণাটকত অৱস্থিত ইউনেস্ক'ৰ দ্বাৰা বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃত পাট্টাডাকালৰ স্মৃতিসৌধ উত্তৰ ভাৰতীয় আৰু দক্ষিণ ভাৰতীয় স্থাপত্যশৈলীৰ সুষম সংমিশ্ৰণৰ বাবে বিখ্যাত। খৃষ্টীয় ৭ম আৰু ৮ম শতিকাত চালুক্য বংশৰ ৰাজত্বকালত এই স্মৃতিসৌধ নিৰ্মাণ কৰা হৈছিল। ৰাজপৰিয়ালৰ ৰাজঅভিষেক আৰু স্মৃতিচাৰণৰ স্থান হিচাপে এই স্মৃতিসৌধ ব্যৱহাৰ কৰা হৈছিল। পাট্টাডাকালক ৰক্তপুৰা নামেৰেও জনা যায়। ৰক্তপুৰা অৰ্থাৎ ৰঙা চহৰ। পাট্টাডা অৰ্থাৎ ৰাজকুমাৰৰ বাবে ৰঙা মাটিৰ উপত্যকা। ভাৰতৰ প্ৰত্নতাত্ত্বিক বিভাগৰ জৰীপৰ পৰা পোৱা তথ্যত পাট্টাডাকালৰ স্মৃতিসৌধৰ বিবৰণ শ্ৰী বিজয়ৰ গ্ৰন্থত পোৱা যায় বুলি উল্লেখ আছে। পাট্টাডাকালৰ স্মৃতিসৌধত বিভিন্ন আকাৰৰ সৰু সৰু মন্দিৰ দেখিবলৈ পোৱা যায়। এই মন্দিৰসমূহৰ কিছুমান বিষ্ণু মন্দিৰ আৰু আন কিছুমান শিৱ মন্দিৰ। হিন্দুৰ পৌৰাণিক কাহিনী আৰু চালুক্য যুগৰ দৈনন্দিন জীৱনৰ দৃশ্য অংকন কৰা শিল্পকৰ্মৰে এই মন্দিৰসমূহ সজাই তোলা হৈছে।

চালুক্য যুগত বিভিন্ন চিত্ৰশৈলী কেনেকৈ একত্ৰিত তথা বিকশিত হৈছিল তাৰে এক উদাহৰণ পাট্টাডাকাল। পাট্টাডাকাল হৈছে সাধাৰণ অৰ্থত ৰাজঅভিষেকৰ বাবে সংৰক্ষিত এক স্থান। এই পবিত্ৰ স্থান মালপ্ৰভা নদীৰ উত্তৰ পাৰে অৱস্থিত।

উল্লেখযোগ্য যে চালুক্য বংশৰ পতনৰ বহু বছৰ পাছতো পাট্টাডাকালত হিন্দু, জৈন আৰু বৌদ্ধ মন্দিৰ নিৰ্মাণ হৈয়েই আছিল। পাট্টাডাকালে বীৰ চালুক্যসকলৰ স্মৃতি সোঁৱৰাই থকাৰ লগতে সেই যুগৰ স্থাপত্যশৈলীৰ কথাও সোঁৱৰাই দিয়ে।

ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে এই ঠাইখনে ১৯৮৭ চনত মৰ্য্যাদা লাভ কৰে। উল্লেখযোগ্য যে পাট্টাডাকালত দহটা মন্দিৰ আছে। উদাহৰণস্বৰূপে, বীৰূপক্ষ মন্দিৰ, মল্লিকাৰ্জুন মন্দিৰ, সংগমেশ্বৰ মন্দিৰ, কাশী বিশ্বনাথ মন্দিৰ আদি। প্ৰতি বছৰে ইয়াত ফেব্ৰুৱাৰী মাহত কৰ্ণাটক চৰকাৰৰ উদ্যোগত চালুক্য উৎসৱ অৰ্থাৎ পাট্টাডাকাল নৃত্য উৎসৱ অনুষ্ঠিত কৰা হয়। দেশ-বিদেশৰ পৰ্য্যটকৰ বাবে পাট্টাডাকালে এখন মনোৰম তথা প্ৰাকৃতিক সৌন্দৰ্য্যেৰে ভৰপুৰ আকৰ্ষণীয় ঠাই হিচাপে সমাদৰ লাভ কৰিছে। ❖

## *চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা*

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

# হামিং বাৰ্ড

হামিং বাৰ্ড পৃথিৱীৰ আটাইতকৈ সৰু চৰাই। ইংৰাজীত হামিং (humming) মানে গুণগুণনি বা গুঞ্জন। এইবিধ চৰায়ে প্ৰচণ্ড গতিৰে ডেউকা কোবাই উৰে, ফলত মৌমাখিৰ দৰে গুণ গুণ শব্দ হয়। এনে শব্দ সৃষ্টি কৰা বাবেই এইবিধ চৰাইৰ নাম হামিং বাৰ্ড বা গুঞ্জন চৰাই। হামিং বাৰ্ডেই হ'ল পৃথিৱীৰ একমাত্ৰ চৰাই, যি পিছফালেও সমান বেগেৰে উৰিব পাৰে। পৃথিৱীৰ সকলো চৰাইৰ কণীৰ ভিতৰত হামিং বাৰ্ডৰ কণীয়েই আটাইতকৈ সৰু। একোটা কণীৰ আকাৰ মটৰমাহ এটাৰ সমান বা কেতিয়াবা তাতোকৈও সৰু। হামিং বাৰ্ডৰ কোনো কোনো প্ৰজাতি পৰিভ্ৰমী। এনে হামিং বাৰ্ডে গ্ৰীষ্মকালত উত্তৰ আমেৰিকাৰ উত্তৰ আলাস্কাত বাহ সাজে আৰু শীতকালত দক্ষিণৰ মেক্সিকোলৈ উৰি আহি উষ্ণ অঞ্চলত বাস কৰে। এই পথছোৱাৰ দূৰত্ব প্ৰায় ৬,০০০ কিলোমিটাৰ। নিজা বৈশিষ্ট্য আৰু বিশেষত্বৰ বাবে এইবিধ চৰাই পক্ষীবিদসকলৰ মাজত 'ডেউকা থকা ৰত্ন' (Jewel on Wings) নামেৰে পৰিচিত। হামিং বাৰ্ডৰ ভিতৰত আটাইতকৈ ডাঙৰবিধৰ নাম হ'ল এণ্ডিজৰ 'জায়েণ্ট হামিং বাৰ্ড' (giant humming bird)। এইবিধ হামিং বাৰ্ড ২১ ছেণ্টিমিটাৰ পৰ্য্যন্ত দীঘল হয়। আটাইতকৈ সৰু হামিং বাৰ্ডবিধৰ নাম হ'ল 'বি হামিং বাৰ্ড' (bee humming bird)। কিউবাত পোৱা এইবিধ হামিং বাৰ্ড মাত্ৰ পাঁচ ছেণ্টিমিটাৰমান দীঘল হয় আৰু ইহঁতৰ ওজন প্ৰায় দুই গ্ৰাম। ❖

## শুৱলা ভাষা

অসমীয়া ভাষাত থকা জতুৱা ঠাচসমূহে ভাষাটোৰ সৌন্দৰ্য্য বঢ়োৱাৰ লগতে বহু সময়ত ভাষাৰ প্ৰকাশিকা শক্তিও বৃদ্ধি কৰে। অসমীয়া ভাষাত থকা অনেক জতুৱা ঠাঁচৰ ভিতৰত 'কাণ' শব্দৰে আৰম্ভ হোৱা কেইটামান জতুৱা ঠাচ এনে ধৰণৰ—

**কাণ থিয় কৰ (শুনিবলৈ আগ্ৰহ কৰা) :** সভাপতিৰ কথা শুনিবৰ বাবে সমবেত ৰাইজে **কাণ থিয় কৰিলে**।

**কাণত পৰ (অনিচ্ছাতে শুনা) :** বাটেদি আহোঁতে সেই কথাটো মোৰ **কাণত পৰিল**।

**কাণ সৰালি মাৰ (আওকাণ কৰাৰ দৰে মনে মনে শুনা) : কাণ সৰালি মাৰিয়েই** তেওঁ সকলো কথা খৰচি মাৰি বুজি ল'লে।

**কাণত ধৰি ক (লাজ বা অপমানত দুনাই নকৰাৰ প্ৰতিশ্ৰুতি দিয়া) :** ভৱিষ্যতে এনে কাম নকৰোঁ বুলি সি **কাণত ধৰি** ক'লে। ❖

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

# ভাৰতৰ বিভিন্ন ৰাজ্যৰ ৰাজ্যিক জন্তুসমূহ

**ছাংগাই পহু** (ইংৰাজী নাম : Sangai Deer, বৈজ্ঞানিক নাম *Rucervus eldii eldii*)



ছাৰভিডি (Cervidae) পৰিয়ালৰ অন্তৰ্গত ছাংগাই পহু ভাৰতবৰ্ষৰ মণিপুৰৰ ৰাজ্যিক জন্তু। ই হৈছে মণিপুৰৰ এক স্থানীয় বিলুপ্তপ্ৰায় এলডছ (Eld's deer) প্ৰজাতিৰ হৰিণ। ই এবিধ স্তন্যপায়ী জন্তু। এইবিধ জন্তু ভাৰতবৰ্ষৰ কেৱল মণিপুৰতহে পোৱা যায়। ইয়াৰ আদি প্ৰাকৃতিক বাসস্থান হৈছে পূব ভাৰতৰ আটাইতকৈ ডাঙৰ মিঠাপানীৰ হ্ৰদ লগটক হ্ৰদৰ দক্ষিণ অংশত অৱস্থিত 'কেইবুল লামজাও' ৰাষ্ট্ৰীয় উদ্যান। এইবিধ পহুৰ প্ৰজাতিটো গোটেই বিশ্বতে বিৰল আৰু ইয়াৰ সংখ্যা অতি কম। মণিপুৰৰ উপৰি দক্ষিণ এছিয়াৰ ম্যানমাৰ, থাইলেণ্ড, কম্বোডিয়া ইত্যাদি ঠাইতো এই পহু কিছু পৰিমাণে পোৱা যায়। ছাংগাই পহুৰ শিংবোৰ ডাঙৰ আৰু বিশেষ ধৰণৰ হয় আৰু ইয়াৰ চলা-ফিৰাৰ ভংগিমা অতি আকৰ্ষণীয়। ইয়াৰ ভৰি দীঘল আৰু ডিঙি পাতল। ইয়াৰ দেহৰ দৈৰ্ঘ্য প্ৰায় ১১৫ৰ পৰা ১২৫ ছেমি. পৰ্য্যন্ত হয় আৰু ওজন প্ৰায় ৯৫ৰ পৰা ১১০ কিলোগ্ৰামৰ ভিতৰত হয়। ছাংগাই পহুৰ চেহেৰাও আকৰ্যণীয়। ইয়াৰ গাৰ ৰং গাঢ় বাদামী, তলৰ অংশ কিছু বগা আৰু ডিঙিত কিছু সুকীয়া বগা ঠাই আছে। মতা পহুবোৰৰ শৰীৰৰ উচ্চতা আৰু ওজন মাইকী পহুতকৈ বেছি হোৱা দেখা যায়। তদুপৰি মতা পহুৰ শিং ১ মিটাৰ পৰ্য্যন্ত দীঘল হ'ব পাৰে আৰু একাধিক শাখা থাকে। ইয়াৰ বিপৰীতে মাইকী পহুৰ শিংবোৰ চুটি আৰু কম শাখাযুক্ত। ছাংগাই পহু এবিধ সামাজিক প্ৰাণী আৰু সাধাৰণতে ইহঁতে সৰু সৰু জাকত ঘূৰি ফুৰে। দিনৰ ভাগত ইহঁতে ঘাঁহ, পাত, বনৌষধি আদিকে ধৰি বিভিন্ন ধৰণৰ উদ্ভিদ খায়। ছাংগাই পহুৰ প্ৰজননৰ সময় নৱেম্বৰৰ পৰা জানুৱাৰী মাহলৈ। মাইকী হৰিণবোৰে বছৰত এটা মাত্ৰ পোৱালি জন্ম দিয়ে। পোৱালিবোৰৰ নোমত দাগ থাকে। ডাঙৰ হোৱাৰ লগে লগে ক্ৰমান্বয়ে এই দাগ নোহোৱা হৈ যায়। এইখিনিতেই এটা কথা উল্লেখনীয় যে মণিপুৰত পালন কৰা এক বৃহৎ পৰ্য্যটন উৎসৱৰ নাম হৈছে 'ছাংগাই উৎসৱ'। এই উৎসৱত মণিপুৰৰ পৰম্পৰাগত কৃষ্টি-সংস্কৃতি, খাদ্য, হস্তশিল্প আৰু পৰ্য্যটনৰ লগত সম্পৰ্কিত বিভিন্ন দিশ প্ৰদৰ্শন কৰা হয়। সেয়েহে 'ছাংগাই' বুলি ক'লে মণিপুৰৰ আপুৰুগীয়া বিলুপ্তপ্ৰায় পহু তথা ইয়াৰ সাংস্কৃতিক আৰু পৰ্য্যটন উৎসৱ দুয়োটাকে বুজায়। ❖

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

### শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| প্ৰযুক্তিবিদ্যা | technology | ভয়ানক, ভয়ংকৰ | terrible |
| তাঁৰবাৰ্তা, টেলিগ্ৰাম | telegram | সন্ত্ৰাসবাদ | terrorism |
| দূৰবীক্ষণ যন্ত্ৰ | telescope | ইচ্ছাপত্ৰ | testament, will |
| অস্থায়ী | temporary | সাক্ষ্য, প্ৰমাণ | testimony |
| লৌকিক | customary | এৰাল, পঘা | tether |
| প্ৰলোভন | temptation | পাঠ্যপুথি | textbook |
| ভাৰাতীয়া | tenant | তত্ত্ব | theory |
| কিশোৰ | teenager | বস্ত্ৰশিল্প | textile |
| নিবিদা | tender | ৰংগমঞ্চ, নাটশালা | theatre |
| তম্বু, কাপোৰৰ ঘৰ | tent | উপপাদ্য | theorem |
| পৰিভাষা | terminology | তাপমান যন্ত্ৰ | thermometer |
| হাতৰ বুঢ়া আঙুলি | thumb | ভাবুকি | threat |
| ক্ষেত্ৰ, ভূখণ্ড | territory | পদবী | designation |
| স্থলজ | terrestrial | সূতা | thread |
| পকা ঘৰৰ ওপৰ ভাগ | terrace | কাঁইট | thorn ❖ |

# মটৰ গাড়ীৰ কাহিনী: অতীতৰ পৰা বৰ্তমানলৈ

■ নিভা ৰাণী ৰায়



মটৰ গাড়ীৰ ইতিহাস সুদীৰ্ঘ। গাড়ী এখনৰ ধাৰণাটো বিভিন্ন পৰ্য্যায়ত বিকশিত হৈ বৰ্তমানত উপনীত হোৱাৰ মূলতে আছে অসংখ্যজনৰ অৱদান। ইঞ্জিনৰ পৰা গাড়ীৰ কাচমচা ৱাইপাৰডাললৈকে (wiper) এটা এটাকৈ, ঢাপে ঢাপে গাড়ী এখনৰ বাবে প্ৰয়োজনীয় ইটো-সিটো বস্তু (accessories) আৱিষ্কাৰৰ সৈতে অনেক ব্যক্তিৰ চিন্তা, গৱেষণা, শ্ৰম নিহিত হৈ আছে।

সুদূৰ অতীতৰ গাড়ী এখনৰ পৰা আজিৰ ফেৰাৰী, বি এম ডব্লিউ, ৰোলছ ৰয়েছ, মাৰ্ছিডিজ আদি কোম্পানীৰ বিলাসবহুল সুদৃশ্য গাড়ী একোখনলৈকে মটৰ গাড়ীৰ যাত্ৰা কিদৰে আৰম্ভ হৈছিল? তোমালোকৰ জানিবলৈ মন নাযায়নে? কিদৰে আহি আহি গাড়ী এখনে আজিৰ ৰূপ পালে?

মটৰ গাড়ীৰ চিন্তাৰ সূত্ৰপাত প্ৰথমেই ইউৰোপত হৈছিল। আক্ষৰিক অৰ্থতে মটৰ গাড়ীৰ আৱিষ্কাৰ আৰু বিকাশো ইউৰোপতে হোৱা বুলি ক'ব লাগিব। ফ্ৰান্সৰ নিকোলাছ জোছেফ কুনিও (Nicholas Joseph Cugnot) নামৰ ব্যক্তিগৰাকীয়ে সৰ্বপ্ৰথম সঁচা অৰ্থত মটৰচালিত গাড়ী এখন সাজি উলিয়াবলৈ সক্ষম হৈছিল। বিশ্বৰ অধিকাংশ ইতিহাসবিদেই এই কথাত একমত। ১৭৬৯ চনত তেওঁ আৱিষ্কাৰ কৰা গাড়ীখন পাছে অত্যন্ত গধুৰ, বিশালকায়, বাষ্পচালিত আৰু তিনিচকীয়া আছিল। সেই গাড়ীখনৰ গতি আছিল ঘণ্টাত মাত্ৰ ৩.৬ কিলোমিটাৰ। চাৰিজন মানুহ কঢ়িয়াব পৰা গাড়ীখনে একেৰাহে মাথোঁ ২০ মিনিটহে চলিব পাৰিছিল। তাৰ পাছত ২০ মিনিট জিৰণি ল'বলগীয়া হৈছিল। নিকোলাছৰ এই গাড়ীখনক মানুহে বিশ্বৰ প্ৰথম গাড়ীৰ মৰ্য্যাদা প্ৰদান কৰে যদিও পথত চলাৰ বাবে এই গাড়ীখন মুঠেই উপযুক্ত নাছিল। গাড়ীখনৰ বিশাল আকৃতি আৰু অতি লেহেমীয়া গতিৰ বাবেই সেইখনেৰে ৰাস্তাত চলাচল কৰা সম্ভৱ নহ'ল যদিও নিকোলাছে সেই গাড়ীখনেৰেই মানৱ জাতিক নতুন দিনৰ সপোন দেখিবলৈ প্ৰেৰণা যোগালে। ১৭৯০ চনত তেওঁৰ গাড়ীখনতকৈ কিছু উন্নত মানৰ বাষ্পচালিত গাড়ী এখন ফ্ৰান্সৰ ৰাস্তাত চলিছিল। ১৮০০ চনত ফ্ৰান্সত বাষ্পচালিত বাছ চলিবলৈ আৰম্ভ কৰে। ১৮০০-১৮৩০ চনৰ ভিতৰত আমেৰিকাৰ ফিলাডেলফিয়া আৰু মাছাচুছেটছত ব্যক্তিগত উদ্যোগত কিছুমান বাষ্পচালিত গাড়ীৰ চলাচল আৰম্ভ হয়।

একে সময়তে ইংলণ্ডতো গাড়ী নিৰ্মাণৰ ক্ষেত্ৰত নানা গৱেষণা চলিছিল। ১৮৩০ চনৰ ভিতৰত ইংলণ্ডত গাড়ী চলিবলৈ আৰম্ভ কৰিছিল। লাহে লাহে গাড়ীৰ আকৃতি পূৰ্বৰ তুলনাত সৰু হৈ অহাৰ লগতে ওজনো কমি আহিবলৈ ধৰিছিল। সেই সময়ত লণ্ডনৰ ৰাস্তাত ৰিচাৰ্ড ট্ৰেভিথিকে (Richard Trevithick) সাজি উলিওৱা এখন বাষ্পচালিত গাড়ী চলা দেখা গৈছিল। ছাৰ গোল্ডছৱৰ্ডি গাৰ্নিয়ে (Sir Goldsworthy Gurney) সৰ্বপ্ৰথমে বাণিজ্যিকভাৱে বাষ্পচালিত গাড়ী তৈয়াৰ কৰিছিল। গাৰ্নিয়ে নিৰ্মাণ কৰা গাড়ীখনত ছজন মানুহ বহাৰ সুবিধা আছিল। এই গাড়ীখনে ঘণ্টাত ২৭ কিলোমিটাৰ বেগেৰে যাব পাৰিছিল।

সেই সময়ছোৱাত বৃটেইনৰ বিভিন্ন পথত এই ধৰণৰ বাষ্পচালিত গাড়ী চলা দেখা গৈছিল। এনেবোৰ গাড়ী চলা এটা পথ আছিল লণ্ডনৰ পৰা কেম্ব্ৰিজলৈকে। কিন্তু এই গাড়ীবোৰৰ বিভিন্ন অসুবিধা, যেনে—বিকট শব্দ, অত্যধিক ধোঁৱা নিৰ্গমন, বিশাল আকৃতি আদিৰ

উপৰি  ঘোঁৰা গাড়ীৰ জনপ্ৰিয়তা অধিক হোৱাৰ কাৰণে লণ্ডনত আইন কৰি বাষ্পচালিত গাড়ীৰ চলাচল সংকুচিত কৰি দিয়া হৈছিল। এই আইন অনুসৰি চহৰৰ ৰাস্তাত ঘণ্টাত ৪  কিলোমিটাৰৰ অধিক বেগত গাড়ী চলাব নোৱাৰিব, যিকোনো টোল গেটত ৫ ইউৰোকৈ (Euro) কৰ দিব লাগিব (ঘোঁৰাচালিত গাড়ীয়ে মাত্ৰ ৩ পেঞ্চ কৰহে দিব লাগিছিল), প্ৰতিখন গাড়ীত একোজনকৈ সহকাৰী ৰাখিব লাগিব, যিজনে সকলো সময়তে ৰঙা পতাকা উৰুৱাই সতৰ্কবাণী দি যোৱাৰ নিয়ম কৰি দিয়া হৈছিল, এই আইনী বাধা-নিষেধসমূহৰ বাবে লণ্ডনত এটা সময়ত বাষ্পচালিত গাড়ীৰ নিৰ্মাণকাৰ্য্য থমকি ৰয়।

১৮৬০ চনত গেষ্টন প্লাণ্টে (Gaston Plante) ষ্টোৰেজ বেটাৰী আৱিষ্কাৰ কৰাৰ পাছৰে পৰা বেটাৰীচালিত গাড়ী নিৰ্মাণৰ পথ মুকলি হয়। আনহাতে ১৮৮১ চনত কেমিলে ফ'ৰে (Camille Faure) ষ্টোৰেজ বেটাৰীৰ প্ৰভূত উন্নতি সাধন কৰাৰ পাছত বেটাৰীচালিত গাড়ী নিৰ্মাণৰ প্ৰতি মানুহৰ আগ্ৰহো অধিক বৃদ্ধি পায়। ১৮৮১ চনত ফ্ৰান্সৰ ৰাজপথত প্ৰথমবাৰৰ বাবে বেটাৰীৰ সহায়ত চলা তিনিচকীয়া বাহন দেখা গৈছিল।

মটৰ গাড়ীৰ কাহিনী ক'বলৈ হ'লে নিকোলাছ আগষ্ট অটোৰ (Nicholas August Otto) কথা ক'বই লাগিব। এইগৰাকী ব্যক্তিৰ অবিহনে  বিশ্বত গাড়ীৰ জৰিয়তে যোগাযোগ ব্যৱস্থাই আজিৰ ৰূপ কাহানিও নাপালেহেঁতেন। ১৮৬৭ চনত তেওঁ প্ৰথম চতুৰ্ঘাতযুক্ত (four stroke) গেছোলিন ইঞ্জিন আৱিষ্কাৰ কৰিছিল। ১৮৮৫ চনত কাৰ্ল বেঞ্জে এখন তিনিচকীয়া গাড়ীৰ সৈতে অটোৰ ইঞ্জিনৰ সংযোগ ঘটাই পৃথিৱীৰ প্ৰথম গেছোলিনচালিত (gasolene) গাড়ীখন সাজি উলিয়াইছিল। অৱশ্যে বেঞ্জৰ এই গাড়ীখন প্ৰথম অৱস্থাত খুব বেছি জনপ্ৰিয় হোৱা নাছিল। এইখিনিতে সেই সময়ৰ মজাৰ কাহিনী এটা মনত পৰিছে। বেঞ্জৰ পত্নী বাৰ্থাই এদিন দুই পুত্ৰক লগত লৈ প্ৰায় ১০০ কিলোমিটাৰ দূৰৈৰ আইতাকৰ ঘৰলৈ যাবলগীয়া হ'ল। বেঞ্জক নোকোৱাকৈয়ে তেওঁলোকে গেছোলিন ইঞ্জিনযুক্ত গাড়ীখন লৈ গৈছিল। কিন্তু গোটেই পথছোৱা গেছোলিন



জ্বলাবলৈ আৰু পথৰ কাষৰ ৰাসায়নিক দ্ৰব্যৰ দোকানৰ পৰা গেছোলিন কিনিবলৈ কেইবাবাৰো তেওঁলোক ৰ'বলগীয়া হ'ল। আনহাতে এঢলীয়া পথত উঠাৰ সময়ত বেঞ্জৰ দুই পুত্ৰই গাড়ীখন ঠেলি লৈ যাবলগীয়াত পৰিছিল। পথৰ মাজতে হঠাৎ অচল হৈ পৰা গাড়ীখন ঠিক কৰোঁতেও বহুত সময় গৈছিল। তথাপি তেওঁলোক গন্তব্যস্থল পোৱালৈকে সাধাৰণ মানুহৰ মাজত তেওঁলোকৰ গাড়ীখনক লৈ ব্যাপক কৌতূহলৰ সৃষ্টি হৈছিল। ফলত কমদিনৰ ভিতৰতে বেঞ্জৰ গাড়ীখন জনপ্ৰিয় হৈ উঠে। পৰৱৰ্তী সময়ত বেঞ্জে  গাড়ীখন চাৰিচকীয়া গাড়ীলৈ উন্নীত কৰে। বিংশ শতাব্দীৰ প্ৰথমৰ ফালে বেঞ্জ (Benz) পৃথিৱীৰ অন্যতম প্ৰধান গাড়ী নিৰ্মাতাৰূপে পৰিগণিত হয়।

এই সময়ছোৱাতে গটলিব ডেইমলাৰ (Gotlieb Daimler) আৰু উইলহেল্ম মেবেকে (Wilhelm Maybach) মিলিত প্ৰচেষ্টাৰে গেছোলিনচালিত গাড়ীক লৈ পৰীক্ষা-নিৰীক্ষা চলাই আছিল। ১৮৯৯ চনত তেওঁলোকে বজাৰলৈ উলিয়াই দিয়া প্ৰথম গাড়ীখন আছিল মাৰ্ছিডিজ। প্ৰথমৰ ফালে বেঞ্জ আৰু ডেইমলাৰৰ কোম্পানী প্ৰতিদ্বন্দ্বী আছিল যদিও ১৯২০ চনৰ পৰা তেওঁলোকে একেলগ হৈ মাৰ্ছিডিজ-বেঞ্জ কোম্পানী আৰম্ভ কৰে।

বিংশ শতাব্দীৰ আৰম্ভণিৰ সময়ছোৱাত গেছোলিনচালিত গাড়ীবোৰ দ্ৰুতগতিৰ  হোৱাৰ লগতে নিৰ্ভৰযোগ্য আছিল। কিন্তু এই গাড়ীবোৰ আছিল ব্যয়বহুল। ১৮৯৩ চনত কাৰ্ল বেঞ্জে তৈয়াৰ কৰা ভিক্টোৰিয়া নামৰ গাড়ীখনৰ দাম আছিল ৯,০০০ ইউৰো (প্ৰায় ৯ লাখ ৫০ হাজাৰ টকা)। সেয়ে সাধাৰণ মানুহৰ

বাবে এই গাড়ীবোৰ কিনাটো সহজ নাছিল। ফলত সাধাৰণ মানুহে ঘোঁৰাগাড়ীৰ ওপৰতে নিৰ্ভৰ কৰিব লগা হৈছিল। এই সমস্যা দূৰ কৰিবলৈ আগবাঢ়ি আহিছিল এজন আমেৰিকান ইঞ্জিনিয়াৰ হেনৰী ফ'ৰ্ড (Henry Ford)।

সকলো শ্ৰেণীৰ মানুহে যাতে ব্যৱহাৰ কৰিব পাৰে, সেই লক্ষ্যেৰে তেওঁ ১৯০৮ চনত মডেল টি নামৰ এখন গাড়ী বজাৰলৈ উলিয়াই দিয়ে। তুলনামূলকভাৱে অতি কম দামৰ (৮৫০ ইউৰো) এই গাড়ীখনে দ্ৰুত জনপ্ৰিয়তা লাভ কৰে। কম দিনৰ ভিতৰতে প্ৰায় ১৫ নিযুতখন মডেল টি গাড়ী বিক্ৰীৰ জৰিয়তে ফ'ৰ্ড অত্যন্ত চহকী গাড়ী নিৰ্মাতা হিচাপে প্ৰতিষ্ঠিত হয়।

অৱশ্যে তেতিয়াও আমেৰিকা, ফ্ৰান্স আৰু জাৰ্মানীত কম ওজনৰ বাষ্পচালিত গাড়ী নিৰ্মাণৰ কাম চলিয়েই আছিল। ১৯০৬ চনত ষ্টেনলি ভাতৃসকলে এখন দ্ৰুতবেগী বাষ্পচালিত গাড়ী সাজি উলিয়াবলৈ সক্ষম হয়। তেওঁলোকে তৈয়াৰ কৰা গাড়ীখন আছিল বাণিজ্যিকভাৱে তৈয়াৰ হোৱা আমেৰিকাৰ প্ৰথমখন গাড়ী। এইখিনিতে তোমালোকক কথা এটা জনাই থওঁ—-২০০০ চনলৈকে আমেৰিকাত ৬ শতাধিক বাষ্পচালিত গাড়ী সম্পূৰ্ণ সচল অৱস্থাত আছিল।

ফ'ৰ্ডৰ মডেলটো দেখি উৎসাহিত হৈ জাৰ্মান শাসক হিটলাৰে নিজৰ দেশতো সৰ্বসাধাৰণ জনতাৰ ব্যৱহাৰোপযোগী কম দামৰ গাড়ী নিৰ্মাণৰ ইচ্ছা প্ৰকাশ কৰে। এই উদ্দেশ্যে তেওঁ জাৰ্মান গাড়ী নিৰ্মাতা ফাৰ্ডিনাণ্ড পোৰ্ছেক (Ferdinand Porsche) এখন জনতাৰ গাড়ী বা ভকছৱেগন (volkswagen) সাজি উলিয়াবলৈ নিৰ্দেশ দিয়ে। পৰৱৰ্তী সময়ত এই গাড়ীখনে বিটলছ (Beatles) নামেৰে খ্যাতি লাভ কৰে। বিশ্বজুৰি প্ৰায় ২০ মিলিয়ন বিটলছ বিক্ৰী হয় আৰু এই গাড়ীখনে বিংশ শতিকাৰ অন্যতম জনপ্ৰিয় গাড়ীৰ মৰ্য্যাদা লাভ কৰে।

দ্বিতীয় বিশ্বযুদ্ধৰ পাছত গাড়ী চলাচলৰ ক্ষেত্ৰত ডিজেল ইঞ্জিনে জনপ্ৰিয়তা লাভ কৰে। ইন্ধনৰ খৰচ কম হোৱাটোৱেই ডিজেল ইঞ্জিন জনপ্ৰিয় হোৱাৰ কাৰণ। ১৯৭০ চনমানলৈ জেনেৰেল মটৰ্ছ (General Motors) নামৰ কোম্পানীটোৱে তেওঁলোকৰ কেইখনমান গেছোলিনচালিত গাড়ীক কম খৰচী কৰি তুলিবলৈ ডিজেলচালিত গাড়ীলৈ ৰূপান্তৰিত কৰে। মাৰ্ছিডিজ-বেঞ্জ, ভকছৱেগন, পিউগট আদি গাড়ী নিৰ্মাতা প্ৰতিষ্ঠানসমূহেও তেনে কৰিবলৈ লয়। ১৯৯০ চনলৈ বৃটেইনত ব্যক্তিগত গাড়ীসমূহত ডিজেল ইঞ্জিন জনপ্ৰিয় হ'বলৈ ধৰে।

১৯৯৭ চনত টয়োটা (Toyota) নামৰ কোম্পানীটোৱে জাপানৰ বজাৰলৈ আনে প্ৰিয়াছ নামৰ এখন হাইব্ৰিড (hybrid) গাড়ী। এই গাড়ীখনত গেছোলিনৰ উপৰি এটা ইলেকট্ৰনিক মটৰো সংযুক্ত কৰা আছিল। আমেৰিকাৰ বজাৰলৈ এই ধৰণৰ হাইব্ৰিড গাড়ী প্ৰথমে আনে হোণ্ডাই (Honda)। আমেৰিকাৰ লগতে বিশ্বৰ আন বহু দেশে এই ধৰণৰ পৰিবেশ-বন্ধু গাড়ী উৎপাদনৰ ক্ষেত্ৰত আগভাগ লোৱা দেখা গৈছে।

বৰ্তমানৰ পৃথিৱীত বিলাসিতাতকৈও মটৰ গাড়ী এখন অত্যাৱশ্যকীয় সামগ্ৰী হিচাপে হয়তো অধিক পৰিমাণে ব্যৱহাৰ হয়। একবিংশ শতিকাত গাড়ী নিৰ্মাতা কোম্পানীসমূহে পেট্ৰ'ল-ডিজেলৰ বিকল্প ইন্ধন উদ্ভাৱন আৰু প্ৰচলনৰ ক্ষেত্ৰত গুৰুত্ব দিয়াই নহয়, বিকল্প ইন্ধনচালিত ন ন মডেল, ন ন সুবিধাযুক্ত গাড়ী নিৰ্মাণতো গুৰুত্ব দিছে। প্ৰযুক্তিৰ সমানেই খোজত খোজ মিলাই গাড়ী নিৰ্মাণ উদ্যোগো দিনক দিনে আগবাঢ়ি গৈছে। মটৰ গাড়ীৰ ভৱিষ্যৎ বিদ্যুৎচালিত তথা স্বয়ংক্ৰিয় গাড়ী নিৰ্মাণৰ দিশে অধিক ধাৱমান হৈছে। গাড়ী নিৰ্মাণ খণ্ডত বৰ্তমান সময়ত ইমানেই উন্নততৰ প্ৰযুক্তিৰ উদ্ভাৱন হৈছে যে চালকবিহীন গাড়ী নিৰ্মাণ, স্থলপথ, আকাশীপথ অথবা জলপথত একেলগে চলিব পৰা গাড়ী নিৰ্মাণ আদিক লৈও নিত্য নতুন গৱেষণা চলি আছে। অদূৰ ভৱিষ্যতে হয়তো মানুহে যান-জঁটত বৈ সময় নষ্ট কৰিবলগীয়া নহ'ব। ছুইচ টিপিয়েই নিজৰ গাড়ীখন এখন ক্ষুদ্ৰ বিমানলৈ ৰূপান্তৰ কৰি গন্তব্য স্থানলৈ উৰা মাৰিবলৈ সক্ষম হ'ব। ❖

# ইউ পি আই

■ ৰুণুমী কলিতা




সৌ সিদিনালৈ কিবা এটা কিনিবলৈ বা বিল আদি পৰিশোধ কৰিবলৈ নগদ ধন, এটিএম কাৰ্ড (ATM card) বা ক্ৰেডিট কাৰ্ডেৰে (credit card) ভৰা এটা ডাঙৰ মানিবেগ লৈ ফুৰিবলগীয়া হোৱা দিনবোৰ বৰ্তমান সময়ত কাহিনী যেন লগা হ'ল। সম্প্ৰতি ডিজিটেল (digital) জগতখনত অনলাইন (online) ব্যৱস্থাই আমাৰ সুবিধা অনুসৰি নগদবিহীন লেনদেন কৰাটো অত্যন্ত সহজ কৰি তুলিছে। বাস্তৱ সময়ৰ এই অনলাইন লেনদেনৰ ব্যৱস্থা আজিৰ ডিজিটেল জগতখনত এক আৱশ্যকীয় সুবিধাত পৰিণত হৈছে। নগদবিহীন অৰ্থনীতিৰ প্ৰসাৰৰ দিশত এক বৈপ্লৱিক পৰিবৰ্তন অনা তথা ডিজিটেল অৰ্থনীতিৰ অন্যতম প্ৰধান হিচাপে পৰিগণিত হোৱা আহিলা হৈছে ইউ পি আই (UPI)।

ইউ পি আইৰ সম্পূৰ্ণ নামটো হ'ল Unified Payment Interface। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা নিয়ন্ত্ৰিত ই হৈছে সাম্প্ৰতিক সময়ৰ আটাইতকৈ জনপ্ৰিয় লেনদেনৰ ব্যৱস্থা। ইউ পি আই বৰ্তমান সময়ৰ এনে এক ব্যৱস্থা; যাৰ জৰিয়তে অতি কম সময়তে ম'বাইল এপ ব্যৱহাৰ কৰি ধন প্ৰেৰণ তথা গ্ৰহণ কৰিব পাৰি। ই এনে এক ডিজিটেল মঞ্চ; যিয়ে ব্যৱহাৰকাৰীসকলক ম'বাইল এপৰ লগত বেংক একাউণ্টৰ পোনপটীয়াকৈ সংযোগ ঘটাই ধনৰ লেনদেন, বিল পৰিশোধ তথা অনলাইন ক্ৰয় কৰিবলৈ সুবিধা প্ৰদান কৰে।

২০০৯ চনত গঠন হোৱা নেছনেল পেমেণ্ট কৰ্প'ৰেছন অৱ ইণ্ডিয়া (National Payment Corporation of India), চমুকৈ NPCIয়ে ২০১৬ চনৰ ১১ এপ্ৰিল তাৰিখে আনুষ্ঠানিকভাৱে ইউ পি আই সেৱা মুকলি কৰে। ২০১৪ চনত ৰিজাৰ্ভ বেংক আৰু ভাৰত চৰকাৰে এক নিৰাপদ, দক্ষ আৰু অনুমোদিত লেনদেনৰ (authorised payment) ব্যৱস্থা গঢ়ি তোলাৰ উদ্দেশ্যে এই প্ৰচেষ্টা আৰম্ভ কৰিছিল। সেয়েহে ২০১৫ চনত এনপিচিআইক এক ঐক্যবদ্ধ লেনদেনৰ ব্যৱস্থা প্ৰস্তুত কৰাৰ দায়িত্ব দিয়া হৈছিল। ফলস্বৰূপে ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ ৰঘুৰাম গোবিন্দ ৰাজনৰ কাৰ্য্যকালত ২০১৬ চনত ইউ পি আইয়ে আত্মপ্ৰকাশ কৰে।

ইউ পি আই ব্যৱহাৰ কৰাৰ আগলৈকে কাৰোবালৈ টকা পঠিয়াবলৈ হ'লে বেংকলৈ গৈ RTGS বা NEFT কৰি টকা পঠিয়াব লগা হৈছিল। কিন্তু তাৰ পৰৱৰ্তী সময়ত দেশৰ বিত্তীয় খণ্ডত ইউ পি আইয়ে অনা বৈপ্লৱিক পৰিবৰ্তনৰ বাবে আমি বেংকলৈ নিজে নোযোৱাকৈ ঘৰতে বহি টকাৰ লেনদেন কৰিব পৰা হ'লোঁ। ইয়াৰ সহায়ত ফোনপে (phonePay), গুগল পে (Google Pay), পেটিএম (Paytm), ভিম (BHIM), এমাজ'ন পে (Amazon Pay) আদি এপসমূহৰ জৰিয়তে টকাৰ লেনদেন কৰা হয়। এই ব্যৱস্থাটোৱে বিভিন্ন বেংকৰ একাউণ্টসমূহক একেলগ কৰি এটা এপ্লিকেছনত সংযোগ কৰে আৰু অতি সহজেই টকা-পইচা লেনদেনৰ সুবিধা প্ৰদান কৰে। এই ক্ষেত্ৰত প্ৰথমে ব্যৱহাৰকাৰীয়ে গুগল পে, ভিম, পেটিএম আদি ইউ পি আই সমৰ্থিত এপ ডাউনলোড কৰি বেংকত পঞ্জীয়ন হৈ থকা নিজৰ ম'বাইল নম্বৰৰ লগতে বেংক একাউণ্টৰ সবিশেষ ব্যৱহাৰ কৰি নিজৰ বেংক একাউণ্টটো তেনে এপৰ লগত সংযুক্ত কৰি ল'ব লাগে। দেশৰ প্ৰায়ভাগ ব্যক্তিগত খণ্ড তথা ৰাজহুৱা খণ্ডৰ বেংকেও নিজৰ নিজৰ বেংক ব্যৱস্থাসমূহ, যেনে—YONO, PNB ONE, Kotak-811 আদিৰ সহায়ত ইউ পি আই মাধ্যমেৰে ধনৰ লেনদেন কৰে। ইউ পি আই মাধ্যমেৰে ধন স্থানান্তৰ

কৰোঁতে প্ৰতিটো লেনদেনত সৰ্বোচ্চ ১ লাখ টকাৰ লেনদেন কৰিব পৰাৰ লগতে এদিনত সৰ্বাধিক ২০টা আৰ্থিক লেনদেন সম্পূৰ্ণ কৰিব পাৰি।




যদিও ইউ পি আই সাম্প্ৰতিক সময়ৰ এক জনপ্ৰিয় অৰ্থনৈতিক লেনদেনৰ ব্যৱস্থা, ইয়াৰ আসোঁৱাহসমূহো আমি নুই কৰিব নোৱাৰোঁ। ডিজিটেল সাক্ষৰতাৰ অভাৱে বিশেষকৈ গ্ৰাম্য অঞ্চলত কিছুমান ব্যৱহাৰকাৰীক ইউ পি আই ব্যৱস্থাটো ভালদৰে বুজিবলৈ আৰু ব্যৱহাৰ কৰাত অসুবিধা সৃষ্টি কৰিব পাৰে। সেইদৰে দুৰ্বল ইণ্টাৰনেট সংযোগ, দৈনিক লেনদেনৰ সীমা, ইউ পি আই প্লেট ফৰ্মসমূহৰ কাৰিকৰী ত্ৰুটি, বেংকৰ ছাৰ্ভাৰৰ সমস্যা আদিৰ লগতে সুৰক্ষাজনিত কথা কিছুমানেও ইউ পি আই ব্যৱহাৰকাৰীক অসুবিধাত পেলায়।

বৰ্তমান ভাৰতৰ বিত্তীয় লেনদেনৰ ৫০ৰ পৰা ৫৫ শতাংশ লেনদেন ইউ পি আই মাধ্যমেৰে কৰা হয়। এই ব্যৱস্থাটো আজিৰ তাৰিখত ইমানেই জনপ্ৰিয় হৈ পৰিছে যে ইউ পি আই অবিহনে দেশৰ বিত্তীয় লেনদেনৰ কথা কল্পনাই কৰিব নোৱাৰি। কেৱল ভাৰততেই নহয়, সমগ্ৰ বিশ্বতে ইউ পি আই ব্যৱস্থাই লেনদেনৰ সৰ্বশ্ৰেষ্ঠ পদ্ধতিৰূপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে।

টোকা : NEFT (National Electronic Fund Transfer) আৰু RTGS (Real Time Gross Settlement) হৈছে দুই প্ৰকাৰ ইলেকট্ৰনিক লেনদেনৰ ব্যৱস্থা, যিয়ে দুটা বেংক একাউণ্টৰ মাজত ধনৰ স্থানান্তৰ কৰে। NEFT সাধাৰণতে সৰু মূল্যৰ (২ লাখ টকাৰ তলৰ) লেনদেনৰ বাবে প্ৰযোজ্য। আনহাতে RTGS উচ্চ মূল্যৰ (২ লাখ টকাৰ ওপৰৰ) লেনদেনৰ বাবে ব্যৱহাৰ কৰা হয়। ❖

## তোমালোকে জানানে?



জৰ্জ বাৰ্নাৰ্ড শ্ব

অস্কাৰ আৰু ন'বেল বঁটা এই দুয়োটা সন্মানেই লাভ কৰা ব্যক্তি দুগৰাকী হ'ল জৰ্জ বাৰ্নাৰ্ড শ্ব আৰু বব ডিলান।



বব ডিলান

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ, ডিচেম্বৰ, ২০২৫

১। ৰুথ প্ৰাৱাৰ জাভালা

২। যতীন বৰা (তুমি মোৰ মাথোঁ মোৰ)

৩। মাৰ্কো জেনছেন (দক্ষিণ আফ্ৰিকাৰ)

৪। ১৯৪৯ চনৰ ২৬ নৱেম্বৰত ভাৰতৰ সংবিধানখন গৃহীত হৈছিল।

৫। হৰকান্ত বৰগোহাঁই ❖

## কুইজৰ উত্তৰসমূহ

১। শব্দ। মহালক্ষ্মী আয়াৰ ২। মাৰ্টিন লুথাৰ কিং জুনিয়ৰ ৩। নাৰী আৰু শিশু উন্নয়ন মন্ত্ৰালয় ৪। দি আৰ্কিটেক্টছ অৱ এ আই (The Architects of AI)। ৫। আছাম ৰাইফলছ (Assam Rifles) ৬। আৰ কে লক্ষ্মণ ৭। গোৰা। পুৰণি নাম আছিল গোৰামতী ৮। অৰুণ শৰ্মা ৯। চেতক ১০। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ ১১। পোপ ১২। বৃটিছসকলে সিন্ধ প্ৰদেশক বুজাবলৈ ব্যৱহাৰ কৰা শব্দ ১৩। আইচিচি বিশ্বকাপৰ ফাইনেলত হাফ চেঞ্চুৰী অৰ্জন আৰু ৫টা উইকেট দখল ১৪। দি ইণ্ডিয়ান অপিনিয়ন (The Indian Opinion) ১৫। এড্ৰিয়ান ব্ৰডী। ❖

# কুইজ

**■ দীপাংকৰ কৌশিক**

১। বৈ বৈ বিনালে—জুবিন গাৰ্গৰ ১৯৯৮ চনৰ এটা এলবামৰ এটা বিখ্যাত গীত। এলবামটোৰ নাম কি? তেওঁৰ সহশিল্পীগৰাকী কোন আছিল?

২। ১৯৬৩ চনৰ ২৮ আগষ্টত কোনগৰাকী বিখ্যাত ব্যক্তিয়ে 'আই হেভ এ ড্ৰীম' (I have a dream) ভাষণটো দিছিল?

৩। প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ—শিশুসকলক প্ৰদান কৰা সৰ্বোচ্চ অসামৰিক সন্মান। এই সন্মান কোনটো মন্ত্ৰালয়ে আগবঢ়ায়?

৪। আমেৰিকাৰ বিখ্যাত 'টাইম' (Time) আলোচনীৰ 'পাৰ্ছন অব দি ইয়েৰ' (Person of the year) সন্মান ২০২৫ বৰ্ষৰ বাবে কাৰে আগবঢ়োৱা হৈছে?

৫। ভাৰতৰ সবাতোকৈ পুৰণি অৰ্ধ সামৰিক বাহিনীটোৰ প্ৰথমতে নাম আছিল 'কাচাৰ লেভী' (Cachar Levy)। বৰ্তমানৰ নামটো কি?

৬। দি টানেল অৱ টাইম (The Tunnel of Time)—কোনগৰাকী বিখ্যাত ভাৰতীয় কাৰ্টুনিষ্টৰ আত্মজীৱনী?

৭। ভাৰতৰ কোনখন ৰাজ্যৰ নামটো আহিছে মান্দবী নদীৰ পুৰণি নামটোৰ পৰা?

৮। ১৯৯৮ চনত সাহিত্য অকাডেমি বঁটা লাভ কৰা কোনগৰাকী অসমীয়াই ২০০৩ চনত সংগীত নাটক অকাডেমি বঁটা লাভ কৰিছিল?

৯। ৰাণা প্ৰতাপ সিংহই হালদিঘাট যুদ্ধত ব্যৱহাৰ কৰা ঘোঁৰাটোৰ নাম এখন স্কুটাৰৰ নামৰ সৈতে একেই। নামটো কি?

১০। বৰ্তমান ভাৰতৰ ৰাজ্যসভাৰ অধ্যক্ষ কোন?

১১। 'ফিচাৰমেনছ ৰিং' (Fisherman's Ring) কোনজন ধৰ্মীয় নেতাই পৰিধান কৰে?

১২। স্কিণ্ডে ডক (Scinde Dawk) ভাৰতৰ প্ৰথমটো ডাক টিকট। এই স্কিণ্ডে মানে কি বাৰু?

১৩। দীপ্তি শৰ্মাই ২০২৫ চনৰ আইচিচি মহিলা বিশ্বকাপৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে কোনটো বিশেষ কৃতিত্বৰ অধিকাৰী হৈছিল?

১৪। ১৯০৩ চনৰ ৪ জুনত মহাত্মা গান্ধীয়ে দক্ষিণ আফ্ৰিকাত বৰ্ণ বৈষম্যৰ বিৰুদ্ধে যুঁজ দিবলৈ কোনখন বাতৰিকাকতৰ আৰম্ভণি কৰিছিল?

**চিত্ৰ সংকেত**

১৫। দুটাকৈ অস্কাৰ বিজয়ী এই অভিনেতাগৰাকী। কোন বাৰু? ❖



## তোমালোকে জানানে?

## আয়াৰলেণ্ডত সাপ নাই কিয়?

গ্ৰেট বৃটেইনৰ পশ্চিমে উত্তৰ আটলাণ্টিক মহাসাগৰত অৱস্থিত পশ্চিম ইউৰোপৰ দ্বীপৰাষ্ট্ৰ আয়াৰলেণ্ডত সাপ নাই। পৌৰাণিক কাহিনী মতে ছেণ্ট পেট্ৰিকে তাৰ পৰা সকলো সাপ খেদি পঠিয়াইছিল। পাছে বিজ্ঞানীসকলৰ মতে সাপে সাধাৰণতে সাগৰ অতিক্ৰম কৰি বংশ বৃদ্ধি কৰিব নোৱাৰে আৰু আয়াৰলেণ্ডত সাপ নথকাৰ মূল কাৰণ এইটোহে। তুষাৰ যুগত ইউৰোপত সাপে পিয়াপি দি ফুৰিছিল। সেই সময়ত ইংলণ্ড-ইউৰোপৰ লগত সংযুক্ত হৈ আছিল আৰু সেই সাপবোৰ গৈ ইংলণ্ডৰ উপকূল অঞ্চল পাইছিল। পাছে সেই সময়তে বৰফ গলি ইংলণ্ড আৰু আয়াৰলেণ্ড পৃথক হৈ পৰিল আৰু সাপবোৰ সেই জলভাগ অতিক্ৰম কৰি আয়াৰলেণ্ডলৈ যাব নোৱাৰিলে। আন জেঠী, কাছ আদি সাগৰ পাৰ হৈ আয়াৰলেণ্ড পালেগৈ আৰু তাত বংশ বৃদ্ধি কৰিবলৈ আৰম্ভ কৰিলে। ❖ *(উৎস : শান্তনু কৌশিক বৰুৱাৰ 'বিজ্ঞানৰ কি কিয় কেনেকৈ কোন আৰু কেতিয়া')*

# অসমৰ ৰাজ্যিক পক্ষী দেওহাঁহ

■ ৰীতামণি মহন্ত



অসমৰ অৰণ্যসমূহ বিভিন্ন প্ৰজাতিৰ জৈৱবৈচিত্ৰ্যৰে ভৰপূৰ। অসমৰ অৰণ্যসমূহ নানা জীৱ-জন্তুৰ লগতে অনেক চৰাই-চিৰিকটিৰো বিচৰণথলী। অসমৰ অৰণ্যত পোৱা বিভিন্ন পক্ষীৰ ভিতৰত দেওহাঁহো এবিধ অন্যতম পক্ষী। দেওহাঁহক ২০০৩ চনৰ ৪ এপ্ৰিল তাৰিখে অসম চৰকাৰে অসমৰ ৰাজ্যিক পক্ষী হিচাপে ঘোষণা কৰে। দেওহাঁহ হৈছে এবিধ ডাঙৰ আকাৰৰ আপুৰুগীয়া হাঁহৰ প্ৰজাতি। ইংৰাজীত ইয়াক 'White Winged Wood Duck' বুলি জনা যায়। ইয়াৰ বৈজ্ঞানিক নাম হৈছে '*Asarcornis scutulata*'। এই প্ৰজাতিৰ হাঁহৰ বিশেষ ধৰণৰ বিকট মাতৰ বাবে অসমীয়াত ইয়াক দেওহাঁহ বুলি কোৱা হয়।

ইহঁতৰ দেহৰ দৈৰ্ঘ্য ৬৬ৰ পৰা ৮১ ছেমি. আৰু ডেউকাৰ দৈৰ্ঘ্য ১১৬ৰ পৰা ১৫৩ ছেমি. পৰ্য্যন্ত হয়। মতা দেওহাঁহ, মাইকী দেওহাঁহতকৈ আকাৰত ডাঙৰ হয় আৰু ওজনো অধিক হয়। মতা দেওহাঁহৰ ওজন প্ৰায় ৩ৰ পৰা ৪ কিলোগ্ৰাম আৰু মাইকী দেওহাঁহৰ ওজন প্ৰায় ২ৰ পৰা ৩ কিলোগ্ৰাম হয়। প্ৰাপ্তবয়স্ক দেওহাঁহৰ গাৰ বৰণ গাঢ় ক'লা, মূৰ আৰু ডিঙি বগা। চকু ৰঙা বা সুমথিৰা বৰণৰ হয়। ডেউকাৰ দুয়োকাষে বগা আৰু ছাইবৰণৰ পাখি থাকে। পোৱালি অৱস্থাত ইয়াৰ গাৰ বৰণ মুগা হয়।

এই হাঁহবিধে কেৱল নিশাৰ ভাগতহে খাদ্য খায় বুলি জনা যায়। সাধাৰণতে সৰু মাছ, জলজ উদ্ভিদ, গছৰ গুটি, পোক-পতংগ, সাপ, ভেকুলী, শামুক, মকৰা ইত্যাদি দেওহাঁহৰ প্ৰধান খাদ্য।

দেওহাঁহ মূলতঃ চিৰসেউজীয়া বা পৰ্ণপাতী অৰণ্যৰ পানীৰ সোঁত কম থকা প্ৰাকৃতিক তথা কৃত্ৰিম জলাশয়, বিল আদিত বাস কৰে। ই গছৰ খোৰোঙত বাহ সাজি থাকে। দেওহাঁহৰ ঠোঁটটো জোঙা নহয় বাবে নিজে খোৰোং সাজিব নোৱাৰে। সেয়েহে বাঢ়ৈটোকা, ফেঁচা, টিয়া আদি চৰায়ে সজা খোৰোঙত বাস কৰে।

ভাৰতৰ ভিতৰত অসম, মেঘালয়, নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশত দেওহাঁহ পোৱা যায়। অসমৰ দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান, নামেৰী ৰাষ্ট্ৰীয় উদ্যান, ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান, মানস ৰাষ্ট্ৰীয় উদ্যান আদিৰ উপৰি কেইবাখনো সংৰক্ষিত বনাঞ্চলত দেওহাঁহৰ অৱস্থিতি আছে।

আৰ্দ্ৰভূমি আৰু অৰণ্য ধ্বংসৰ লগতে বাহ সাজিব পৰা ডাঙৰ গছৰ অভাৱ, দেওহাঁহৰ কণী ভক্ষণ, মাংস ভক্ষণ, চিকাৰ আদিৰ বাবে ইহঁতৰ সংখ্যা ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰিছে। পখীবিধ প্ৰকৃতিৰ পৰা বিলুপ্ত হোৱাৰ সম্ভাৱনাই দেখা দিছে। আই ইউ চি এন (International Union for Conservation of Nature)-এ ইহঁতক 'বিপদাপন্ন' প্ৰজাতিৰ গোটত অন্তৰ্ভুক্ত কৰিছে। জলপ্ৰদূষণ তথা কৃষিক্ষেত্ৰত অত্যধিক কীটনাশক দ্ৰব্য প্ৰয়োগেও এই প্ৰজাতিৰ জীৱসংখ্যা হ্ৰাস হোৱাত অৰিহণা যোগাইছে।

দেওহাঁহৰ সংৰক্ষণৰ বাবে ইতিমধ্যে চৰকাৰী আৰু বেচৰকাৰীভাৱে বিভিন্ন পদক্ষেপ হাতত লোৱা হৈছে। ইয়াৰ কৃত্ৰিম প্ৰজননৰ জৰিয়তে সংখ্যা বৃদ্ধি কৰি সংৰক্ষণৰ চেষ্টা কৰা হৈছে। দেওহাঁহ আৰু ইয়াৰ আবাসভূমি সংৰক্ষণৰ বাবে অসমত নামেৰী ৰাষ্ট্ৰীয় উদ্যান, দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান আৰু ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান—এই তিনিখন উদ্যান দেওহাঁহৰ সংৰক্ষিত এলেকাৰূপে স্বীকৃতি দিয়া হৈছে। চৰকাৰেও দেওহাঁহৰ সংৰক্ষণৰ ব্যৱস্থাক অধিক উৎসাহিত কৰিবলৈ দেওহাঁহক ৰাজ্যিক পক্ষী হিচাপে ঘোষণা কৰিছে। ❖

# চলচ্চিত্ৰৰ সংগীত পৰিচালক হিচাপে জুবিন গাৰ্গ

■ সীমান্ত সৌৰভ কলিতা

নৱম শ্ৰেণী

জুবিন গাৰ্গ অসম আৰু অসমীয়াৰ বাবে এক গভীৰ সত্তাৰ নাম। তেওঁৰ যি অমৰ সৃষ্টি সেয়া কেইটামান শব্দৰে লিখি শেষ কৰাটো কঠিন। তথাপি এয়া মোৰ এক প্ৰয়াস মাথোঁ। এই মহান ব্যক্তিগৰাকীৰ জন্ম হৈছিল ১৯৭২ খৃষ্টাব্দৰ ১৮ নৱেম্বৰত মেঘালয়ৰ তুৰাত। তেওঁৰ পিতৃৰ নাম মোহিনীমোহন বৰঠাকুৰ (ছদ্মনাম কপিল ঠাকুৰ)। তেওঁৰ মাতৃৰ নাম ইলি বৰঠাকুৰ। তেওঁ আমাৰ সকলোৰে মাজত জুবিন গাৰ্গ নামেৰে পৰিচিত। কিন্তু তেওঁৰ প্ৰকৃত নাম আছিল জুবিন বৰঠাকুৰ। প্ৰসিদ্ধ গীতিকাৰ জুবিন মেহতাৰ নামত জুবিনৰ নাম ৰখা হৈছিল। পাছলৈ তেওঁ নিজেই প্ৰবেশিকা পৰীক্ষাৰ সময়ত জুবিন গাৰ্গ নাম লৈছিল। তেওঁৰ দুগৰাকী ভগ্নী জংকী বৰঠাকুৰ আৰু পামী বৰঠাকুৰ।



তেওঁ সংগীতকেই নিজৰ বৃত্তি হিচাপে বাছনি কৰিছিল। ২০০৬ চনত মুক্তি পাইছিল জনপ্ৰিয় হিন্দী চলচ্চিত্ৰ গেংষ্টাৰে। তাতে জুবিন গাৰ্গে গোৱা তেওঁৰ আটাইতকৈ জনপ্ৰিয় হিন্দী গীত 'য়া আলি'য়ে দেশ-বিদেশৰ সংগীত অনুৰাগীৰ হৃদয় জয় কৰিছিল। সেই বছৰৰ 'Max Stardust Award'ত 'য়া আলি'ৰ বাবে জুবিন গাৰ্গে লাভ কৰিছিল 'New Musical Sensation–Male'ৰ বঁটা। জুবিন গাৰ্গ এজন উচ্চখাপৰ সংগীত পৰিচালকো আছিল। শচীন দেৱবৰ্মনকেই নিজৰ প্ৰিয় সংগীত পৰিচালক বুলি কৈ আহিছিল জুবিন গাৰ্গে। জুবিন গাৰ্গে সংগীত পৰিচালনা আৰম্ভ কৰিছিল 'তুমি মোৰ মাথোঁ মোৰ' নামৰ ছবিখনৰ জৰিয়তে। এই ছবিখনে ২০০০ চনত মুক্তি লাভ কৰিছিল। তেওঁ সংগীত পৰিচালনা কৰা কেইখনমান জনপ্ৰিয় অসমীয়া ছবি হ'ল—হিয়া দিয়া নিয়া (২০০০), দাগ (২০০১), নায়ক (২০০১), কন্যাদান (২০০২), জোনাকী মন (২০০২), বাৰুদ (২০০৪), ৰং (২০০৪), দীনবন্ধু (২০০৪), অধিনায়ক (২০০৬), মন যায় (২০০৪), ৰ'দৰ চিঠি (২০১৪), গানে কি আনে (২০১৬), মিছন চাইনা (২০১৭), কাঞ্চনজংঘা (২০১৯), ৰত্নাকৰ (২০১৯), প্ৰতিঘাত (২০১৯), ডক্টৰ বেজবৰুৱা (২০২৩), ৰাঘৰ (২০২৩), চিকাৰ (২০২৪), ভাইমন দা (২০২৫), ৰুদ্ৰ (২০২৫), যোদ্ধা (২০২৫) আৰু বৰ্তমান বহুল প্ৰচাৰিত জুবিন গাৰ্গৰ শেষ সৃষ্টি 'ৰৈ ৰৈ বিনালে'। তদুপৰি জুবিন গাৰ্গে বঙালী চিনেমাতো সংগীত পৰিচালনা কৰিছিল। তেওঁ সংগীত পৰিচালনা কৰা কেইখনমান বঙালী চিনেমা হ'ল— শুধু তুমি (২০০৪), মন নিয়ে (২০১০), কাছে এসো তুমি' (২০১০) আদি। তদুপৰি জুবিন গাৰ্গে সংগীত পৰিচালনা কৰা কেইখনমান হিন্দী চিনেমা হ'ল—ষ্ট্ৰিংছ (২০০৬), দিলতো দীৱানা হে (২০১৬) আদি। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ দিওঁতাসকল, ডিচেম্বৰ, ২০২৫

ৰাগিণী কাশ্যপ (সপ্তম গ), পল ভৰালী (সপ্তম গ), দৃশা ঠাকুৰীয়া (পঞ্চম ঙ)। ❖

# হৰ্ণবিল উৎসৱ

■ লিয়ন দাস
ষষ্ঠ শ্ৰেণী



১৯৬৩ চনত অসমৰ পৰা পৃথক হৈ সৃষ্টি হোৱা ৰাজ্য নাগালেণ্ড। নাগালেণ্ডক ‘State of festival’ বুলিও কোৱা হয়। তাত বহুত ধৰণৰ উৎসৱ পালন কৰা হয়। তাৰ ভিতৰত আটাইতকৈ জনপ্ৰিয় উৎসৱটো হৈছে হৰ্ণবিল উৎসৱ। হৰ্ণবিল উৎসৱৰ নাম হৰ্ণবিল (Horn-bill) অৰ্থাৎ ধনেশ পক্ষীৰ পৰা অহা। ধনেশ পক্ষীৰ বৈজ্ঞানিক নাম হ’ল বিউচেৰ’টিডি (Bucerotidae)। হৰ্ণবিল পক্ষী নগা জাতিৰ ইতিহাস, সংস্কৃতি, জীৱন পদ্ধতি আৰু ধৰ্মীয় বিশ্বাসৰ সৈতে গভীৰভাৱে জড়িত। ধনেশ পক্ষীয়ে পৰিবেশ আৰু জৈৱবৈচিত্ৰ্যৰ ক্ষেত্ৰতো এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। এই পক্ষীয়ে গছৰ বীজ বিস্তাৰণ কৰি বন সংৰক্ষণত সহায় কৰে। নাগালেণ্ডত বৰ্তমান এই চৰাই কমি গৈছে। সেয়েহে ইয়াৰ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে।

নাগালেণ্ডত বহুতো জনজাতি আছে। যেনে— আও, কেছা, চাং, আংগামী, কিয়াম, লোথা আদি। নগা যোদ্ধাই মূৰৰ টুপীত হৰ্ণবিল চৰাইৰ পাখি ব্যৱহাৰ কৰিছিল। এই পাখি হ’ল গৌৰৱ, বীৰত্ব, সৌন্দৰ্য্য আৰু সততাৰ প্ৰতীক।

নাগালেণ্ড চৰকাৰে হৰ্ণবিল উৎসৱ পতা ঠাইখন কহিমা চহৰৰ পৰা ১২ কিলোমিটাৰ দূৰত অৱস্থিত। এই গাঁওখনৰ নাম কিছামা (Kisama)। ২০০০ চনত সকলো জনজাতি এই স্থানত একগোট হৈ হৰ্ণবিল উৎসৱ আৰম্ভ কৰে। নাগালেণ্ডৰ পৰ্য্যটন বিভাগে এই উৎসৱৰ জৰিয়তে দেশ-বিদেশৰ পৰ্য্যটকক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। ‘Hornbill Festival’ নামটো আন্তৰ্জাতিক পৰ্য্যটকসকলৰ বাবে এটা সহজে চিনিব পৰা নাম হৈ পৰিছে। প্ৰতি বছৰে ডিচেম্বৰ মাহত অনুষ্ঠিত এই উৎসৱলৈ লাখ লাখ পৰ্য্যটক আহে। তেওঁলোকে নগাসকলৰ জাতীয় নৃত্য, গীত, বস্ত্ৰ, পৰম্পৰাগত খাদ্য, হস্তশিল্প, খেলা-ধূলা, পৰম্পৰাগত যুদ্ধকলা আদি উপভোগ কৰে।

এই উৎসৱ ৰাতিপুৱাৰ পৰা আৰম্ভ হয়। দুপৰীয়া সময়ত কিছু সময় বিৰতি হয়। খোৱা-বোৱাৰ অন্তত উৎসৱটো পুনৰ আৰম্ভ হয়। ৰাতি সাংস্কৃতিক অনুষ্ঠানো অনুষ্ঠিত হয়।

এই উৎসৱৰ আকৰ্ষণসমূহ হ’ল নৃত্য-গীত পৰিৱেশন, খাদ্য সম্ভাৰৰ বিপণিসমূহ, ফুলৰ প্ৰদৰ্শনী, সৌন্দৰ্য্য প্ৰতিযোগিতা, নগা মল্ল যুঁজ, পৰম্পৰাগত খেল-ধেমালি আৰু সংগীতানুষ্ঠানসমূহ। এই উৎসৱত নগা মৰুংসমূহৰো প্ৰদৰ্শন কৰা হয়। ❖

**টোকা :** *মৰুং নগাসকলৰ অবিবাহিত ডেকাসকলে একেলগে থকা এক প্ৰকাৰৰ ঘৰ তথা সামাজিক অনুষ্ঠান।*

## চুড’কুৰ শুদ্ধ উত্তৰ দিওঁতাসকল, ডিচেম্বৰ, ২০২৫

১। ময়ূৰী তালুকদাৰ (সপ্তম ক), ২। অসীম কুমাৰ নাথ (ষষ্ঠ ক) ৩। প্ৰিঞ্চ কলিতা (ষষ্ঠ ঘ) ৪। নৰজিৎ কলিতা (নৱম ঘ), ৫। নয়নাভ হালৈ (সপ্তম গ), ৬। চৈয়দ নুয়াম জাকি (ষষ্ঠ ক)।

## ৰং

■ বৈশালী শৰ্মা
ষষ্ঠ শ্ৰেণী

ৰং ৰং নানা ৰং
খেলি ভাল পাওঁ
নানাৰঙী পখিলা চাই দুচকু জুৰাওঁ।
শিলে শিলে ঠেকা খাই
নদী বৈ যায়
মোৰ মনটো সদায়
তালৈকে উৰি যায়। ❖



## যদি নহয়

■ বৰষা শৰ্মা
পঞ্চম শ্ৰেণী

ভবা কামবোৰ যদি
ঠিকমতে নহয়,
ভাগি নপৰিবা
আৰু আছে সময়।

নিশ্চয় ওলাব
সমস্যাৰ সমাধান,
সেই সমস্যা পলকতে
হ'ব অন্তৰ্ধান।

চেষ্টাৰ অসাধ্য একোৱেই নাই
এই কথা ৰাখিবা মনত
ধৈৰ্য্যেৰে কৰি যাবা সকলো কাম
নকৰিবা খঙৰ ভমকত। ❖

## সোঁৱৰণ


■ প্ৰদ্যুম্ন ডেকা
দশম শ্ৰেণী

এজন বৃদ্ধ
এটা জীৱনৰ ধ্বংসাৱশেষৰ
জীৱন্ত ৰূপ
যেন নিৰুদ্বিগ্ন, অপ্ৰত্যাশিত ক্ষণত
এগৰাকী নিৰাশ কুমাৰে গঢ়া মৃণ্ময়
মানুহজনে এঠাইত বৈ আছে
সন্মুখত অগ্নিদগ্ধ আন এটি
সমাপ্ত জীৱন
নিয়তিয়ে লৈ গ'ল তেওঁৰ
জৰাজীৰ্ণ জীৱনৰ সমভাগীগৰাকীক
তথাপি সেই জীৱনৰ ফুলপাহ
মৰহি যোৱা নাই
এটা ভোটা তৰাৰ মৃদু উজ্জ্বলতাই
জীয়াই ৰাখে ফুলপাহ
আজিও আছে
কেতিয়াবা সেই উজ্জ্বলতাত জিলিকি উঠে
এযোৰ অশ্ৰুসিক্ত চকু
কিয়নো হৃদয়ংগম কৰা ফুলপাহে
আজিও বোৱাই আনে এছাটি সুবাস
যি সুবাসে তেওঁলৈ আনে
বহু সোঁৱৰণ
কিন্তু সোঁৱৰণীৰ মিঠা ভাঁজত
সিক্ত হৃদয় আজি কোনোবাখিনিত ৰিক্ত ❖

# পঢ়ুৱৈৰ টোকা

■ **দেৱাংগনা বৰঠাকুৰ**
ষষ্ঠ শ্ৰেণী

**কিতাপৰ নাম : কাজিৰঙা**
**লেখক : পুলিন কলিতা**
**প্ৰকাশক : অসম শিশু সাহিত্য ন্যাস**
**মূল্য : ৪০.০০ টকা**




অসমৰ ৰাষ্ট্ৰীয় উদ্যানসমূহৰ ভিতৰত কাজিৰঙা অন্যতম। 'কাজিৰঙা' এই কিতাপখনৰ পৰা মই বহুতো নজনা কথা জানিব পাৰিলোঁ। এই কিতাপখনক সকলো বয়সৰ পঢ়ুৱৈ তথা সাধাৰণ পৰ্য্যটকৰ হাতপুথি বুলিও ক'ব পৰা যায়। পৃথিৱীৰ পৰ্য্যটন মানচিত্ৰত কাজিৰঙাৰ সমান গুৰুত্ব অসমৰ কোনো ঠায়েই ল'ব পৰা নাই। লেখকে এইটো কথাও উল্লেখ কৰিছে যে কাজিৰঙাক লৈ অসমে গৌৰৱ কৰিব পাৰে।

১৯৭৪ চনৰ ১১ ফেব্ৰুৱাৰীত কাজিৰঙাক ৰাষ্ট্ৰীয় উদ্যানৰ মৰ্য্যাদা প্ৰদান কৰা হয়। কাজিৰঙাত বাঘৰ ঘনত্ব বিশ্বৰ ভিতৰতে সৰ্বাধিক। এই কথাৰ প্ৰতি লক্ষ্য ৰাখিয়েই ২০০৬ চনত ভাৰত চৰকাৰে কাজিৰঙাক ব্যাঘ্ৰ প্ৰকল্পৰ অধীনস্থ কৰে।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বহুতো বিশেষত্ব আছে। তাৰে ভিতৰত 'বিগ ফাইভ' অন্যতম। সেই 'বিগ ফাইভ' হৈছে পাঁচবিধ জন্তু। সেইসমূহ হ'ল—এটা খড়গযুক্ত গঁড়, ঢেঁকীয়াপতীয়া বাঘ, এছীয় হাতী, বনৰীয়া ম'হ আৰু দল হৰিণ। উল্লিখিত এই সকলোবোৰ জন্তুৱেই হৈছে স্তন্যপায়ী। এই পাঁচবিধ স্তন্যপায়ী প্ৰাণী পৃথিৱীৰ কোনো অৰণ্যত একেলগে দেখিবলৈ পোৱা নাযায়। তদুপৰি এই স্তন্যপায়ী জন্তু পাঁচবিধ পৃথিৱীৰ ভিতৰতে সৰ্বাধিকসংখ্যক কাজিৰঙাতেই একত্ৰিত হৈ আছে। তদুপৰি ইয়াত ঘঁৰিয়াল, কাছ, জেঠী, সাপজাতীয় সৰীসৃপৰো প্ৰায় ৩৯টা প্ৰজাতি পোৱা যায়।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পোৱা এবিধ উল্লেখযোগ্য প্ৰাণী হৈছে চৰাই। তদুপৰি কাজিৰঙা হৈছে বিভিন্ন পৰিভ্ৰমী চৰাইৰ বিচৰণস্থলী। চৰাইৰ সংখ্যাধিক্য আৰু বৈচিত্ৰ্যৰ প্ৰতি লক্ষ্য ৰাখিয়েই 'বাৰ্ড লাইফ ইণ্টাৰনেছনেল' (Bird life international) পৰ্য্যবেক্ষণকাৰী সংস্থাটোৱে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক 'গুৰুত্বপূৰ্ণ পক্ষী কেন্দ্ৰ' হিচাপে আখ্যা দিছে।

কাজিৰঙাত তিনি প্ৰকাৰৰ উদ্ভিদ পোৱা যায়—ডাঙৰ ডাঙৰ বৃক্ষ, গুল্ম বা জোপোহা গছ আৰু ঘাঁহ। এইখিনিতে লেখকে এটা কথা উল্লেখ কৰিছে—"কাজিৰঙাৰ চৰাইৰ বিষয়ে যিমান চৰ্চা হৈছে সিমান চৰ্চা জন্তুবোৰৰ বিষয়ে হোৱা নাই, আনহাতে উদ্ভিদৰ বিষয়ে চৰ্চা হৈছে একেবাৰে কম।"


কাজিৰঙাৰ সমস্যাও আছে। তাৰে কিছুমান মানুহে সৃষ্টি কৰা, আন কিছুমান প্ৰাকৃতিক। মানুহে সৃষ্টি কৰা সমস্যাৰ ভিতৰত প্ৰধান হ'ল ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ, চোৰাং চিকাৰ, পৰ্য্যটক আৰু হোটেলৰ সংখ্যা বৃদ্ধি। আনহাতে প্ৰাকৃতিক সমস্যাসমূহ হ'ল—খহনীয়া, তৃণভোজী জন্তুৰ অখাদ্য লাজুকীলতাৰ বৃদ্ধি আৰু বান। এই সমস্যাবোৰ সমাধান কৰাটো কাজিৰঙাৰ ভৱিষ্যতৰ বাবে খুবেই প্ৰয়োজনীয়। উল্লেখযোগ্য যে কিতাপখনত কাজিৰঙাত পোৱা কিছুমান উদ্ভিদ, জন্তু, চৰাই আদিৰ নামসহ ফটোও আছে। সঁচাকৈয়ে এই কিতাপখন যিসকলে পঢ়ে, তেওঁলোক নিশ্চয় উপকৃত হ'ব। ❖

# ৫৯ সংখ্যক জ্ঞানপীঠ বঁটা লাভ কৰা ব্যক্তিজন

■ দিশ্ৰু ৰুদ্ৰাণী
নৱম শ্ৰেণী

''मैं नहीं जानता धरती की
मुझे यह भी नहीं मालूम
कि मैं कितनों को नहीं जानता
सब आत्मीय हैं।''

—বিনোদ কুমাৰ শুক্লা



২০২৪ চনৰ ৫৯ সংখ্যক জ্ঞানপীঠ বঁটা লাভ কৰা বিনোদ কুমাৰ শুক্লা হৈছে হিন্দী ভাষাৰ এগৰাকী কবি, ঔপন্যাসিক আৰু গল্পকাৰ। তেওঁৰ প্ৰতিখন গ্ৰন্থই যেন ভাৰতীয় সাহিত্যৰ বাবে একো একোটা অলংকাৰ। ১৯৩৭ চনৰ ১ জানুৱাৰীত ছত্তীশগড়ৰ ৰাজনান্দ গাঁৱত বিনোদ কুমাৰ শুক্লাৰ জন্ম হৈছিল। বিনোদ কুমাৰ শুক্লাই ১৯৯৪ চনৰ পৰা ১৯৯৬ চনলৈকে আগ্ৰাৰ নীৰালা সৃজনপীঠত অতিথি সাহিত্যিক হিচাপে কাম কৰিছিল। এই সময়ছোৱাতেই তেওঁ দুখন গ্ৰন্থ ৰচনা কৰিছিল। সেই গ্ৰন্থ দুখন হ'ল 'খিলেগা তো দেখোংগে' আৰু 'দীৱাৰ মেই এক খিৰকী ৰহটি থী'। ১৯৯৯ চনত তেওঁ 'দীৱাৰ মেই এক খিৰকী ৰহটি থী' শীৰ্ষক গ্ৰন্থখনৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল। এই গ্ৰন্থখনত তেওঁ এগৰাকী কলেজ শিক্ষক ৰঘুবৰ প্ৰসাদৰ জীৱনৰ এক সুন্দৰ বৰ্ণনা দাঙি ধৰিছে। ৰঘুবৰ প্ৰসাদৰ ভাৰাঘৰৰ দেৱালত থকা খিৰিকীখনৰ এফালে আছিল তেওঁৰ ঘৰ আৰু খিৰিকীখনৰ আনফালে আছিল পুখুৰী, গছ-গছনিৰে ভৰা এখন সুন্দৰ আৰু বেলেগ পৃথিৱী। এই গ্ৰন্থখন ২০০৫ চনত ড্যুক (Duke) বিশ্ববিদ্যালয়ৰ অধ্যাপক সত্তী খান্নাই ইংৰাজীলৈ অনুবাদ কৰিছিল আৰু নাম দিছিল 'এ উইণ্ডো লিভড ইন এ ৱাল'।

তেওঁৰ ৰচনাসমূহৰ ভিতৰত 'নৌকৰ কি কমীজ' শীৰ্ষক গ্ৰন্থখনো অন্যতম। এই গ্ৰন্থখনত তেওঁ ভাৰতীয় লোকৰ জীৱন সংগ্ৰামৰ এখন ছবি প্ৰতিফলিত কৰিছে। সামাজিক শোষণৰ বলি হোৱা সন্তু বাবুৰ জীৱন কাহিনীক তেওঁ সুন্দৰভাৱে গ্ৰন্থখনৰ মাজেৰে পোহৰাই তুলিছে।

একতাৰা-তক্ষশীলাৰ চেণ্টাৰ ফৰ চিলড্ৰেনছ লিটাৰেচাৰ এণ্ড আৰ্টে তেওঁক শিল্পীৰ আবাস কাৰ্য্যসূচীত অন্তৰ্ভুক্ত কৰি সন্মান জ্ঞাপন কৰে আৰু সেই সময়তে তেওঁ ৰচনা কৰে 'এক চুপ্পী জগাহ' নামৰ সুন্দৰ উপন্যাসখন।

এই গ্ৰন্থখনৰ দৃষ্টিভংগী আন গ্ৰন্থতকৈ অকণমান ব্যতিক্ৰমী। 'এক চুপ্পী জগাহ' গ্ৰন্থখনত তেওঁ উল্লেখ কৰিছিল এখন হাবিৰ কথা। যিখন হাবি বহুতো দুখদায়ক ঘটনাৰ বাবে শান্ত হৈ পৰিছিল। কিন্তু সেই হাবিখনক পুনৰ সুখেৰে ওপচাই পেলাবলৈ যত্ন কৰিছিল এচাম শিশুৱে। এই গ্ৰন্থখনত প্ৰকাশ পাইছিল এখন সুন্দৰ কাল্পনিক পৃথিৱী, যি ভৰি আছিল জীৱ-জন্তুৰ মাত, মানৱতা আৰু সুখেৰে।

এই গ্ৰন্থখনো ইংৰাজী ভাষালৈ অনুবাদ কৰা হৈছে। সত্তী খান্নাই এই গ্ৰন্থখন অনুবাদ কৰি নাম দিছিল—'A Silent Place'।

এখন দেশৰ সংস্কৃতি ৰক্ষা কৰে সেই দেশখনৰ সাহিত্যই। ভাৰতবৰ্ষৰ সাহিত্য আটাইতকৈ মনোৰম। কিয়নো আমাৰ দেশখনত বিভিন্ন জাতি-জনগোষ্ঠী, ধৰ্মৰ লোকে বাস কৰে। আমাৰ ভাৰতীয় সাহিত্য তথা হিন্দী সাহিত্যক আৰু উজলাই তুলিছে বিনোদ কুমাৰ শুক্লাৰ লেখনীসমূহে। তেওঁৰ অৱদান প্ৰকৃততেই ভাৰতীয় সাহিত্যৰ ভূষণস্বৰূপ। ভাৰতীয় সাহিত্যৰ এইগৰাকী বিশিষ্ট সাহিত্যিকৰ চলিত বছৰৰ ২৩ ডিচেম্বৰ তাৰিখে মৃত্যু হয়। ❖

## মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন

1. এটা মাহৰ পঞ্চম দিনটো মঙলবাৰ। সেইটো মাহৰ তৃতীয়টো শুক্ৰবাৰৰ 3 দিন পাছত কিমান তাৰিখ হ'ব?

   a) 22  b) 19  c) 18  d) 17

2. সীমাৰ ভায়েক শুভম সীতাতকৈ ডাঙৰ। শ্বেতা দীপ্তিতকৈ সৰু কিন্তু সীমাতকৈ ডাঙৰ। আটাইতকৈ ডাঙৰ কোন?

   a) দীপ্তি  b) সীমা  c) শ্বেতা  d) সীতা

3. ৰক্তিম আৰু তেওঁৰ খুৰাকৰ বয়সৰ পাৰ্থক্য 30 বছৰ। 7 বছৰ পাছত তেওঁলোকৰ বয়সৰ যোগফল 66 বছৰ হ'বগৈ। খুৰাকৰ বৰ্তমান বয়স কিমান?

   a) 51  b) 41  c) 49  d) 39

4. এটা শ্ৰেণী পৰীক্ষাত নীহাৰৰ স্থান শীৰ্ষৰ পৰা সপ্তম আৰু নিম্নৰ পৰা (তলৰ ফালৰ পৰা) 26 তম। শ্ৰেণীটোত মুঠতে কিমানগৰাকী ছাত্ৰ-ছাত্ৰী আছে?

   a) 34  b) 31  c) 32  d) 33

5. যদি A = 1, ACE = 9 তেন্তে ART = ?

   a) 38  b) 10  c) 39  d) 29

6. খালী ঠাইত কি সংখ্যা বহিব?

   1, 3, 7, 5, 31, ?

   a) 63  b) 37  c) 36  d) 73

7. '?' চিন দিয়া ঠাইত কি সংখ্যা বহিব?

   2, 8, 18, 32, 50, ?

   a) 68  b) 64  c) 72  d) 70

8. YVP, WTN, URL, ?

   a) TQL  b) VSP  c) SRJ  d) SPJ

9. কোনো এটা সংকেতত যদি PARK ক 5394 ৰে, SHIRT ক 17698 ৰে, PANDIT ক 532068 ৰে বনোৱা হয়, তেন্তে NISHAR ক কিদৰে বুজোৱা হ'ব?

   a) 261739  b) 266734  c) 231954  d) 201739

**উত্তৰসমূহ :** 1. c  2. a  3. b  4. c  5. c  6. a  7. c  8. d  9. a

# The Baader Meinhof Phenomenon : When You Notice Something Everywhere

**■ Bhaktimala Saikia**

It often happens that after learning a new word, it seems to appear everywhere-in books, on signboards or in conversations. This experience is called the Baader-Meinhof Phenomenon, also known as Frequency Illusion.

The Baader-Meinhof Phenomenon happens when something you learn or notice for the first time suddenly seems to appear again and again. It feels like the world is repeating it on purpose but actually it is your brain playing a trick.

Two smart brain habits cause this– Selective Attention and Confirmation Bias. Once your brain learns something new, it becomes alert to it. So you notice it more, even though it was always around. When you spot it again, your brain gets excited and thinks that it knew this was everywhere.

For example, imagine one of your friends buys a yellow bicycle. You never really noticed yellow bicycles before. But from the next day, you start seeing yellow cycles on roads, in parks and even in movies. It is not that more yellow bicycles suddenly appeared. It is just that you started noticing them.

This phenomenon shows how powerful and interesting our brains are. It also teaches us that sometimes what feels like a coincidence is just our mind focusing on new information. ❖

# The Immortal Jellyfish

Did you know there is a jellyfish that can live forever ? It is called the Immortal Jellyfish. Scientists call it Turritopsis dohrnii and it is only about the size of your fingernail i.e. only about 4-5 millimetres wide. It lies in warm and cool oceans around the world.



This Immortal Jellyfish has a special ability. When it gets injured, feels threatened or even becomes old, it turns itself back into a baby. It changes its body completely and goes back to its earliest stage, called a polyp. From this baby-like form, it grows into an adult jellyfish again. And if danger comes again, it can repeat the cycle.

The process is called transdifferentiation which means its cells can change into new types of cells-like turning skin cells into muscle cells. Even scientists find this incredible.

Researchers study this jellyfish because it might help us understand how cells repair themselves, why we age, how to heal injuries better.


Although the jellyfish may not truly live forever as it can be eaten by predators, its ability to reverse its age makes it one of the most fascinating creatures on Earth. ❖

## Stories from World Classics

# Journey to the Center of the Earth

**■ Papari Kalita**

*Jules Verne's "Journey to the Center of the Earth" stands as a seminal work in the canon of nineteenth-century science fiction, seamlessly blending scientific speculation with high adventure. First published in 1864, the novel reflects Verne's deep fascination with geology, astronomy, and the spirit of exploration that characterized the scientific optimism of his era. Journey to the Center of the Earth is an exciting science-fiction and adventure novel where the story takes readers on a thrilling journey deep inside the Earth.*
*Each character of the novel is different and plays an important role in the story.*




**The main characters of this novel are : Axel :** Axel is the novel's narrator. He is the nephew and assistant of renowned geologist Otto Lidenbrock, who raised Axel after he was orphaned as a child.

**Professor Otto Lidenbrock :** Professor Lidenbrock is an eccentric geologist and Axel's uncle. He is entirely devoted to science, which he often prioritizes over the people around him.

**Hans Bjelke :** Hans is an Icelandic eider duck hunter whom Lidenbrock employs to guide himself and Axel on their journey.

**Arne Saknussemm :** Arne Saknussemm is a 16th-century Icelandic alchemist. (a person who transforms or creates something through a seemingly magical process).

**Gräuben :** Gräuben is Axel's fiancée and Lidenbrock's ward. She is 17 years old and shares Axel's interest in mineralogy.

**Martha :** Martha is Lidenbrock's housekeeper. She is a dutiful servant, but she often worries about her employer's peculiarities.

**Professor Fridrikson :** Professor Fridrikson is an Icelandic professor of natural science who hosts Axel and Lidenbrock when they arrive in Iceland.

The story begins in Hamburg, 1863. Professor Otto Lidenbrock, an eccentric and brilliant mineralogist, discovers a coded parchment in an old Icelandic manuscript. Axel accidentally discovers the key, the message is written in Latin but must be read backward. It reveals the path to the center of the Earth via the volcano Snæfellsjökull. With the help of his reluctant nephew, Axel, they decipher the message. It was written by Arne Saknussemm, a 16th-century alchemist who claims to have reached the center of the Earth.

The message which reveals the secret entrance goes like this :

"Descend bold traveller, into the crater of Jökull of Snaefell, which the shadow of Scartaris touches before the Kalends (the first day of the month in the ancient Roman calendar) of July, and you will attain the centre of the earth. I did it." *(Contd.)*

# এক্সক্লুছিভ ইক’নমিক জ’ন

■ মানসী বৰুৱা




বিশ্বৰ সমুদ্ৰসমূহ কেৱল পানীৰ আধাৰেই নহয়, ই অসংখ্য সম্পদেৰে পৰিপূৰ্ণ। এই সম্পদসমূহৰ সংৰক্ষণ আৰু ব্যৱহাৰ নিশ্চিত কৰিবলৈ বিভিন্ন আন্তঃৰাষ্ট্ৰীয় নীতি-নিয়ম অথবা আইন প্ৰণয়ন কৰা হৈছে। তেনে এক আইনৰ অধীনৰ এক গুৰুত্বপূৰ্ণ ধাৰণা হ’ল Exclusive Economic Zone, অৰ্থাৎ একচেটিয়া অৰ্থনৈতিক অঞ্চল, চমুকৈ EEZ (ইইজেড)। ১৯৮২ চনৰ ৰাষ্ট্ৰসংঘৰ সমুদ্ৰ আইনৰ (UNCLOS, United Nations Convenation on the Law of the Sea) অধীনত ইইজেড ধাৰণাটোৱে আনুষ্ঠানিকভাৱে স্বীকৃতি লাভ কৰে।

**ইইজেডৰ সংজ্ঞা** : ইইজেড বুলিলে কোনো সাৰ্বভৌম ৰাষ্ট্ৰৰ উপকূলৰ পৰা ২০০ নটিকেল মাইল (৩৭০ কিমি.) পৰ্য্যন্ত বিস্তৃত সমুদ্ৰাঞ্চলক বুজোৱা হয়, য’ত সেই ৰাষ্ট্ৰই প্ৰাকৃতিক সম্পদৰ অনুসন্ধান, সংৰক্ষণ আৰু ব্যৱস্থাপনাৰ একচেটিয়া অধিকাৰ লাভ কৰে। অৰ্থাৎ ইইজেড সমুদ্ৰৰ এনে এক এলেকা য’ত এখন সাৰ্বভৌম ৰাষ্ট্ৰৰ পানী আৰু বায়ুৰ পৰা শক্তি উৎপাদন, সামুদ্ৰিক সম্পদৰ অনুসন্ধান আৰু ব্যৱহাৰৰ অধিকাৰ থাকে। এই এলেকাত ৰাষ্ট্ৰৰ নৌ চলাচল আৰু আকাশ মাৰ্গেৰে বিমান চলাচলৰ অধিকাৰ থাকে। ইইজেডৰ ভিতৰত ৰাষ্ট্ৰখনৰ জীৱন্ত সম্পদ সংৰক্ষণৰ অধিকাৰ থাকে আৰু সামুদ্ৰিক বৈজ্ঞানিক গৱেষণা আৰু প্ৰদূষণ নিয়ন্ত্ৰণ কৰাৰ কৰ্তৃত্ব থাকে।

**ইইজেডৰ ধাৰণাৰ বিকাশ** : বিশ্বৰ উপকূলীয় ৰাষ্ট্ৰসমূহক সীমান্তবৰ্তী জলৰাশিৰ নিৰ্দিষ্ট সীমাৰ ভিতৰত সাৰ্বভৌম অধিকাৰ প্ৰদান কৰি দেশসমূহৰ মাজত সম্ভাব্য বিবাদ নিষ্পত্তি কৰিবলৈ ৰাষ্ট্ৰসংঘৰ তৃতীয় সাগৰীয় আইন সন্মিলনত (১৯৭৩-৮২) একচেটিয়া অৰ্থনৈতিক অঞ্চলৰ ধাৰণাটো প্ৰবৰ্তন কৰা হৈছিল। ইইজেড স্থাপনৰ উদ্দেশ্য আছিল মাছ ধৰা আৰু শক্তি উৎপাদনৰ দৰে সাগৰৰ পাৰৰ উদ্যোগক লৈ হোৱা বিবাদ নিষ্পত্তি কৰা।

১৯৯৪ চনত UNCLOSৰ অনুমোদন লাভ কৰাৰ পাছৰ পৰাই ইইজেডৰ স্বাক্ষৰকাৰী দেশৰ সংখ্যা ১৫০খনতকৈও অধিক বৃদ্ধি পাইছে। ইইজেড অঞ্চলে প্ৰায় ৪২ শতাংশ মহাসাগৰ সামৰি লৈছে। ইইজেডৰ সীমাৰ বাহিৰৰ অঞ্চলক উচ্চ সাগৰৰ ভূখণ্ড বুলি গণ্য কৰা হয়, যিবোৰ অঞ্চল সকলো দেশৰ ব্যৱহাৰৰ বাবে মুকলি।

এখন ৰাষ্ট্ৰৰ ইইজেড অৰ্থাৎ একচেটিয়া অৰ্থনৈতিক অঞ্চলৰ মৎস্য, তেল-গেছ, খনিজ সম্পদ আদি ব্যৱহাৰ কৰাৰ অধিকাৰ সম্পূৰ্ণভাৱেই সেই উপকূলীয় দেশৰ। বিদেশী দেশ বা জাহাজে এই অঞ্চলত উপকূলীয় দেশৰ অনুমতি নোহোৱাকৈ মাছ ধৰা, খনিজ সম্পদ আহৰণ কৰা বা অন্য কোনো অৰ্থনৈতিক কাৰ্য্যকলাপ কৰিব নোৱাৰে। উদাহৰণস্বৰূপে, ভাৰতৰ ইইজেডৰ ভিতৰত কেৱল ভাৰতীয় নাগৰিকে বা ভাৰত চৰকাৰে অনুমতি দিয়া জাহাজেহে মাছ ধৰিব পাৰে।

**ইইজেডত ভাৰতৰ অধিকাৰ—**

১। **মৎস্য সম্পদৰ ব্যৱহাৰ** : ভাৰতে ইয়াৰ ইইজেড অঞ্চলত সাগৰত থকা বিভিন্ন ধৰণৰ মাছ আৰু সামুদ্ৰিক প্ৰাণীৰ চিকাৰ, উৎপাদন আৰু ব্যৱসায় কৰিব পাৰে।

২। **খনিজ সম্পদ আহৰণ আৰু শক্তি উৎপাদনৰ অধিকাৰ** : ভাৰতবৰ্ষই এই অঞ্চলৰ সমুদ্ৰতলিত থকা পেট্ৰ’লিয়াম, প্ৰাকৃতিক গেছ, হাইড্ৰ’কাৰ্বন, মিথেন হাইড্ৰেট, পলিমেটেলিক নোডিউল (polymatellic nodule) আদি আহৰণ কৰিব পাৰে।

৩। **বৈজ্ঞানিক গৱেষণাৰ অধিকাৰ** : ইইজেডত ভাৰতে সমুদ্ৰবিজ্ঞান, সামুদ্ৰিক জীৱবিজ্ঞান আৰু পৰিবেশ সম্পৰ্কীয় গৱেষণা কৰিব পাৰে।

৪। **সংৰক্ষণ আৰু পৰিচালনাৰ অধিকাৰ :** ইইজেডৰ ওপৰত একচেটিয়া অধিকাৰ থকাৰ বাবে সাগৰীয় সম্পদৰ অত্যধিক আহৰণ আৰু লুণ্ঠন ৰোধ কৰি সম্পদ সংৰক্ষণৰ কৰিব পাৰে।

৫। **পৰিবহণ আৰু যোগাযোগ :** ইইজেডৰ অন্তৰ্গত সমুদ্ৰ তলত কেব্‌ল (cable) আৰু পাইপলাইন (pipeline) স্থাপনৰ জৰিয়তে আন দেশৰ সৈতে যোগাযোগ আৰু শক্তি সৰবৰাহৰ কৰিব পাৰে।

**ইইজেডৰ গুৰুত্ব**

১। **আৰ্থ-সামাজিক উন্নয়ন :** ইইজেড অঞ্চলৰ সম্পদৰ ব্যৱহাৰে ৰাষ্ট্ৰীয় অৰ্থনীতিৰ উন্নয়নত সহায় কৰে। বিশেষকৈ মীন শিল্প, খনিজ সম্পদ আহৰণ আৰু সামুদ্ৰিক পৰ্য্যটন উন্নয়নৰ ক্ষেত্ৰত ই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সামুদ্ৰিক মাছ ধৰা, তেল আৰু প্ৰাকৃতিক গেছৰ খনন আদিৰ জৰিয়তে ৰাষ্ট্ৰৰ ৰাজহ সংগ্ৰহ হয়।

২। **ৰাষ্ট্ৰীয় সুৰক্ষা :** ইইজেডৰ ওপৰত ৰাষ্ট্ৰৰ একচেটিয়া অধিকাৰ থকাৰ বাবে ইয়াৰ ওপৰত সতৰ্ক দৃষ্টি ৰাখি কোনো বিদেশী অনুপ্ৰবেশ বা সম্পদ লুণ্ঠন ৰোধ কৰিব পাৰি।

৩। **বৈজ্ঞানিক গৱেষণা :** সমুদ্ৰ বিজ্ঞান আৰু জলজ জৈৱবৈচিত্ৰ্যৰ অধ্যয়ন আৰু সংৰক্ষণৰ বাবে ইইজেডে এক পৰিসীমা নিৰ্ধাৰণ কৰে। DRDO (Defence Research and Development Organisation), ISRO (Indian Space Research Organisation), NIO (National Institute of Oceanography) আদিয়ে ইইজেডত সমুদ্ৰ বিজ্ঞান আৰু প্ৰযুক্তি বিষয়ক গৱেষণা চলায়।

৪। **সুৰক্ষা :** ভাৰতীয় নৌসেনাই জলদস্যুৰ পৰা, অবৈধ মাছ ধৰা আদি কাৰ্য্যৰ পৰা ইইজেডক ৰক্ষা কৰে।

৫। **আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক :** ই সামুদ্ৰিক সম্পদৰ ব্যৱহাৰৰ ক্ষেত্ৰত অন্য দেশৰ সৈতে সহযোগিতা আৰু চুক্তি স্থাপন কৰাত সহায় কৰে।

৬। **আত্মনিৰ্ভৰশীলতা :** ইইজেডে শক্তি, সম্পদ আহৰণ আৰু খাদ্য সংগ্ৰহৰ ক্ষেত্ৰত দেশক স্বনিৰ্ভৰশীলতা প্ৰদান কৰে।

ভাৰতৰ এক্সক্লুছিভ ইক'নমিক জ'ন দেশৰ বাবে এক সাগৰীয় সম্পদৰ ভঁৰাল। ইয়াৰ সঠিক ব্যৱহাৰ, সংৰক্ষণ আৰু নিৰাপত্তাই ভাৰতক অৰ্থনৈতিক, কৌশলগত আৰু পাৰিবেশিক দিশত অধিক শক্তিশালী কৰি তুলিব বুলি আশা কৰিব পাৰি। ❖

## পুথি পৰিচয়


# ৱাৰ এণ্ড পিচ

■ অৰ্পিতা দেৱী

ৰুছ সাহিত্যৰ গ্ৰেণ্ড মাষ্টাৰৰূপে খ্যাত লিঅ' টলষ্টয়ৰ (সম্পূৰ্ণ নাম কাউণ্ট লিঅ' নিকোলায়েভিচ টলষ্টয়) দ্বাৰা ৰচিত 'বিশ্ব সাহিত্যৰ সৰ্বশ্ৰেষ্ঠ' উপন্যাস 'ৱাৰ এণ্ড পিচ'। কিতাপখনৰ ৰাছিয়ান ভাষাত নামটো হ'ল 'Voina i mir', যাৰ অৰ্থ হৈছে 'যুদ্ধ আৰু শান্তি' (War and Peace)। কিন্তু টলষ্টয়ে কিতাপখন লিখাৰ সময়ত আচলতে কি বুজাব বিচাৰিছিল সেই সম্পৰ্কে মতানৈক্য আছে। কিয়নো ইয়াৰ অৰ্থ 'যুদ্ধ আৰু সমাজ'ও হ'ব পাৰে, যিহেতু ৰাছিয়ান ভাষাত 'শান্তি' আৰু 'সমাজ' সমাৰ্থক।

১৮১২ চনৰ জুন মাহত ফৰাচী সম্ৰাট নেপোলিয়নে ৬ লাখ সৈন্যবাহিনী লৈ ৰাছিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে আৰু মস্কো (ৰাজধানী) দখল কৰে। কিন্তু যুদ্ধৰ ডেৰ বছৰ পাছতেই নেপোলিয়ন ৰাছিয়াৰ পৰা আঁতৰি যায় আৰু মাত্ৰ ৩০ হাজাৰ সৈনিকহে ৰাছিয়াত ৰৈ যায়। এই বিখ্যাত ৰাছিয়া-ফ্ৰান্স যুদ্ধৰ পটভূমি লৈ লিঅ' টলষ্টয়ে ডেৰ শতিকাৰ পাছত ছবছৰ সময় লৈ বিভিন্ন চৰিত্ৰৰ সহায়ত এই গ্ৰন্থখন লিখিছিল। টলষ্টয়ে প্ৰথমতে যুদ্ধৰ সন্মুখীন হোৱা অভিজাত পৰিয়ালসমূহৰ বিষয়ে মাত্ৰ কেইটামান কাহিনীহে লিখাৰ পৰিকল্পনা কৰিছিল, কিন্তু ১৮০৫ৰ পৰা ১৮১২ চনলৈকে হোৱা ডাঙৰ যুদ্ধসমূহ বিশেষকৈ 'অষ্টাৰলিটজ' (১৮০৫) আৰু 'ব'ৰ'

ডিনো' (১৮১২) যুদ্ধৰ বিশদ বৰ্ণনাৰ বাবে অজ্ঞাতে কিতাপখনৰ পৃষ্ঠাৰ সংখ্যা বৃদ্ধি হয়। যুদ্ধৰ নিৰ্দিষ্ট পৰিঘটনাসমূহক কিতাপখনৰ মূল চৰিত্ৰ, যেনে—আন্দ্ৰে বলকনস্কি (Andrew Bolkonski), পিয়েৰ বেজুখভ (Pierre Bezukhov) আৰু নাটাছা ৰষ্ট'ভৰ (Natasha Rostova) দ্বাৰা উজ্জ্বল কৰি তোলা হৈছে।




দস্তয়েভস্কিৰ দৰে আন ৰাছিয়ান ঔপন্যাসিকৰ বিপৰীতে টলষ্টয়ে চিত্ৰিত কৰা চৰিত্ৰবোৰ যথেষ্ট সাধাৰণ। নাটাছা ৰষ্টভ বা পিয়েৰ বেজুখভৰ দৰে চৰিত্ৰৰ সৈতে সম্পৰ্ক স্থাপন কৰাটো বহুতৰে বাবে সহজ। চৰিত্ৰসমূহৰ স্বাভাৱিকতাৰ জৰিয়তে টলষ্টয়ে দৈনন্দিন জীৱনৰ অসাধাৰণতাক অধিক বিস্তৃতভাৱে প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। উদাহৰণস্বৰূপে, উপন্যাসৰ অন্যতম কেন্দ্ৰীয় চৰিত্ৰ নিকোলাই ৰষ্টভে জুৱা খেলি ঋণত পোত গৈ বিধ্বস্ত হৈ ঘৰলৈ আহে। আত্মহত্যাৰ চিন্তাত ডুবি থকা মানুহজনে ভনীয়েক নাটাছাৰ গান শুনিবলৈ পায়। তাইৰ গান সি আগতেও অগণনবাৰ শুনিছিল, কিন্তু সেইদিনা প্ৰথমবাৰৰ বাবে তাইৰ গানত ৰষ্টভ সাময়িকভাৱে প্ৰভাৱিত হয়। নিজৰ ঋণ, দুখ-কষ্টৰ বোজা পাহৰি যায় আৰু কেৱল সংগীতৰ জগতত বিভোৰ হয়। সংগীতৰ সেই স্পৰ্শ আছিল ৰষ্টভৰ আত্মাৰ সৰ্বোত্তম বস্তু, যিটো পৃথিৱীৰ যিকোনো বস্তুতকৈ উচ্চ। টলষ্টয়ৰ এই সাধাৰণ দৃশ্যটোৰ বৰ্ণনা আছিল অতি সুন্দৰ, অসাধাৰণ। য'ত জীয়াই থকাৰ সৌন্দৰ্য্যক খুব ধুনীয়াকৈ পৰিস্ফুট কৰা হৈছে।

টলষ্টয়ৰ প্ৰত্যেকখন উপন্যাসতে নৈতিকতাৰ স্থান দেখিবলৈ পোৱা যায়। তেওঁ উপলব্ধি কৰিছিল যে পৃথিৱীখন সলাবলৈ যোৱাৰ আগতে আমি নিজক পৰিবৰ্তন কৰিব লাগিব। মহাত্মা গান্ধীও তেওঁৰ এই আদৰ্শৰ দ্বাৰা প্ৰভাৱিত হৈছিল। তেওঁ সাহিত্যৰাজিৰ মাজেৰে বিশ্বত শান্তি প্ৰতিষ্ঠা কৰিবলৈ অহৰহ চেষ্টা কৰি গৈছিল। গতিকে 'ৱাৰ এণ্ড পিচ'তো তেওঁ বিভিন্ন চৰিত্ৰৰ মাজেদি নিজৰ মতামত প্ৰকাশ কৰিছিল। টলষ্টয়ৰ মতে ছাৰ আলেকজেণ্ডাৰেই হওক বা নেপোলিয়নেই হওক তেওঁলোক আছিল ইতিহাসৰ পুতলা, এক অপ্ৰতিৰোধ্য শক্তিৰ দ্বাৰা পৰিচালিত। ইতিহাসৰ গতিপথক প্ৰভাৱিত কৰা শক্তিসমূহৰ ওপৰত এই ঐতিহাসিক ব্যক্তিসকলৰ কোনো নিয়ন্ত্ৰণ নাই। প্ৰতিজন ব্যক্তিৰ কাৰ্য্যৰ সমষ্টিৰ দ্বাৰা সৃষ্ট পৰিস্থিতিয়েহে ইতিহাসত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

টলষ্টয়ে ফৰাচী-ৰাছিয়া আক্ৰমণৰ সময়ৰ বিভিন্ন ধৰণৰ নথি-পত্ৰ, সাক্ষাৎকাৰ, চিঠি, ইতিহাস, দৰ্শনৰ কিতাপ ইত্যাদিৰ উৎস লৈ 'ৱাৰ এণ্ড পিচ'ত প্ৰায় ১৬০টা চৰিত্ৰত প্ৰকৃত ব্যক্তিৰ নাম উল্লেখ কৰিছে। যুদ্ধৰ বৰ্ণনা নিপুণ যদিও ৰাছিয়ান নামবোৰ অলপ পঢ়িবলৈ কঠিন। কিতাপখনৰ মূল ৰাছিয়ান ভাষা যদিও সংলাপৰ উল্লেখযোগ্য অংশবোৰ ফৰাচী ভাষাত লিখা হৈছে। ফৰাচী ভাষা আছিল ৰুছ অভিজাত শ্ৰেণীৰ মুখৰ ভাষা, কিন্তু কিতাপখনৰ কাহিনী আগবাঢ়ি যোৱাৰ লগে লগে ফৰাচী ভাষাৰ ব্যৱহাৰ কমি যায়। সমালোচকৰ মতে টলষ্টয়ে ফৰাচী ভাষাৰ ব্যৱহাৰ কমকৈ কৰি ৰাছিয়াই বিদেশী সাংস্কৃতিক আধিপত্যৰ পৰা নিজকে মুক্ত কৰাটো আৰু এসময়ৰ বন্ধুত্বপূৰ্ণ জাতি এটা শত্ৰুলৈ পৰিণত হোৱাটো দেখুৱাব বিচাৰিছিল।

প্ৰায় ১২০০ পৃষ্ঠাৰ এই দীঘল উপন্যাসখন ১৮৬৮ চনত সম্পূৰ্ণৰূপে প্ৰকাশ পোৱাৰ আগতে ১৮৬৫ চনৰ পৰা ১৮৬৭ চনলৈকে 'দ্য ৰাছিয়ান মেচেঞ্জাৰ' (The Russian Messenger) আলোচনীত ধাৰাবাহিকভাৱে প্ৰকাশ কৰা হৈছিল। চমুকৈ ১৮০৫ৰ পৰা ১৮১২ চনলৈ ৰুছ সমাজ ব্যৱস্থা, নেপোলিয়ন বোনাপাৰ্টৰ ৰাছিয়া আক্ৰমণ, যুদ্ধৰ ভয়াবহ কাহিনী, সেই সময়ত ৰাছিয়াত থকা কেইটামান পৰিয়ালৰ সুখ-দুখ, আবেগৰ কাহিনী, যুদ্ধৰ ফলাফল, ৰাছিয়াৰ ৰাজনৈতিক ঘটনাৰাজিৰ লগতে মানৰ জীৱনৰ মনস্তাত্ত্বিক দিশসমূহ উপন্যাসখনত প্ৰতিফলিত হৈছে। তদুপৰি সমাজে বেয়া দৃষ্টিৰে চোৱা এজন ব্যক্তিৰ মাজতো থকা ভালখিনি বা মানুহক বুজাৰ যি কৌশল এই সকলোখিনি এই উপন্যাসখনত প্ৰকাশ হৈছে। ❖

# লগটক হ্ৰদ

■ প্ৰাঞ্জল প্ৰদীপ বৰা



লগটক হ্ৰদ উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত আটাইতকৈ ডাঙৰ আৰু পৰিষ্কাৰ পানীৰ হ্ৰদ। মণিপুৰ ৰাজ্যত অৱস্থিত এই হ্ৰদ ৰাজধানী ইম্ফলৰ পৰা প্ৰায় ৩৮ কিলোমিটাৰ দূৰত দক্ষিণ দিশত মইৰাং নামৰ ঠাইত অৱস্থিত। আন্তৰ্জাতিক প্ৰকৃতি আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণ সংস্থাই (International Union for Conservation of Nature) দেশৰ এটি প্ৰধান জলাশয় হিচাপে চিনাক্ত কৰা হ্ৰদটো ১৮০ বৰ্গ কিলোমিটাৰ ধৰি বিস্তৃত হৈ আছে। এই হ্ৰদটোত কেইবাটিও সৰু সৰু দ্বীপ আছে। ইয়াৰ ভিতৰত থাংগা আৰু কৰং বিশেষভাৱে উল্লেখযোগ্য। ইয়াত 'ছাংগাই' নামৰ এবিধ লুপ্তপ্ৰায় হৰিণ পোৱাৰ উপৰি মূল্যবান গছ-গছনি আৰু বিভিন্ন প্ৰজাতিৰ চৰাই-চিৰিকটি পোৱা যায়। 'পখীৰ সৰগ' হিচাপে বিখ্যাত এই লগটক হ্ৰদৰ সমগ্ৰ এলেকাটো মাৰ্চ-এপ্ৰিল মাহত পৰিভ্ৰমী চৰাইৰ অন্যতম বিচৰণস্থলী হিচাপে পৰিগণিত হয়।


লগটক হ্ৰদৰ দক্ষিণ অংশৰ কেইবুল লামজাও অংশকে ধৰি প্ৰায় ৫২০০ হেক্টৰ এলেকা ১৯৫৪ চনত অভয়াৰণ্য (sanctuary) হিচাপে ঘোষণা কৰা হয় যদিও পাছলৈ এই এলেকাটোৰ ৪০৫০ হেক্টৰজোৰা অঞ্চল ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰা হয়। যাক কেইবুল লামজাও ৰাষ্ট্ৰীয় উদ্যান (national park) বুলি কোৱা হয়। এই উদ্যানত বিশেষভাৱে জলাশয়ৰ হৰিণ, হাঁহ, লামোক (বনৰীয়া গাহৰি), চানম্বা (সাধাৰণ উট) আদি বিভিন্ন প্ৰজাতিৰ জীৱ-জন্তু পোৱা যায়। তদুপৰি ৰাজ্যখনৰ বনবিভাগে লগটক হ্ৰদৰ দক্ষিণ-পূব দিশ অংশটো পক্ষী অভয়াৰণ্য হিচাপে ঘোষণা কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে।

লগটক হ্ৰদৰ ভিতৰত আৰু ইয়াৰ আশে-পাশে ৫৫ খন উপনগৰ আৰু গ্ৰাম্য বসতি আছে। এই অঞ্চলৰ প্ৰায় ৩০ হাজাৰ লোক জীৱিকাৰ বাবে মাছ ধৰাৰ ওপৰত নিৰ্ভৰশীল। মণিপুৰৰ অৰ্থনীতিত এই প্ৰাচীন হ্ৰদটোৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ই ৰাজ্যৰ জলবায়ুৰ ওপৰত প্ৰভাৱ পেলোৱাৰ উপৰি আৰ্থ-সামাজিক আৰু সাংস্কৃতিক জীৱনত ইয়াৰ গুৰুত্বৰ বাবে এই হ্ৰদটোক মণিপুৰৰ জনসাধাৰণৰ জীৱনৰেখা হিচাপে গণ্য কৰা হয়। লগতে জলবিদ্যুৎ উৎপাদন, জলসিঞ্চন আৰু খোৱাপানী যোগানৰ প্ৰধান উৎস হিচাপে ব্যৱহাৰ হোৱা এই হ্ৰদটোৰ পৰিবেশগত অৱস্থা আৰু ইয়াৰ জৈৱ-বৈচিত্ৰ্যৰ প্ৰতি লক্ষ্য ৰাখি প্ৰথমতে ১৯৯০ চনৰ ২৩ মাৰ্চত ৰামছাৰ সন্ধিৰ অধীনত ইয়াক আন্তঃৰাষ্ট্ৰীয় জলাশয় হিচাপে স্বীকৃতি দিয়া হয়। উল্লেখযোগ্য যে এই হ্ৰদৰ সমীপৰ মাছমৰীয়াসকলে খাং পক (জুপুৰি) সাজি কাষৰীয়া অঞ্চলত বাস কৰে। ঘাইকৈ এই লোকসকলেই লগটক হ্ৰদৰ লগত সংগতি ৰাখি ছাংগাই নামৰ উৎসৱ পালন কৰে। প্ৰতি বছৰে এই উৎসৱ পালন কৰি মণিপুৰৰ সংস্কৃতি তথা বস্ত্ৰ শিল্পৰ প্ৰচাৰ কৰে।

বৰ্তমান হ্ৰদটোৰ পৰিবেশতন্ত্ৰ বা কাষৰীয়া এলেকাত বিভিন্ন সমস্যাই গা-কৰি উঠিছে। ইম্ফল চহৰৰ নামবুল নদীয়ে কঢ়িয়াই অনা আৱৰ্জনাই হ্ৰদটোৰ পৰিৱেশৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। যি কি নহওক, চৰকাৰ তথা জনসাধাৰণৰ সুব্যৱস্থাপনাৰ মাজেৰে লগটক হ্ৰদৰ সৌন্দৰ্য্য পুনৰ উদ্ধাৰ কৰাৰ থল আছে। ভৱিষ্যতলৈ ইয়াৰ সংৰক্ষণে ৰাজ্য তথা দেশৰ পৰ্য্যটনৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব। ❖

# ফুটবলৰ ইতিহাস

■ তৃষ্ণা গোস্বামী



বিশ্বৰ বিভিন্ন ঠাইত 'ছ'কাৰ' (soccer) নামেৰে জনাজাত ফুটবল খেলক পৃথিৱীৰ দেশসমূহত প্ৰচলিত খেলসমূহৰ ভিতৰত অন্যতম জনপ্ৰিয় খেল বুলিব পাৰি। ফুটবল নামটো দুটা ইংৰাজী শব্দৰে গঠিত। ফুট (foot) মানে হ'ল ভৰি আৰু বল (ball) মানে গোলাকাৰ এবিধ খেলৰ আহিলা। অৰ্থাৎ বল এটাক দুভৰিৰ সঞ্চালনৰ যোগেদি খেলা খেলবিধেই হ'ল ফুটবল খেল। প্ৰাচীন সভ্যতাৰ পৰা লাহে লাহে বিকশিত হোৱা ফুটবল খেল বৰ্তমান সংগঠিত আৰু পেছাদাৰী খেললৈ পৰিণত হৈছে। পৃথিৱীৰ ভিন্ন প্ৰান্তৰ ভিন্ন ধৰ্ম, বৰ্ণ, ভাষা, সংস্কৃতিৰ অগণন জনগণৰ হৃদয়ত ফুটবল খেলে এক সুকীয়া স্থান দখল কৰি আহিছে। এক কথাত ক'বলৈ গ'লে ফুটবল খেলে বিশ্বৰ বিভিন্ন সংস্কৃতি, সমাজ আৰু ৰাষ্ট্ৰক একত্ৰিত কৰিছে।

### ফুটবল খেলৰ উৎপত্তি

আধুনিক ফুটবল খেলৰ জন্ম প্ৰাচীন কালৰ বিভিন্ন ধৰণৰ বল খেলৰ সৈতে জড়িত হৈ আছে যেন অনুমান হয়। আদিম মানৱে দুভৰিৰে খোজ কাঢ়িব, দৌৰিব পৰা হোৱাৰে পৰা হয়তো গোলাকাৰ শিল বা কাঠৰ টুকুৰা ভৰিৰে গুৰিয়াই বা হাতেৰে দলিয়াই আমোদ লভিছিল নতুবা নিজৰ বল আৰু বুদ্ধি প্ৰদৰ্শন কৰিছিল। সভ্যতাৰ ক্ৰমবিকাশৰ লগে লগে তেওঁলোকে জন্তুৰ ছাল, ৰবৰ, কাঠ আদিৰে নিৰ্মিত গোলাকাৰ আহিলা সাজি আমোদ-প্ৰমোদৰ ব্যৱস্থা কৰিছিল। পৃথিৱীৰ ভালেমান প্ৰাচীন সভ্যতাত এনে ধৰণে গোলাকাৰ বল ক্ৰীড়াৰ বাবে ব্যৱহাৰ কৰাৰ তথ্য পোৱা গৈছে। খৃষ্টপূৰ্ব দ্বিতীয় আৰু তৃতীয় শতিকাত চীনৰ হান ৰাজবংশৰ ৰাজত্বকালত চুজু (cuju) বা চু-চু (tsu-chu) নামৰ এবিধ খেলৰ প্ৰচলন আছিল। 'চু' মানে হ'ল ভৰিৰে গোৰ মৰা আৰু 'জু' মানে হ'ল চামৰাৰ বল। এই খেলবিধত ৩০ ফুট দৈৰ্ঘ্যৰ দুটা বাঁহৰ খুঁটাত এখন ৰেছম কাপোৰ আঁৰি দিয়া হয়। এই কাপোৰখনৰ মাজত ৩০-৪০ ছেণ্টিমিটাৰ ব্যাসাৰ্ধৰ এটা সুৰুঙা ৰখা হয়। খেলুৱৈসকলে উক্ত সুৰুঙাটোৰে চামৰাৰ বলটো সৰকাই দিব পাৰিলে গ'ল হিচাপে ধৰা হৈছিল। এই চুজু খেলক আধুনিক যুগৰ ফুটবল খেলৰ পূৰ্বসূৰী হিচাপে গণ্য কৰা হয়। চীন দেশৰ নিচিনাকৈ প্ৰায় পঞ্চম শতিকামানৰ পৰা জাপানত কেমাৰি (kemari) নামৰ এবিধ খেলৰ প্ৰচলন হৈছিল। 'কেমাৰি' শব্দৰ অৰ্থ হৈছে ভৰিৰে খেলা বল। একে ধৰণে প্ৰাচীন গ্ৰীচ আৰু ৰোমত ক্ৰমে 'এপিস্কাইৰছ' (episkyros) আৰু 'হাৰপাস্টাম' (harpastum) নামৰ খেলৰ প্ৰচলন আছিল। এই খেল দুবিধত এটা বল দলীয়ভাৱে নিয়ন্ত্ৰণ কৰাৰ প্ৰতিযোগিতা হৈছিল। আনহাতে মধ্যযুগীয় ইউৰোপৰ গাঁওসমূহত 'মব ফুটবল' (mob football) নামৰ খেল এবিধ অতি জনপ্ৰিয় আছিল। এই খেলবিধত বহুসংখ্যক লোকে এটা বল এক নিৰ্দিষ্ট স্থানলৈ লৈ যোৱাৰ প্ৰতিযোগিতা কৰিছিল।

### আধুনিক ফুটবলৰ জন্ম

আধুনিক ফুটবলৰ জন্ম হৈছিল ১৯ শতিকাত ইংলণ্ডত। ১৮৬৩ চনত ইংলণ্ডত পোনপ্ৰথমবাৰৰ বাবে ফুটবল এছ'চিয়েছন (football association) গঠন কৰা হয়। এই প্ৰতিষ্ঠানটো গঠনৰ পাছত ফুটবল খেলক সংগঠিত ৰূপ দি আনুষ্ঠানিকভাৱে ইয়াত কিছুমান নিয়ম সংযোজন কৰা হ'ল। এই নিয়মবোৰ আছিল এনে ধৰণৰ—এটা দলত ১১ জন সদস্য থাকিব, গ'লকীপাৰৰ (goalkeeper) বাহিৰে অন্য খেলুৱৈয়ে হাতেৰে বল চুব নোৱাৰিব, প্ৰতিপক্ষৰ গ'লত বল ভৰাব লাগিব ইত্যাদি।

১৮৭১ চনত প্ৰথমখন এফএ কাপ (Football Association cup) প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ১৮৮৮ চনত ইংলিছ ফুটবল লীগ (English Football League) গঠনৰ লগে লগে আধুনিক পেছাদাৰী ফুটবল খেলৰ যুগ আৰম্ভ হয়।

১৯০৪ চনত ফেডাৰেছন ইণ্টাৰনেছনেল ডি ফুটবল এছ'চিয়েছনৰ (Federation International de Football Association, চমুকৈ FIFA) প্ৰতিষ্ঠাৰ লগে লগে ফুটবল খেলৰ ইতিহাসে এক নতুন পৰ্য্যায় লাভ কৰিলে। ফিফা প্ৰতিষ্ঠাৰ লগে লগে ফুটবল ইউৰোপৰ বাহিৰে অন্য মহাদেশ বিশেষকৈ দক্ষিণ আমেৰিকা, আফ্ৰিকা আৰু এছিয়ালৈ সম্প্ৰসাৰিত হ'ল। দক্ষিণ আমেৰিকাৰ ব্ৰাজিল, আৰ্জেণ্টিনা আৰু উৰুগুৱে ফুটবল খেলৰ শক্তিশালী কেন্দ্ৰ হিচাপে গঢ় লৈ উঠে। ১৯১৬ চনত পোনপ্ৰথমবাৰৰ বাবে অনুষ্ঠিত কোপা আমেৰিকাত (Copa America, মহাদেশীয় ফুটবল প্ৰতিযোগিতা) উৰুগুৱে জয়লাভ কৰে। কুৰি শতিকাৰ মধ্যভাগত আফ্ৰিকান দেশসমূহে ফিফাৰ সৈতে যোগদান কৰে। আফ্ৰিকাৰ কেমেৰুণ, ঘানা, নাইজেৰিয়া আদি দেশসমূহৰ লগতে ভাৰত, চীন, জাপানতো ফুটবল অধিক জনপ্ৰিয় খেল হৈ পৰে।

**ফিফা বিশ্বকাপৰ আৰম্ভণি**

১৯৩০ চনত প্ৰথমবাৰৰ বাবে ফিফা বিশ্বকাপৰ শুভাৰম্ভ হয়। প্ৰথম ফিফা বিশ্বকাপত উৰুগুৱেই আৰ্জেণ্টিনাক পৰাস্ত কৰি চেম্পিয়ন (champion) হ'বলৈ সক্ষম হয়। এনেদৰে বিশ্বৰ দেশসমূহক জড়িত কৰা ফিফা বিশ্বকাপ প্ৰতি চাৰি বছৰৰ মূৰে মূৰে অনুষ্ঠিত হয়। শেহতীয়াকৈ ২০২২ চনত ফিফা বিশ্বকাপ অনুষ্ঠিত হৈছিল আৰু আৰ্জেণ্টিনাই ফ্ৰান্সক হৰুৱাই বিশ্বকাপ লাভ কৰিবলৈ সক্ষম হৈছিল। পৰৱৰ্তী ফিফা বিশ্বকাপ ২০২৬ চনত অনুষ্ঠিত হ'ব।

ফুটবল খেলৰ জনপ্ৰিয়তা বৃদ্ধিৰ লগে লগে বিশ্বৰ বিভিন্ন প্ৰান্তত বিভিন্ন আন্তৰ্জাতিক সংস্থা গঠন হ'বলৈ আৰম্ভ কৰে। ১৯৫৫ চনত উয়েফা চেম্পিয়নছ লীগ (UEFA Champions League), ১৯৬০ চনত আমেৰিকাত কোপা লিবাৰ্টাডোৰেছ (Copa Libertadores), এছিয়াৰ এএফটি




চেম্পিয়ন লীগ (AFT Champion League) ইত্যাদি। উল্লেখযোগ্য যে ১৯০০ চনত ফুটবল খেলক অলিম্পিকত অন্তৰ্ভুক্ত কৰা হৈছিল। প্ৰথম অৱস্থাত ফুটবল খেল পুৰুষ খেলুৱৈৰ মাজতে সীমাবদ্ধ আছিল। ১৯৯১ চনত প্ৰথমবাৰ মহিলা ফিফা বিশ্বকাপ অনুষ্ঠিত হয়। মুঠৰ ওপৰত জাতি, ধৰ্ম, ভাষা, লিংগৰ সীমা অতিক্ৰম কৰি ফুটবল খেলে যুৱক-যুৱতীক ক্ৰীড়াৰ প্ৰতি আকৰ্ষিত কৰি সামাজিক পৰিবৰ্তনৰ ক্ষেত্ৰত এক মাধ্যম হিচাপে কাম কৰি আহিছে।

**ফুটবল খেল আৰু অসম**

বৃটিছ শাসন কালতেই অসমত ফুটবল খেলৰ প্ৰচলন হৈছিল। গুৱাহাটীৰ বৰপুলত পোনপ্ৰথমবাৰৰ বাবে ফুটবল খেল খেলা হৈছিল। ১৯৪৬ চনত 'অসম ফুটবল এছ'চিয়েছন' (Assam Football Association) গঠিত হৈছিল। তেতিয়াৰে পৰাই অসমে সন্তোষ ট্ৰফী, বৰদলৈ ট্ৰফী আদিত অংশগ্ৰহণ কৰিবলৈ আৰম্ভ কৰে। গুৱাহাটীত অৱস্থিত 'নৰ্থইষ্ট ইউনাইটেড এফচি' (North-East United Football Club) নামৰ ভাৰতীয় ছুপাৰ লীগ ক্লাবে অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ফুটবল দলসমূহক প্ৰতিনিধিত্ব কৰে। ২০১৯ চনত গুৱাহাটীৰ 'ইন্দিৰা গান্ধী এথলেটিক ষ্টেডিয়াম'ত ফিফা বিশ্বকাপৰ বাছনি পৰ্বৰ খেল অনুষ্ঠিত হৈছিল, যিয়ে অসমক বিশ্বৰ ফুটবল খেলৰ জগতখনৰ লগত সংযোগ কৰাত সহায় কৰিছিল। বিশ্ব ফুটবল খেলৰ জগতখনত অসমক সংযোজিত কৰাৰ ক্ষেত্ৰত ড° টালিমেৰেন আও, গিলবাৰ্টছন ছাংমা, হলিচৰণ নাৰ্জাৰী আদি খেলুৱৈৰ অৱদান অনবদ্য। ❖

**টোকা** : *UEFA : The Union of European Football Association.*

# ডি আৰ ডি অ’

■ ৰাণু বুজৰবৰুৱা

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা (Defence Research and Development Organisation, DRDO) ভাৰত চৰকাৰৰ প্ৰতিৰক্ষা বিষয়ক গৱেষণা আৰু উন্নয়ন বিভাগৰ অন্তৰ্ভুক্ত এক সংস্থা। ১৯৫৮ চনত প্ৰতিষ্ঠা কৰা এই সংস্থাটোৰ মুখ্য কাৰ্য্যালয় নতুন দিল্লীত অৱস্থিত। প্ৰায় ৫ হাজাৰ বিজ্ঞানী আৰু আন বিশেষজ্ঞৰে পুষ্ট এই সংস্থাটো দেশৰ সুৰক্ষাৰ ক্ষেত্ৰত জড়িত বিভিন্ন সা-সঁজুলি, অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণ তথা গৱেষণাৰ এটা অতি গুৰুত্বপূৰ্ণ অনুষ্ঠান।

আমাৰ দেশ স্বাধীন হোৱাৰ পাছত দেশৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় অস্ত্ৰ-শস্ত্ৰ তথা প্ৰযুক্তি বিদেশৰ পৰা আমদানি কৰিবলগীয়া হৈছিল। কিন্তু দেশৰ প্ৰতিৰক্ষা বাহিনীসমূহে সেই প্ৰযুক্তি বা সঁজুলিসমূহ নিজৰ দেশতে নিৰ্মাণ কৰিবলৈ বিচাৰিছিল। ১৯৭০ চনত ভাৰতীয় বায়ুসেনা বাহিনীয়ে থলুৱা প্ৰযুক্তিৰে ৰাডাৰ (RADAR) ব্যৱস্থা এটা উদ্ভাৱন কৰিবলৈ সিদ্ধান্ত লৈছিল। সেই সিদ্ধান্ত অনুসৰি ডি আৰ ডি অ’ৰ গৱেষণা কেন্দ্ৰ আৰু বায়ুসেনা বাহিনীয়ে মিলি ইন্দ্ৰ আৰু ৰোহিণী নামেৰে দুবিধ থলুৱা ৰাডাৰ ব্যৱস্থা গঢ়ি তুলিছিল।

ডি আৰ ডি অ’ৰ প্ৰথমটো ডাঙৰ প্ৰকল্প আছিল ‘প্ৰকল্প ইণ্ডিগো’ (Project Indigo)। ১৯৬০ চনত স্থলৰ পৰা বায়ুলৈ নিক্ষেপ কৰিব পৰা মিছাইল নিৰ্মাণ কৰাৰ লক্ষ্যেৰে এই প্ৰকল্প আৰম্ভ কৰা হৈছিল। পাছলৈ এই প্ৰকল্পৰ অধীনতে আন এটা প্ৰকল্প ‘প্ৰকল্প ডেভিল’ (Project Devil) আৰম্ভ কৰা হয়। ভাৰত চৰকাৰৰ ইনটিগ্ৰেটেড গাইডেড মিছাইল ডেভেলপমেণ্ট প্ৰগ্ৰেমৰ (Integrated Guided Missile Development Programme, IGMDP) অধীনত প্ৰকল্প ডেভিলে পৃথ্বী (Prithvi) মিছাইল তৈয়াৰ কৰি উলিয়াইছিল।

১৯৮০ চনৰ পৰা ২০০৭ চনলৈ জি এম ডি পিৰ (GMDP) অধীনত অগ্নি (Agni), পৃথ্বী, আকাশ (Akash), ত্ৰিশূল (Trishul), নাগ (Nag) আদি মিছাইল তৈয়াৰ কৰি ভাৰতৰ সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰি তোলা হৈছিল। বৰ্তমান এই অনুষ্ঠানটোৱে সাধাৰণতে নিৰ্মাণ কৰি অহা অস্ত্ৰ-শস্ত্ৰৰ পৰিবৰ্তে অত্যাধুনিক প্ৰযুক্তি উদ্ভাৱনত বেছি মনোনিবেশ কৰিছে।

ভাৰতে নিজৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় সা-সঁজুলি আৰু প্ৰযুক্তিৰ কেৱল ৪৫%ৰ পৰা ৫০% হে থলুৱাভাৱে নিৰ্মাণ কৰে। বাকী আন দেশৰ পৰা আমদানি কৰে। সেয়েহে এই ক্ষেত্ৰত আমাৰ দেশ সম্পূৰ্ণ আত্মনিৰ্ভৰশীল হ’বলৈ ডি আৰ ডি অ’ই বিভিন্ন উদ্যোগ, ব্যক্তিগত খণ্ডৰ সংস্থা, গৱেষণা আৰু শৈক্ষিক অনুষ্ঠান আদিক ডি আৰ ডি অ’ৰ লগত একেলগে কাম কৰিবলৈ আহ্বান জনাইছে। সেনাবাহিনীৰ লোকক ডি আৰ ডি অ’ৰ গৱেষণাৰ ক্ষেত্ৰত জড়িত কৰিবলৈ সৈন্যবাহিনীৰ তৰফৰ পৰা পৰামৰ্শ আগবঢ়াইছে।

ডি আৰ ডি অ’ই কেৱল সুৰক্ষাৰ ক্ষেত্ৰতহে যে কাম কৰে তেনে নহয়। ক’ভিড-১৯ৰ ভেকচিন প্ৰস্তুতকৰণ, চেনিটাইজাৰ, ভেণ্টিলেটৰ, মাস্ক আদিৰ গৱেষণা তথা প্ৰস্তুতকৰণৰ ক্ষেত্ৰতো ডি আৰ ডি অ’ই আগভাগ লৈছিল। তদুপৰি বিভিন্ন প্ৰযুক্তিৰ সহায়ত জীৱ-জন্তু তথা মানুহৰ মল-মূত্ৰ, বিভিন্ন ধৰণৰ আৱৰ্জনা আদি কম খৰচতে নিষ্কাসন কৰি পানীৰ উৎসসমূহ প্ৰদূষণমুক্ত কৰাৰ ক্ষেত্ৰতো ডি আৰ ডি অ’ই অনুষ্ঠানসমূহক সহায় কৰি আহিছে। অৰ্থাৎ দেশক বিভিন্ন ধৰণৰ প্ৰযুক্তিৰ ক্ষেত্ৰত সহায় কৰাৰ লগতে এখন উন্নত তথা আত্মনিৰ্ভৰশীল দেশ হিচাপে গঢ়াৰ ক্ষেত্ৰত ডি আৰ ডি অ’ হ’ল এক অন্যতম অনুষ্ঠান। ❖

## চুড’কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

### চুড’কু ২২৬ (সমাধান)

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 4 | 5 | 2 | 7 | 6 | 1 | 8 | 3 | 9 |
| 3 | 1 | 8 | 5 | 2 | 9 | 6 | 4 | 7 |
| 7 | 9 | 6 | 4 | 3 | 8 | 1 | 2 | 5 |
| 1 | 6 | 3 | 8 | 7 | 4 | 9 | 5 | 2 |
| 5 | 8 | 7 | 9 | 1 | 2 | 3 | 6 | 4 |
| 9 | 2 | 4 | 6 | 5 | 3 | 7 | 8 | 1 |
| 6 | 7 | 1 | 2 | 8 | 5 | 4 | 9 | 3 |
| 2 | 3 | 9 | 1 | 4 | 6 | 5 | 7 | 8 |
| 8 | 4 | 5 | 3 | 9 | 7 | 2 | 1 | 6 |

### চুড’কু ২২৭

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | | 9 | 4 | | | | 1 |
| 7 | | | 5 | | 8 | 3 | | |
| 2 | | | | | | | 9 | |
| | | | 4 | 5 | 7 | | | |
| 1 | 4 | | | | | 2 | | |
| | | 3 | | | | | 6 | 7 |
| 8 | | | | | | | 5 | |
| | 1 | | | 7 | 5 | | | |
| | | 2 | 3 | | 6 | | 1 | |

## তোমালোকে জানানে ?

### অতিশব্দ কি ?



নিজান নিশা নিৰিবিলি ঠাই এডোখৰত ৰৈ কাণ পাতি শুনিলে আমি ভেকুলীৰ টোৰটোৰণি, কুমটি আৰু নানা ধৰণৰ কীট-পতংগৰ বিচিত্ৰ শব্দ শুনিবলৈ পাওঁ। সেইদৰে দিনৰ ভাগত হাবিতলীয়া ঠাইত ৰৈ মন দি শুনিলেও এনে ধৰণৰ ফৰিং, জিলী, ভোমোৰা, মৌ-মাখি, কীট-পতংগ আৰু চৰাই-চিৰিকটিৰ নানা ধৰণৰ শব্দ শুনিবলৈ পোৱা যায়। আমাৰ কাণত পৰা এনে ধৰণৰ শব্দৰ উপৰি কাণত নপৰা আন বহুতো শব্দ আছে। বিজ্ঞানীসকলে এনে ধৰণৰ আমাৰ কাণে ধৰিব নোৱৰা শব্দ ধৰা পেলোৱা যন্ত্ৰ উদ্ভাৱন কৰিছে। এনে কৰ্ণগোচৰ নোহোৱা শব্দক বিজ্ঞানৰ ভাষাত কোৱা হয় অতিশব্দ (ultrasound)।

আমি শুনা সাধাৰণ শব্দ আৰু অতিশব্দৰ মাজত পাৰ্থক্য আছে। এই পাৰ্থক্য হ’ল কম্পনৰ। সাধাৰণতে আমি যিবোৰ শব্দ কাণৰ সহায়ত শুনো সেইবোৰ হ’ল সাধাৰণ শব্দ। কিছুমান শব্দই আমাৰ কাণৰ পৰ্দাত কঁপনি তুলিব নোৱাৰে তেনে শব্দ আমি শুনিবলৈ নাপাওঁ। বিজ্ঞানৰ ভাষাত কোৱা হয় যে ২০ৰ পৰা ২০,০০০ হাৰ্টজৰ (hertz) মাজত হোৱা কম্পনৰ শব্দবোৰক আমাৰ কাণে শুনিবলৈ পায়। অৰ্থাৎ, যিবোৰ শব্দৰ কম্পন ২০ হাৰ্টজৰ তলত তেনে শব্দক অৱশব্দ আৰু যিবোৰ শব্দৰ কম্পন ২০,০০০ হাৰ্টজৰ ওপৰত তেনে শব্দক বিজ্ঞানৰ ভাষাত কোৱা হয় অতিশব্দ। শব্দ আৰু অতিশব্দৰ এই পাৰ্থক্য মানুহৰ শুনা শক্তিৰ ফালৰ পৰাহে নিৰ্ধাৰণ কৰা হৈছে। বহুতো জীৱ-জন্তু, চৰাই-চিৰিকটি আৰু সাগৰীয় মাছ আৰু প্ৰাণী আছে যাৰ শুনা শক্তি আমাতকৈ বেলেগ আৰু আমি নুশুনা শব্দও সিহঁতে শুনিবলৈ পায়। উদাহৰণস্বৰূপে, বাদুলিৰ চি-চিঁয়নি মাতত অতিশাব্দিক তৰংগৰ সৃষ্টি হয়। এই তৰংগই আগত যিকোনো বাধা পালে পুনৰ উভতি আহে। এনে উভতি অহা অতিশাব্দিক তৰংগৰ পৰা বাদুলিয়ে আন্ধাৰত চিকাৰ ধৰিব পাৰে। ❖

*(উৎস : শান্তনু কৌশিক বৰুৱাৰ ‘বিজ্ঞানৰ কি কিয় কেনেকৈ কোন আৰু কেতিয়া’)*

নিবন্ধ

# বিষ উপকাৰী নে অপকাৰী?

■ চেহনাজ আখতাৰ আহমেদ



মৃগাংক নিজৰ শৰীৰক লৈ সচেতন যদিও আমি কিছুমান সৰু শাৰীৰিক সমস্যা আওকাণ কৰাৰ দৰে মৃগাংকয়ো কিছুমান কথা দৰকাৰী বুলি নাভাবে। কেইদিনমানৰ পৰা হৈ থকা পাতল মূৰৰ বিষ আৰু দাঁতৰ ওচৰত ভাল লাগি নথকা এটি অনুভৱক মৃগাংকই গুৰুত্ব নিদি নিজৰ দৈনন্দিন কামবোৰ কৰি থাকিল। ঠাণ্ডা খাব নোৱৰাটো বতৰৰ বাবেই হোৱা বুলি ভাবিলে। অৱশেষত চাৰিদিন পাছত অত্যন্ত দাঁতৰ বিষত মৃগাংক দন্ত চিকিৎসকৰ ওচৰ পালেগৈ। চিকিৎসকৰ কথাত মৃগাংক আচৰিত হ'ল যে তেওঁৰ দাঁতৰ সংক্ৰমণ হৈছে আৰু কিছুদিন পলম কৰিলে এই দাঁতৰ সংক্ৰমণ আৰু বিয়পি গ'লহেঁতেন। মৃগাংকই ভাবিবলৈ ধৰিলে যে বিষ যদি এই সংক্ৰমণটোৰ লক্ষণ নহ'লহেঁতেন তেওঁ চিকিৎসকৰ ওচৰলৈ আহিব লাগিব বুলি কেতিয়াও নাভাবিলেহেঁতেন। হঠাৎ এই 'বিষ'টো তেওঁৰ বন্ধু যেনহে অনুভৱ হ'ল।

শুনিবলৈ আচৰিত যেন লাগিলেও বিষ আমাৰ বাবে উপকাৰী। বিষে আমাৰ শৰীৰৰ কোনো ৰোগৰ বাবে সতৰ্কবাণীৰূপে কাম কৰে। বিষ আমাৰ শৰীৰক সুৰক্ষা দিয়াৰ ব্যৱস্থা। কাৰণ আমাৰ দেহত বিষ অনুভৱ কৰিলে আমি কিছুমান কাৰ্য্য বন্ধ কৰি দিওঁ, যাৰ বাবে আঘাতপ্ৰাপ্ত স্থানৰ মেৰামতি হোৱাত সহায় হয়। কিছুমান ৰোগৰ আৰম্ভণি বিষৰ দ্বাৰাই হয়। যাৰ বাবে ব্যক্তি এজন চিকিৎসাৰ বাবে আগবাঢ়ি যায়, ফলত ৰোগৰ চিনাক্তকৰণ সম্ভৱ হয়।

কিন্তু শৰীৰত হোৱা এই বিষৰ অপকাৰিতাও বহুত। বিষে ব্যক্তি এজনক প্ৰয়োজনীয় কাম কৰাত বাধা দিয়ে। এনে বিষে কেতিয়াবা ৰোগী এজনক মানসিকভাৱেও দুৰ্বল কৰি তুলিব পাৰে। আমাৰ শৰীৰটো যেতিয়া তাপ, চাপ বা আঘাতৰ সন্মুখীন হয় বা কোনো বীজাণুৰ দ্বাৰা সংক্ৰমিত হয়, তেতিয়া সেই ঠাইত কিছুমান ৰাসায়নিক বিক্ৰিয়াৰ সৃষ্টি হয়। এই বিক্ৰিয়াই এক উদ্দীপনাৰ দৰে ক্ৰিয়া কৰে। এই উদ্দীপনা কিছুমান বিশেষ স্নায়ুৱে সংগ্ৰহ কৰে। আমাৰ শৰীৰৰ বিভিন্ন অংগ, ছাল, মাংসপেশী, হাড়ৰ মাজৰ সন্ধি আদিত এনে বিষ সংগ্ৰাহক স্নায়ু পোৱা যায়। ইয়াক 'নচিচেপ্ট'ৰ' (nociceptor) বুলি জনা যায়। এনে সংগ্ৰাহকে বিষৰ বাৰ্তা বা উদ্দীপনা মগজুলৈ পঠিয়ায় আৰু সম্ভাব্য বিপদৰ বিষয়ে আমি অৱগত হওঁ।

সাধাৰণতে বিষৰ পৰা সকাহ পাবলৈ বিষনাশক দৰৱ ব্যৱহাৰ কৰা হয়। এই দৰৱসমূহে দুই ধৰণে কাম কৰে। কেতিয়াবা বিষ উৎপন্নকাৰী ৰাসায়নিক পদাৰ্থবিধৰ পৰিমাণ কমাই দিয়ে আৰু কেতিয়াবা বিষৰ বাৰ্তাসমূহ মগজুলৈ যোৱাত বাধা দিয়ে। অৰ্থাৎ বিষনাশকৰ দ্বাৰা ৰোগৰ নিৰাময় নহয়, কেৱল সাময়িকভাৱে বিষৰ পৰাহে পৰিত্ৰাণহে পোৱা যায়।

বিষ অনুভৱ হোৱাটো ভাল লগা অৱস্থা নহয় যদিও ই আহিবলগীয়া বিপদৰ বিষয়ে আমাক সতৰ্ক কৰি দিয়ে। বিষে শৰীৰত এক অসহ্যকৰ পৰিবেশৰ সৃষ্টি কৰিলেও বিষ অনুভৱ নহ'লে শৰীৰৰ সমস্যা চিনাক্তকৰণত বহুতো পলম হ'লহেঁতেন। ফলত শৰীৰটো অত্যধিক ক্ষতিৰ সন্মুখীন হ'লহেঁতেন। সেয়ে ক'ব পাৰি বিষ আমাৰ বাবে অপকাৰী নহয় উপকাৰীহে। ❖

## শিক্ষাৰ্থীয়ে অঁকা ছবি


দীপশিখা নাথ, নৱম খ


সৃষ্টিমা জে বৰা, চতুৰ্থ ঘ


গ্ৰেচিলিয়া মাৰাক, নৱম ক


দীক্ষা বৰুৱা, চতুৰ্থ ঘ


দিব্যাক্ষী শৰ্মা, নৱম গ


প্ৰাংশু প্ৰিয়াঞ্চু কাশ্যপ, চতুৰ্থ ক

# ভাৰতৰ বিভিন্ন ৰাজ্যৰ ৰাজ্যিক চৰাই



ৰাজস্থান: গ্ৰেট ইণ্ডিয়ান বাস্টাৰ্ড (Great Indian bustard)



তামিলনাডু: শিল কপৌ (Emerald dove)



টেলেংগানা: নীলকণ্ঠ (Indian roller)



ত্ৰিপুৰা: পৰঘুমা (Green Imperial Pigeon)



উত্তৰ প্ৰদেশ: ছ্বাছ ক্ৰেন (Sarus Crane)



দিল্লী : ঘৰচিৰিকা (House Sparrow)